● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

কোনো সভাৰ মেজত
অথবা চুক্তি স্বাক্ষৰ কৰি
শান্তি স্থাপন কৰিব
নোৱাৰি; মানুহৰ হৃদয়ৰ
দ্বাৰাহে সেয়া সম্ভৱ।

হাৰ্বাৰ্ট হুভাৰ
*৩১ সংখ্যক মাৰ্কিন ৰাষ্ট্ৰপতি*



www.dainikagradoot.in

৭ তালিবানৰ ডেৰমহীয়া শাসনত বৃদ্ধি পালে দাৰিদ্ৰ্য
১১ ভাৰত-অষ্ট্ৰেলিয়াৰ দিবা-নৈশ মহিলা টেষ্ট ড্ৰ
৪ বৃহৎ নদীবান্ধে অসমলৈ বিপৰ্যয় মাতি আনিব

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩৫৪তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৭ আহিন ১৪২৮ ভাস্কৰাব্দ ৪ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 4 October 2021 মূল্য ঃ ৭.০০ টকা

■ ড° নিৰোদ কুমাৰ বৰুৱা-কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্ট-শ্বিলং চেম্বাৰ কয়াৰলৈ গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি আৰু অৱদান বঁটা প্ৰদান ■ আধুনিক ভাৰতৰো অন্যতম খনিকৰ লোকপ্ৰিয়

# অসমৰ সৌন্দৰ্যত অভিভূত নাইডু








*ড° নিৰোদ কুমাৰ বৰুৱা-কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্ট-শ্বিলং চেম্বাৰ কয়াৰলৈ গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি আৰু অৱদান বঁটা প্ৰদান উপ-ৰাষ্ট্ৰপতিৰ।*

মোৰ জীৱন কালত ভ্ৰমণ কৰা ঠাইৰ ভিতৰত আটাইতকৈ সুন্দৰ অসম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** আধুনিক অসমেই নহয়, আধুনিক ভাৰত নিৰ্মাণৰো অন্যতম খনিকৰ আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ। আজি অসম চৰকাৰৰ 'লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি আৰু অৱদান বঁটা' প্ৰদান অনুষ্ঠানত উপস্থিত থাকি এইদৰে কয় দেশৰ উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে। জাৰ্মানীৰ প্ৰৱাসী অসমীয়া প্ৰখ্যাত গৱেষক, ইতিহাসবিদ তথা অধ্যাপক ড° নিৰোদ কুমাৰ বৰুৱা, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্ট অসম শাখা আৰু মেঘালয়ৰ শ্বিলং চেম্বাৰ কয়াৰ নামৰ সংগীত গোষ্ঠীলৈ এই বঁটা আগবঢ়োৱা হৈছে। মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি নাইডুৱে ভাষণত লগতে কয় যে নিজ পাণ্ডিত্যৰ বাবে সকলোৰে প্ৰিয়ভাজন নেতা হোৱাৰ লগতে প্ৰয়াত বৰদলৈয়ে জীৱন কালতে লোকপ্ৰিয় *দুই পৃষ্ঠাত চাওক*

■ আঠদিনীয়া উত্তৰ-পূৱ ভ্ৰমণসূচীৰে গুৱাহাটীত উপ-ৰাষ্ট্ৰপতি
■ জিএমচিএইছত পেট-এমআৰআই শাখা উদ্বোধন কৰিলে নাইডুৱে

## ৰাজ্যত প্ৰতিবছৰে ৫২ হেজাৰ লোকৰ দেহত চিনাক্ত হয় কৰ্কট ৰোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** আঠদিনীয়া উত্তৰ-পূৱ ভ্ৰমণসূচীৰে দেশৰ উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আজি গুৱাহাটীত উপস্থিত হয়। তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত দেশৰ ভিতৰত চতুৰ্থটো তথা উত্তৰ-পূৱৰ ভিতৰত প্ৰথমটো পেট-এমআৰআই শাখা মুকলি কৰে। শাখাটো মুকলি কৰি উপ-ৰাষ্ট্ৰপতি *দুই পৃষ্ঠাত চাওক*



## ইপাৰ-সিপাৰ কোন পাৰ ?

■ প্ৰাঞ্জলসেন ডেকা

**বিশ্ব** আজি এক জটিল সন্ধিক্ষণৰ সন্মুখীন হৈছে। অধিকাংশ দেশেই যেন এক ধৰণৰ অনিশ্চয়তাৰ মুখত! এয়া আজি নিশাৰ ভিতৰতে হৈ উঠা নাই; বৰঞ্চ দীৰ্ঘদিন ধৰি বিভিন্ন কাৰণত পৰিৱেশ জটিলতৰ দিশে অগ্ৰসৰ হৈ আহিছে। কৰ'না অতিমাৰীয়ে যেনিবা এই ক্ষেত্ৰত জুইত ঘিউ ঢলাৰ কাম কৰি পেলালে। ফলস্বৰূপে চৌদিশে এক চেপা অশান্তি। পৰিৱেশ স্বাভাৱিক কৰি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত নথকা নহয়; কিন্তু সেয়া ফলপ্ৰসূ হৈ উঠা নাই। এনে অৱস্থাৰ পৰা উদ্ধাৰৰ বাবে আজি কালজয়ী মণীষীসকলৰ দিক নিৰ্দেশনাৰ *আঠ পৃষ্ঠাত চাওক*

## উপ-নিৰ্বাচনত ৫৮ হেজাৰৰ অধিক ভোটত বিজয়ী তৃণমূল নেত্ৰী মমতা



■ নিউজ ব্যুৰ'

**কলকাতা, ৩ অক্টোবৰ ঃ ঃ** বিজয় নিশ্চিতই আছিল পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা *আঠ পৃষ্ঠাত চাওক*

■ পাণবজাৰৰ পাছতে দিছপুৰ-গীতানগৰ থানাই গ্ৰেপ্তাৰৰ সম্ভাৱনা

মধুমেহ-হৃদৰোগত আক্ৰান্ত ঃ নিয়মিত স্বাস্থ্য পৰীক্ষাৰ নিৰ্দেশ আদালতৰ

## দুদিনৰ আৰক্ষী জিম্মালৈ বিধায়ক শ্বেৰমান, নিলম্বিত কৰিব কংগ্ৰেছে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** সাম্প্ৰদায়িক উচটনি আৰু সমাজৰ শান্তি-সম্প্ৰীতি বিনষ্ট কৰিবলৈ চেষ্টা কৰাৰ অভিযোগত কালি পাণবজাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বাঘবৰৰ কংগ্ৰেছ বিধায়ক শ্বেৰমান আলী আহমেদক আজি দুদিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে কামৰূপ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে। উল্লেখ্য যে দিছপুৰ আৰক্ষীয়ে কালি সন্ধিয়া বিধায়ক আবাসৰ ই ব্লকৰ কোঠা নম্বৰ পাঁচৰ পৰা বিধায়ক আলীক *আঠ পৃষ্ঠাত চাওক*



ছদিনত পেট্ৰ'লত ১.০২- ডিজেলত ১.০৭ টকা বৃদ্ধি

## ৰাজ্যত শীঘ্ৰে শতকৰ ঘৰ স্পৰ্শৰ দিশে পেট্ৰ'লৰ মূল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** অতি শীঘ্ৰে সমগ্ৰ দেশত প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলৰ ন্যূনতম মূল্য এশ টকাৰ হোৱাৰ সম্ভাৱনাই দেখা দিছে। ইতিমধ্যে দেশৰ কে'বাখনো ৰাজ্যত এই মূল্যই এশ টকাৰ সীমা অতিক্ৰম কৰিছে। যিকেইখন ৰাজ্যত এতিয়াও সেই মূল্যই শতকৰ সীমা স্পৰ্শ *আঠ পৃষ্ঠাত চাওক*

■ বিজেপিক প্ৰতিহত কৰাৰ বাবে এটা সমষ্টিত বিৰোধীৰ এক প্ৰাৰ্থী

থাওৰা-মৰিয়নিত বন্ধুত্বপূৰ্ণ যুঁজ হোৱাৰ সম্ভাৱনা কংগ্ৰেছ-ৰাইজৰ দলৰ

## উপ-নিৰ্বাচনত কংগ্ৰেছ-অসম জাতীয় পৰিষদৰ আনুষ্ঠানিক বুজাপৰা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** বিধানসভা নিৰ্বাচনত দূৰে দূৰে থাকিলেও উপ-নিৰ্বাচনত বুজাপৰাৰে প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্তত উপনীত হ'ল কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদ। আজি ইয়াত যৌথ এক সংবাদমেলত এই দুই দলৰ সভাপতিদ্বয়ে বিজেপিৰ বিৰুদ্ধে তেওঁলোকে এনেদৰে ঐক্যবদ্ধ ৰূপত যুঁজ দিব বুলি সদৰী কৰে। ইয়াৰ বিপৰীতে ৰাইজৰ দলে *আঠ পৃষ্ঠাত চাওক*



## ৰাজ্যক পুনৰ জোঁকাৰি গ'ল ভূমিকম্পই

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩ অক্টোবৰ ঃ** আজি পুনৰ এক মৃদু প্ৰাৱল্যৰ ভূমিকম্পই জোঁকাৰি গ'ল সমগ্ৰ ৰাজ্যক। বিয়লি প্ৰায় ২-৪০ বজাত তেজপুৰত ৩.৮ প্ৰাৱল্যৰ জোকাৰণি অনুভূত হয়। লগে লগে আতংকগ্ৰস্ত হৈ পৰে তেজপুৰবাসী। ৰাজ্যৰ অন্যান্য স্থানৰ লোকেও এই জোকাৰণি *দুই পৃষ্ঠাত চাওক*

## ৰাজ্যত নতুন ৰাজনৈতিক দলৰ আত্মপ্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ৩ অক্টোবৰ ঃ** বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যত জন্ম লৈছিল একাধিক নতুন ৰাজনৈতিক দলে। এইবাৰ উপ-নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত ৰাজ্যত ভুমুকি মাৰিলে আন এটা নতুন আঞ্চলিক দলে। আজি ৰঙিয়াত অনুষ্ঠিত এখন সভাতে এই নতুন দলটোৰ গঠন *আঠ পৃষ্ঠাত চাওক*

## গুৰুজনাৰ স্মৃতি বিজড়িত কোবাইকটা সত্ৰত দুই ফৈদৰ সংঘাত

**অগ্ৰদূত বাৰ্তা**

**বটদ্ৰৱা, ৩ অক্টোবৰ ঃ** গুৰুজনাৰ স্মৃতি বিজড়িত শ্ৰীশ্ৰী কোবাইকটা সত্ৰ বেদখলমুক্ত আৰু পুনৰুদ্ধাৰৰ দাবীত আজি বিশ্ব হিন্দু মহাসংঘই আয়োজন কৰা অৱস্থান ধৰ্মঘটত দুটা ফৈদৰ মাজত সংঘটিত হতাহতিৰ ঘটনাই উত্তেজনাৰ সৃষ্টি কৰিছে। নামঘৰৰ সন্মুখতে বিশ্ব হিন্দু মহাসংঘৰ অসম শাখাই এঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণৰ মাজতে *দুই পৃষ্ঠাত চাওক*

■ উচ্ছেদৰ পাছৰে পৰাই পৰিত্যক্ত পূব ধলপুৰ প্ৰাথমিক বিদ্যালয়

বৰ্তমান আৰক্ষী-কৃষি প্ৰকল্পৰ কৰ্মচাৰীৰ আশ্ৰয়স্থলত পৰিণত বিদ্যালয়

## অথাই সাগৰত ধলপুৰৰ ১৭৫ গৰাকী ছাত্ৰ-ছাত্ৰী, ছয় শিক্ষকৰ ভৱিষ্যৎ

মধ্যাহ্ন ভোজনৰ চাউল আহিছে যদিও বিতৰণৰ বাবে নাই প্ৰৱেশ পথ



**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ৩ অক্টোবৰ ঃ** যি সময়ত অসম চৰকাৰে কৰ'না অতিমাৰীত স্তব্ধপ্ৰায় ৰাজ্যৰ বিদ্যালয়সমূহত পুনৰ পাঠদান আৰম্ভ কৰিবলৈ প্ৰস্তুতি চলাই আছে, সেই সময়তে ধলপুৰৰ ১৭৫ গৰাকী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ চৰম হতাশাত ভুগিছে উচ্ছেদিত অভিভাৱকসকল। যোৱা ২০ আৰু ২৩ ছেপ্টেম্বৰৰ দৰং জিলা প্ৰশাসন-আৰক্ষীয়ে উচ্ছেদ অভিযানৰ সময়ত বেদখলমুক্ত ভূমি ট্ৰেক্টৰেৰে চহাই দিয়াৰ ফলত পূব ধলপুৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত প্ৰৱেশৰ বাবে শিক্ষকসকলেও কোনো বাট বিচাৰি পোৱা নাই। ফলত উচ্ছেদিত ছাত্ৰ-ছাত্ৰীসকল *দুই পৃষ্ঠাত চাওক*

## গোসাঁইগাঁও-তামুলপুৰৰ উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ঘোষণা ইউপিপিএলৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ/তামুলপুৰ, ৩ অক্টোবৰ ঃ** আগন্তুক উপ-নিৰ্বাচনত দুটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব শাসকীয় মিত্ৰজোঁটৰ অংশীদাৰ ইউপিপিএলে। গোসাঁইগাঁও আৰু তামুলপুৰ সমষ্টিৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো নেতৃত্বাধীন দলৰ প্ৰাৰ্থীৰ নাম আজি কোকৰাঝাৰত ঘোষণা কৰা হয়। গোসাঁইগাঁৱত এবছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা প্ৰাক্তন এমচিএলএ জিৰন নাৰ্জাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। সেইদৰে তামুলপুৰ সমষ্টিৰ দলীয় প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰা হৈছে এবছুৰ প্ৰাক্তন নেতা *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৪° |
| ডিব্ৰুগড় | ৩০° | ২৪° |
| দিল্লী | ৩৩° | ২৪° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৩° | ২৬° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২৩° | ১৭° |

*৩ অক্টোবৰ, ২০২১*

■ পুনৰ ড্ৰাগছ কাণ্ডই জোঁকাৰিলে বলিউদক ■ আটক কৰাৰ ১৬ ঘণ্টাৰ পাছত স্বীকাৰ কৰিলে ড্ৰাগছ সেৱনৰ কথা

## প্ৰমোদতৰীত ড্ৰাগছৰ পাৰ্টিত অংশ লৈ গ্ৰেপ্তাৰ শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান





■ কিং খানৰ পুত্ৰৰ অনুতাপ, মই ভুল কৰিছো ■ পুত্ৰক বিপদৰ পৰা উদ্ধাৰৰ বাবে উদ্বাউল শ্বাহৰুখ-গৌৰী ■ এক লাখ টকাৰ প্ৰৱেশ মূল্য নোহোৱাকৈ বিলাসী নৌকাত উঠিছিল 'ভিভিআইপি' ■ জালত পৰিল এনচিবিৰ

■ নিউজ ব্যুৰ'

**মুম্বাই, ৩ অক্টোবৰ ঃ** পুনৰ ড্ৰাগছ-কাণ্ডই জোঁকাৰিলে বলিউদক। এইবাৰ এই ঘটনাত জড়িত হৈ গ্ৰেপ্তাৰ হ'ল স্বয়ং বলিউদৰ বাদশ্বাহ শ্বাহৰুখ খানৰ পুত্ৰ। যোৱা নিশা মুম্বাইৰ পৰা গোৱালৈ ৰাওনা হোৱা এখন প্ৰমোদতৰীৰ পৰা নাৰ্ক'টিক্স কন্ট্ৰোল ব্যুৰ' (এনচিবি)ৰ এটা দলে শ্বাহৰুখৰ পুত্ৰ আৰিয়ান খানক আটক কৰে। প্ৰায় ১৬ ঘণ্টাৰ জেৰাৰ অন্তত আৰিয়ানে ড্ৰাগছ সেৱনৰ কথা স্বীকাৰ কৰাৰ পাছতে তেওঁক এনচিবিয়ে গ্ৰেপ্তাৰ কৰে। এই ঘটনাই সম্প্ৰতি বলিউদত পুনৰ তোলপাৰ লগাইছে। পুত্ৰক আটক *আঠ পৃষ্ঠাত চাওক*



চৰকাৰৰ নীৰৱতাক গৰিহণা বিভিন্ন মহলৰ

## গান্ধী জয়ন্তীৰ দিনাই ছ'চিয়েল মিডিয়াত চলিল নাথুৰাম গডছে জিন্দাবাদ



*লক্ষাধিক বেলুনেৰে সজোৱা গান্ধী মূৰ্তি, তিৰুৱনন্তপুৰমত শনিবাৰে।*

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৩ অক্টোবৰ ঃ** কালি গান্ধী জয়ন্তীৰ দিনাই ছ'চিয়েল মিডিয়াত ট্ৰেণ্ডিং হ'ল 'নাথুৰাম গডছে জিন্দাবাদ'। কালি গান্ধী জয়ন্তীৰ পুৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজঘাটত বাপুজীৰ স্মাৰকত শ্ৰদ্ধা জনাবলৈ উপস্থিত হয়। তাৰ পাছত তেওঁ টুইটাৰত লিখে, 'পূজনীয় বাপুৰ জীৱন আৰু আদৰ্শই দেশৰ সকলো প্ৰজন্মক কৰ্তব্যৰ পথত চলিবলৈ অনুপ্ৰাণিত কৰে।' ইয়াৰ বিপৰীতে কালি *আঠ পৃষ্ঠাত চাওক*

## চেঙা তেল



*ৰাজনীতিও এটা খেল! সেই বাবে মেছি-ৰোণাল্ড'ৰ দৰে ময়ো দল সলনি কৰি আছো!*

কোকৰাঝাৰত দুজন যুৱকক হত্যাৰ তদন্ত

## পানেছৰক গ্ৰেপ্তাৰ নকৰাত আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ পৰিষদৰ ক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৩ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাৰ উল্টাপানীত দুজন যুৱকক *দুই পৃষ্ঠাত চাওক*

■ আই এ এছ-আই আই টিৰ পৰীক্ষাত সফল হ'বলৈ শিক্ষাৰ্থীৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টা

## দিনে-নিশাই পাঠদান ছাচাৰাম ৰেল ষ্টেচনত

গাঁৱত বিদ্যুৎ যোগানৰ অভাৱত দূৰ-দূৰণিৰ পৰা খোজকাঢ়ি উপস্থিত হয় ষ্টেচনৰ বিদ্যুতৰ পোহৰত অধ্যয়ন কৰিবলৈ

■ নিউজ ব্যুৰ'

**পাটনা, ৩ অক্টোবৰ ঃ** হয়, ঘটনাটো ঠিক ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱনৰ দৰেই। অৱশ্যে ৰাজপথৰ বিজুলী বাতিৰ খুঁটাৰ তলত অকলে নহয়, মাজনিশালৈকে পঢ়া-শুনা কৰিছে অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে। এইসকল ৰাজপথত শিক্ষাগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে শেহতীয়াভাৱে চৰ্চালৈ আহিছে বিহাৰৰ এটা ৰেল ষ্টেচন। ৰেল ষ্টেচনৰ চৌহদৰ চাৰিওফালে উজ্জ্বল বিজুলী বাতি। এই বিজুলী বাতিৰ পোহৰতে ৰাজপথত বহি অধ্যয়নত ব্যস্ত অগণন শিক্ষাৰ্থী। ইজনে-সিজনৰ স'তে কৰিছে নোটছৰ বিনিময়ো। আনকি তেওঁলোকক শিক্ষাদান কৰিবলৈ আছে এদল দক্ষ শিক্ষকো। অৱশ্যে বিদ্যাসাগৰৰ দৰে এইসকল ছাত্ৰ-ছাত্ৰীয়েও *আঠ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

# সাহিত্য আৰু জীৱন



## এখন ক'ভিড কালৰ উপন্যাস বতাহৰ ছবি

ড° আনন্দ বৰমুদৈ

**কৰ'না** ভাইৰাছে গোটেই পৃথিৱীতে সৃষ্টি কৰা সন্ত্ৰাস আৰু তাণ্ডৱৰ ছবি অসমীয়া সাহিত্যতো প্ৰতিফলিত হৈছে। ইতিমধ্যে ক'ভিড কালৰ কবিতা আৰু গল্পৰ সংকলন প্ৰকাশ পাইছে। উপন্যাসো প্ৰকাশ পাইছে আৰু প্ৰকাশ পোৱা এখন উল্লেখযোগ্য উপন্যাস ৰুদ্ৰানী শৰ্মাৰ **'বতাহৰ ছবি'** (জাগৰণ সাহিত্য প্ৰকাশ, ২০২১)। ক'ভিড-১৯ নো কি সেই বিষয়ে বিজ্ঞানীসকলে কোৱা আৰু গণমাধ্যমে প্ৰচাৰ কৰা তথ্যৰ ওপৰতে ঔপন্যাসিকাই নিৰ্ভৰ কৰিছে, কিন্তু উপন্যাসখনৰ কাহিনীত কৰ'না ভাইৰাছে সমাজ জীৱনৰ ওপৰত পেলোৱা অভিঘাত আৰু মানৱীয় সম্পৰ্কলৈ অনা পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। অতিমাৰীৰ বতাহজাকে যিবোৰ সাধাৰণ মানুহক ৰাতিটোৰ ভিতৰতে নিবনুৱা কৰিলে আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত কাম কৰি থকা অসমীয়া মানুহৰ নিজৰ ৰাজ্যলৈ ঘূৰি আহোতে হোৱা বিলাই-বিপত্তি, দুৰ্যোগ, মৃত্যু আদিক কাহিনীৰ কেন্দ্ৰত ৰখা হৈছে। জনজীৱনলৈ আকাশলংঘা দুৰ্যোগ কঢ়িয়াই আনিছে কৰ'না অতিমাৰীয়ে আৰু স্বাভাৱিকতে উপন্যাসত বিবৃত ঘটনা প্ৰবাহৰ আচল নায়ক কৰ'না। উপন্যাসৰ চৰিত্ৰবোৰৰ মাজৰ পৰা কোনোবাই ঘটনা প্ৰবাহৰ গতি নিয়ন্ত্ৰণ কৰিব বুলি আশা কৰিবও নোৱাৰি আৰু কৰাও নাই। কৰ'নাই সৃষ্টি কৰা দুৰ্যোগ আৰু সমস্যাৰ বিভিন্ন দিশক কাহিনীত আগচোতাললৈ অনা হৈছে। সমস্যাবোৰৰ ভিতৰত কৰ্মহীন হৈ পৰা সাধাৰণ মানুহবোৰ আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ আৰ্থিক দুৰ্দশাই আটাইতকৈ ভয়ংকৰ ৰূপ লৈছে। অনুসন্ধান, নিৰীক্ষণ আৰু অধ্যয়নৰ সহায়ত ঔপন্যাসিকে অৰ্থনৈতিক সমস্যাই সৃষ্টি কৰা মানৱীয় সমস্যাবোৰ পৰীক্ষা কৰিছে। দুৰ্যোগৰ মাজতো এচাম মধ্যবিত্ত মানুহৰ সুবিধাবাদী চৰিত্ৰক সমালোচনা কৰাও হৈছে। তলাবন্ধ, গৃহবন্দিত্ব, সামাজিক দূৰত্ব ৰক্ষাৰ লগতে মানৱীয় সম্পৰ্কৰ ওপৰত ম'বাইল ফোনৰ দ্ৰুতগতিত বাঢ়ি অহা প্ৰভাৱৰ কথাও গুৰুত্ব সহকাৰে আলোচনা কৰা হৈছে। ঔপন্যাসখনৰ শেষ অধ্যায়টো কাহিনীৰ সাৰাংশৰ সাৰাংশ। এই অধ্যায়ত মানুহৰ পৰিৱেশ আৰু প্ৰকৃতিৰ প্ৰতি সজাগতাৰ ওপৰত গুৰুত্ব দি মানুহকেন্দ্ৰিক চিন্তাৰ সমালোচনা কৰা হৈছে ঃ 'অকল মানুহৰ বাবে পৃথিৱী নহয়'। (পৃঃ১৪৯) যুগে যুগে মহামাৰীত মানুহ মৰিয়ে আছে। স্পেনিছ ফ্লুত প্ৰায় পাঁচ কোটি মানুহ মৰিছিল। কালৰ সোঁতত কৰ'না ভাইৰাছো ইতিহাস হ'ব।

উপন্যাসখনৰ কাহিনীক আপ্ত বাক্যই ধৰি ৰখা যুগৰ সঞ্চিত জ্ঞানৰ আধাৰত গঢ় এটা দিয়া হৈছে। তাকে কৰিবলৈ যাওঁতে সময়ত ঐতিহ্য-পৰম্পৰাৰ পৰা অহা মূল্যবোধৰ লগত কৰ'নাই পৰিবৰ্তন কৰা চিন্তা আৰু আচৰণৰ সংঘাত হৈছে। সপ্তম অধ্যায়ত থকা আপ্ত বাক্য দুটা এনে ধৰণৰ ঃ যেনে দেশ তেনে ভেশ। হাড়িত খাইতী, গৰু চোৰ— সেই ফালৰ পৰা পাভ যোৰ।' (পৃঃ৪২) ক'ভিডে, সৃষ্টি কৰা পৰিস্থিতিত কিছুমান মানুহে পৰিস্থিতিৰ লগত মিলি থাকিবৰ চেষ্টা কৰিছে আৰু দুষ্ট মানুহবোৰ ন্যস্তস্বাৰ্থ সিদ্ধিৰ বাবে ইটো সিটোৰ লগ লাগিছে। লেখিকাৰ নিজৰ ভাষায়ো সময়ত আপ্তবাক্যৰ শক্তি আৰু চুম্বকত্ব আয়ত্ত কৰিছে। কোৱাৰেণ্টাইন কেন্দ্ৰত প্ৰশাসনে ভবাতকৈ বহুত বেছি মানুহ আহি উপস্থিত হোৱা পৰিৱেশটোক আপ্তবাক্য সদৃশ বাক্যৰে বৰ্ণনা কৰা হৈছে ঃ 'পৰুৱাৰ মুখে মুখে চেনি গোট দিয়া জানো সম্ভৱ?.. ব্যৱস্থা যদি এশজনৰ মানুহ হৈছে এহেজাৰজনৰ। ... কাৰো দুখ কোনেও নুবুজে। (পৃঃ৫৭) স্বামীক ত্যাগ কৰি মাকৰ ঘৰলৈ গুচি অহা লতিকা নামৰ মানুহগৰাকী বৃদ্ধ পিতৃ-মাতৃৰ কাৰণে কণাৰ লাখুটি হৈছে। লেখিকাই লগতে বুদ্ধিদীপ্ততাৰে যোগ দিছে, 'অথচ লাখুটিৰ দুখ-যন্ত্ৰণা কোনেও বুজিবলৈ মন নকৰে।' (পৃঃ ৭৬) মানুহগৰাকীয়ে স্বামীগৃহত পাৰ কৰা দুখৰ দিনবোৰৰ বিষয়ে কোৱা হৈছে, 'যন্ত্ৰণাৰ কোনো স্মৃতি নাথাকে, মাথোঁ থাকে কোলাহল।' 'আপুনি বয়স হ'লে বুদ্ধি হৈব ভাল' বুলি শংকৰদেৱৰ দিনৰে পৰা প্ৰচলিত হৈ থকা আপ্তবাক্যটোক লেখিকাই অপ্ৰত্যাশিত কেকুৰি ঘূৰাই আনন্দদায়ক আৰু অৰ্থবহ কৰিছে। 'বয়স হ'লে মানুহ চাগে অবুজন হৈ যায়। (পৃঃ৭৭) অৰ্থৰ বিৰোধাভাসে লেখিকাৰ বাক্যক সময়ত শক্তিৰ যোগান ধৰে। আকাশ ফৰকাল, অথচ বতাহ ইমান গধুৰ।' 'কেতিয়াবা প্ৰচলিত আপ্তবাক্য একোটাক বিশেষ প্ৰসংগৰ কাৰণে কিছু সংশোধন কৰি ব্যৱহাৰ কৰা হৈছে। অভাবে স্বভাৱ নষ্ট কৰাৰ কথাটোকে সংশোধন কৰি এইদৰে কোৱা হৈছে। 'অভাৱে খুন্দিয়াই খুন্দিয়াই মানুহবোৰক পাছত অমানুহ কৰি তুলিব নেকি?' অনেক আপ্তবাক্য বা প্ৰবাদত ব্যৱহাৰিক জ্ঞান বা নীতি কথাহে থাকে। সিবিলাক চিৰন্তন সত্য নহয়। সেই বাবে ঔপন্যাসিকে কিছুমান নীতি বাক্যক কিছু সালসলনি কৰিছে আৰু যিবিলাক পূৰ্বৰ ৰূপতে প্ৰাসংগিক বুলি ভাবিছে সেইবিলাক মূল ৰূপতে ৰাখিছে।

কৰ'না কালৰ যিবোৰ মানুহৰ দুৰ্যোগক কাহিনীৰ কেন্দ্ৰত ৰখা হৈছে সেই মানুহবোৰ ঔপন্যাসিকৰ কল্পনাত জীৱন নদীৰ চাকনৈয়াত পৰা মানুহ। উপন্যাসৰ কাহিনীত এই চাকনৈয়া এটা সম্প্ৰসাৰিত ৰূপক হৈছে। পৰস্ত্ৰী মমতাজক যজ্ঞই সাহসেৰে নিজৰ কৰি লৈছে। কিন্তু কৰ'নাই সিহঁতৰ জীৱনলৈ দুৰ্যোগ আৰু অনিশ্চয়তালৈ আহিছে, 'যজ্ঞ আৰু মমতাজৰ কাহিনী' চাকনৈয়াত পৰা নল-খাগৰিৰ দৰে। এবাৰ তল এবাৰ ওপৰ।' (পৃঃ১১) চাকনৈয়াত নলখাগৰি ডুব যোৱাৰ দৰে দুৰ্যোগত মানুহৰ আশা আকাংক্ষাও ডুব গৈছে, 'বতৰৰ বতৰা হৈ অহা কথকতাই এই নল-খাগৰিবোৰ আনি আনি চাকনৈয়াত পেলাই দিয়ে। তাতে এবাৰ ওপৰলৈ উঠে এবাৰ তললৈ যায়। সকলো আশা, হেঁপাহ, পৰিকল্পনা ঘূৰি ঘূৰি আহি সেই চাকনৈয়াত ডুব যায়হি। (পৃঃ৩২) চাকনৈয়াই পকনীয়া আৰু কাহিনীত চাকনৈয়াক পকনীয়া বুলি উল্লেখ কৰা হৈছে। 'দালালৰ ছাঁ নপৰা চেচুকীয়া ঠাইবোৰত থকা তাইৰ নিচিনা মানুহবোৰক এনে আঁচনিয়ে ঢুকি পাবনে? নে আঁচনিৰ সুযোগ বিচাৰি পকনীয়াত পৰা মানুহৰ দৰে তাই কক্‌বকাই থাকিব?' (পৃঃ৩৬) চাকনৈয়াত পৰি কক্‌বকাই থকা মানুহবোৰ ইকূল-সিকূল নাপাই মাজপানীতে জাঁজিৰ দৰে ওপঙি থাকে, 'এই নিয়মে ককবকাই থকা মানুহবোৰক ইকূল সিকূল কোনোকুল পাব নোৱাৰাকৈ মাজৰ জাঁজিতে ওপঙাই ৰাখিলে।' (পৃঃ৪৫)

পানীয়ে নতুন জনমো দিয়ে আৰু ডুবায়ো মাৰে। পানীয়ে ডুবাই মৰাৰ ছবিখনক চাকনৈয়াৰ ৰূপকেৰে সম্প্ৰসাৰিত কৰাৰ উপৰি আন ধৰণেৰেও বিস্তৃতি প্ৰদান কৰা হৈছে। পোৱা চাকৰিটো কোনেনো এনড্ৰয়ড ফোন চলাব নোৱাৰাৰ অজুহাতত মাজপানীত পেলাই দি ৰং চাব। (পৃঃ৭৯) কৰ'নাৰ কাৰণে বিয়া পিছুৱাই গৈ শেষত সম্পৰ্কই ভাগি যোৱাৰ সম্ভাৱনা দেখি মীনাক্ষীয়ে হতাশাত আত্মহত্যা কৰিছে ঃ 'নিজে বিয়া ঠিক কৰিয়েই তাই ভুল কৰিছে। এতিয়া যদি ভুলৰ সেই চাকনৈয়াত তাই ডুব যায় তথাপি তেওঁলোকৰ ক'ব লগা নাই'। ডাঃ চাহিল আৰু আয়োনাৰ সম্পৰ্কক ভুল বুজাবুজিয়ে প্ৰভাৱিত কৰিব পৰা নাই কাৰণে কোৱা হৈছে। লাহে লাহে তাই বুজি উঠিছে। বুজি নুঠা হ'লে সাংসাৰিক জীৱনৰ সন্দেহ আৰু ঘৃণাৰ চাকনৈয়াত তাৰ জীৱন তল ওপৰ কৰি থাকিলহেঁতেন।' (পৃঃ১১৯)

উপন্যাসখনৰ শিৰোনামে ইংগিত কৰিছে যে কাহিনীত বতাহৰ ছবি এখন আছে। এই বতাহনো কি? বতাহৰ আভিধানিক অৰ্থৰ উপৰিও বতাহে কাহিনীত বিভিন্ন অৰ্থ কৰি আছে। কেইটামান উদাহৰণ দিয়া যাওক ঃ 'গোটেইখন ঘূৰি দুয়ো একো কাম যোগাৰ কৰিব নোৱাৰিলে, 'সুধিবলৈ গ'লেও মানুহবোৰে কলা মানুহৰ দৰে আচৰণ কৰে। যেন কথাবোৰ বতাহক কৈছে।' (পৃঃ৫৯) বতাহ ইয়াত প্ৰকৃতিৰ এটা উপাদান আৰু মানুহৰ আশা-আকাংক্ষাৰ প্ৰতি সম্পূৰ্ণ উদাসীন। আন এক প্ৰসংগত কিন্তু এই বতাহজাক অৰ্ণৱ আৰু শ্যামন্তৰ ঘৰলৈ উভতি আহোতে 'বগা বগলীৰ ডেউকাত উঠি বাহলৈ বুলি উভতি বলিছিল।' (পৃঃ৯৭) এই জাক বতাহে মানুহ আৰু বগলীজাকক সংগ দিব পাৰে। সোতৰ অধ্যায়ত লতিকা নামৰ মানুহজনীয়ে এটা ভয়ানক সপোন দেখি সাৰ পোৱাৰ পাছত কঁপি আছে। তাইৰ মনৰ অৱস্থাটোৰ বিষয়ে কোৱা হৈছে, 'নাকে মুখে সোমাই যোৱা ধোঁৱাবোৰৰ পৰা মুকলি বতাহ ল'ব পৰা অৱস্থা যেন তাই এতিয়াও পোৱা নাই।' (পৃঃ৯৯) মুকলি বতাহ ইয়াত জীৱন দায়িনী। মানুহক দুঃস্বপ্নৰ পৰা বতাহে উদ্ধাৰ কৰিব পাৰে। এঠাইত যন্ত্ৰণাত কাতৰ হৈ থকা নন্দিনীয়ে নিজকে প্ৰশ্ন কৰিছে।' 'উশাহ সলাব পৰাকৈ তাই অকণ বতাহ পাবনে?' (পৃঃ ১৪৮) ঔপন্যাসিকে কাহিনীৰ শেষত বতাহজাকক কাহিনীকাৰ বুলি উল্লেখ কৰি এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। 'বতাহজাকে কৈ যোৱা কাহিনীবোৰ পৃথিৱীৰ মানুহে বুজিবনে?' এইজাক বতাহে অনেক কাহিনী ক'লে। কৰ'না নিজেই এক বিধ্বংসী ধুমুহা বতাহ। এইজাক বতাহে মানুহক নিজৰ সীমাবদ্ধতা আৰু ক্ষুদ্ৰতাৰ কথা সোঁৱৰাই দিলে। কৰ'নাৰ বতাহ জাকৰ লগতে মানুহ আৰু মানুহৰ সম্পৰ্ক সলনি কৰিব পৰা আৰু অনেক মানুহৰ জীৱনক বিপন্ন কৰিব পৰা অৰ্থনৈতিক, ৰাজনৈতিক আৰু নৈতিক ধুমুহা বতাহেও সমাজ জীৱন বিধ্বস্ত কৰিছে। বতাহ নিজে যিহেতু দৃশ্যমান নহয়, আন বস্তু বা জীৱনৰ ওপৰত পৰা অভিঘাতৰ পৰাহে বতাহৰ উপস্থিতি সম্পৰ্কে আমি সজাগ হওঁ। ঔপন্যাসিকে সেইবাবে কৈছে, 'বতাহৰ ছবি কোনে আঁকিব পাৰে।' (পৃঃ১৫৪)

কাহিনীক স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি যাবলৈ দিয়াৰ মাজতে ঔপন্যাসিকে নাৰী দৃষ্টিকোণ এটা প্ৰকাশ কৰিছে। একাধিক নাৰী-পুৰুষ সম্পৰ্কত সাম্প্ৰতিক নাৰীবাদীৰ চিন্তা নহ'লেও মেৰী ৱলষ্টনক্ৰাফটে তেওঁৰ Vindications of the Rights of Woman গ্ৰন্থত নাৰীৰ অধিকাৰক নায্য প্ৰদান কৰি কোৱা কিছু কথা চকুত পৰে। মমতাজে অত্যাচাৰী স্বামীক ত্যাগ কৰি যজ্ঞৰ লগত গুচি আহোতে দুয়োজন যুক্তিৰ দ্বাৰাই পৰিচালিত হৈছে আৰু আৰ্থিক দুৰৱস্থা আৰু অনিশ্চয়তাৰ মাজতো ইজনে সিজনৰ ওপৰত আস্থা হেৰুওৱা নাই। হতাশ হৈ পৰা যজ্ঞক নাৰীগৰাকীয়ে আশাৰে উজ্জীৱিত কৰি ৰাখিছে। লতিকায়ো সাহসেৰে অত্যাচাৰী গিৰিয়েকক ত্যাগ কৰি নিজৰ উপাৰ্জনেৰে স্বাৱলম্বী হৈ সন্তান আৰু মাক-দেউতাকৰো যত্ন লৈছে।

এজাক ভোকাতুৰ, কৰ্মহীন, দৰিদ্ৰ মানুহৰ বৰ্ণনা দিওঁতে ঔপন্যাসিকে উল্লেখ কৰা কেতবোৰ উমৈহতীয়া শাৰীৰিক বিশিষ্টতা তাৎপৰ্যপূৰ্ণ ঃ গালৰ হনু, আধা পকা আধা কেঁচা দাড়ি, কোঁচখোৱা কপালৰ ৰেখা, শুকাই কৰ্কৰীয়া হোৱা ওঁঠ, ডিঙিৰ সিৰবোৰ আৰু ঘটিকা। ব্যক্তিগতভাৱে এই মানুহবোৰৰ বৰ্ণনা কৰিবলগীয়া একোৱেই নাই।

উপন্যাসখনৰ ভাষাই সময়ত কিদৰে কাব্যিক অৰ্থব্যঞ্জনা লাভ কৰিছে তাৰ এটা উদাহৰণ এনে ধৰণৰ। ---- Pied Beauty কবিতাৰ চিত্ৰকল্প এখনত মাটিত পৰি ফাটি যোৱা চেষ্ঠলাটৰ ছবি এখন আছে। বুকুখন দগমগাই জ্বলি থকা কয়লাৰ ৰঙৰ। কবীন ফুকনৰ এনেকৈয়ে দিন, এনেকৈয়ে ৰাতি সংকলনৰ এটা কবিতাত বনকেৰেলাৰ ৰঙা বুকু ফটাৰ ছবিখন আছে। অনুৰূপ ছবি এখন এই উপন্যাসখনতো আছে 'তিতা কাইক্‌ৰাল দিছিল। দম দম মুখ মেলি ৰঙা হৈ পৰি আছে। কুনি নেয়?' তিতা কেৰেলাৰ ৰঙা বুকু ফাটি পৰি থকাৰ ছবিখন কাব্যিক আৰু অপচয়ৰ ধাৰণাটোৰে কাৰুণ্যৰো উদ্ৰেক কৰে।

ঔপন্যাসিকৰ সূক্ষ্ম হাস্যৰসবোধে কাহিনীৰ পঠনীয়তা বৃদ্ধি কৰিছে। দুটামান উদাহৰণ এধেৰণৰ ঃ 'গৰখীয়া সেৰা পতাদি আৰু বিয়া এখন পাতিব পাৰিনে?' (পৃঃ৫৪) কৰ'নাই সৃষ্টি কৰা দুৰ্যোগৰ মাজত পাচলিৰ বৰ্ণনা এটা এনেকুৱা ঃ 'তিনিদিন জিকা আনিছে, তিনিও দিনেই জাল বন্ধা। কটাৰিৰে ৰেপিবই নোৱাৰি।' (পৃঃ৭২) কলেজত পঢ়া জীয়েক এজনীয়ে মাকক ভেঙুচালি কৰি কৈছে, 'তোমাৰ আৰু সব কথাতে হাইভল্টেজ মৰেলিটি' (পৃঃ ৮০)

'বতাহৰ ছবি' উপন্যাসখনত ক'ভিড কালৰ প্ৰায় সকলো উল্লেখযোগ্য ঘটনাক কাহিনীৰ মাজলৈ অনা হৈছে। কৰ'নাই সৃষ্টি কৰা দুৰ্যোগক কেন্দ্ৰ কৰি মানুহ আৰু মানুহৰ সম্পৰ্কৰ সম্ভাব্য সুদূৰ প্ৰসাৰী পৰিৱৰ্তনৰ কথাও আলোচনাৰ মাজলৈ অনা হৈছে। উপন্যাসখন কোনো চৰিত্ৰকেন্দ্ৰিক উপন্যাস নহয়। তথাপি মমতাজ, যজ্ঞ, লতিকা, ৰমু, অৰ্ণৱ, দীপালী, ডাঃ চাহিল, ৰমেন, নন্দিনী, ডেইজী, শশাংক, শান্তনু, বিক্ৰম, কেভিলিনা, মেহতাব, ৰাজেন, মীনাক্ষী, সপোন, বন্দনা, ৰাজদ্বীপ আদি চৰিত্ৰসমূহক কম ঠাইৰ ভিতৰতে এজনৰ পৰা আনজনক পৃথক কৰি চিহ্নিত কৰিব পাৰিছে। ক'ভিড কালৰ সমাজ জীৱনক ধৰি ৰখাৰ বাবে উপন্যাসখনৰ এটা স্থায়ী মূল্য থাকিব বুলি আশা কৰিব পাৰি।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*




## এইছ ই বে'ট্‌ছৰ দ্য ৱাটাৰফলত চিত্ৰিত হোৱা নাৰী জীৱনৰ অৱদমিত ভাৱ-আকাংক্ষাৰ আলেখ্য

### সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন





**অসমীয়াত** ইংৰাজী *ৱাটাৰফলৰ* আক্ষৰিক অৰ্থ হৈছে জলপ্ৰপাত। জলপ্ৰপাত শব্দটোৱে আমাৰ কৰ্ণেন্দ্ৰিয়ৰে গৈ মগজুত স্থায়ী ছাপ এৰেগৈ মানে আমাৰ মানসচক্ষুত জলপ্ৰপাতৰ জীৱন্ত ছবি ভাহি উঠে। কঠিন শৈলখণ্ড ভেদ কৰি প্ৰচণ্ড গতিৰে শুভ্ৰতাৰ ছিটিকনিৰে উচ্চ ভূমি বা শিলৰ তৰপ সেমেকাই বাধাহীনভাৱে নিম্নভূমিলৈ বা তললৈ নামি অহা স্বচ্ছ বাৰিধাৰাৰ জীৱন্ত ৰূপ আৰু সতেজতাই প্ৰত্যক্ষদৰ্শীৰ নয়ন সাৰ্থক কৰাৰ লগতে মনৰ অতল তলিত অপৰিসীম হেন্দোলনিৰ সৃষ্টি কৰে। এয়া হৈছে জলপ্ৰপাতৰ কথা। আলোচ্য গল্প 'দ্য ৱাটাৰফল'ত গল্পকাৰ হাৰ্বাৰ্ট আৰ্ণেষ্ট বে'ট্‌ছে জলপ্ৰপাতক প্ৰতীক হিচাপে গ্ৰহণ কৰি ধৰ্মযাজক ভঘানৰ কন্যা ৰ'জ ভঘানৰ মানসিক জগতখনৰ ভিতৰলৈ ভুমুকিয়াই চাইছে। ইংলণ্ডৰ মিডলেণ্ড অঞ্চল কেন্দ্ৰিক ইংৰাজ গ্ৰাম্য জীৱনৰ চিত্ৰ এইছ ই বে'ট্‌ছৰ গল্পৰ এক উল্লেখযোগ্য দিশ। এই বিশেষ গল্পটোতো গ্ৰাম্য জীৱনৰ সেই সতেজতা বিৰাজমান। পিছে কাহিনীভাগ আগবাঢ়ি যোৱাৰ লগে লগে ঋতু পৰিৱৰ্তনৰ যি সজীৱ চিত্ৰ গল্পকাৰৰ কাপত প্ৰাণ পাই উঠিছে সিয়ে আমাক অন্য এটা বিষয়ৰ প্ৰতি মনোযোগী কৰি তোলে। সেয়া হৈছে চৰিত্ৰৰ মনোদ্দশা বৰ্ণনত উপযুক্ত প্ৰাকৃতিক বা পাৰিপাৰ্শ্বিক পৰিৱেশ-পৰিস্থিতিৰ প্ৰয়োগ বা চিত্ৰণ।

শীতৰ শুভ্ৰতা আৰু স্থবিৰতাৰ লগত মৃত্যুক জড়িত কৰিব পাৰি। গল্পটোৰ কাহিনীভাগৰ আৰম্ভণিও শীতকালীন বিয়লি বেলা এটাৰ চিত্ৰণেৰে আৰম্ভ হৈছে। সেই বিশেষ অঞ্চলটোৰ গিৰ্জাঘৰৰ যাজক গৰাকী শয্যাগত। তেওঁৰ একমাত্ৰ কন্যা ৰ'জ ভঘামে বিয়লি বেলাৰ প্ৰচণ্ড শীতক নেওচি উদ্যানখনৰ সিটো মূৰত অৱস্থিত অট্টালিকাটোলৈ ঢাপলি মেলিছে। অট্টালিকাটোৰ গৰাকী মি. আব্ৰাহাম্‌ছ তেওঁলোকৰ অঞ্চলৰ গিৰ্জা ঘৰটোৰ পৃষ্ঠপোষক। তেওঁ ৰেভাৰেণ্ড এজেকিয়েল ভঘামৰ 'গৰাকী'। প্ৰচণ্ড শীতত বৰফৰ পাতল দলিচাই শুভ্ৰ আৰু শীতল কৰি ৰখা পথেৰে ৰ'জ আধা খোজ কাঢ়ি আধা দৌৰি আগবাঢ়িছিল। বুকুত এক অসহায় বেদনা। দেউতাকৰ অৱস্থা বেয়া। সোনকালে চিকিৎসকলৈ ফোন কৰিব লাগিব। সেই উদ্দেশ্যে সেই যুৱতী গৰাকী সেই নিৰ্দিষ্ট অট্টালিকাটোলৈ ধাৱমান হৈছিল।

যথা সময়ত ৰ'জ সেই অট্টালিকাটোত উপস্থিত হৈ লগুৱাজনক তালৈ অহাৰ প্ৰয়োজনৰ কথা কোৱাত লগুৱাজনে টেলিফোনটো থকা ঠাইলৈ তেওঁক যাবলৈ দিলে। ঘৰৰ গৃহস্থই বেয়া পাব বুলি ৰ'জে যিমান পাৰে নিজৰ মাতটো সিমান সৰু কৰি কথাখিনি ফোনত ক'লে। পিছে ফোনটোৰ সিটো মূৰৰ পৰা ৰ'জক তেওঁৰ কথাখিনি পুনৰ দোহাৰিবলৈ ক'লে। তেনেতে তাত মি. আব্ৰাহাম্‌ছ আহি উপস্থিত হ'ল। তেওঁ ৰ'জৰ হাতৰপৰা টেলিফোনৰ ৰিচিভাৰটো লৈ গল গলীয়া কণ্ঠেৰে কিছু উচ্চ স্বৰেৰে ৰ'জে সৰু সৰুকৈ কোৱা সেই কথা কেইষাৰ ডাঙৰকৈ ক'লে। তেওঁ উদাসীন, উত্তাপহীন কণ্ঠেৰে যাজক গৰাকীৰ স্বাস্থ্যৰ বুজ ল'লে। ৰ'জেই তেওঁৰ সেই উদাসীন উত্তাপহীন আচৰণ বৰ ভাল নাপালে। মনতে ভাবিলে- তেওঁতো যাজক এজেকিয়েলৰ নামটো সম্ভ্ৰমেৰে ল'ব পাৰিলেহেঁতেন। পিছে ৰ'জৰ মনৰ ভাব মনতে থাকিল। তেওঁ মি. আব্ৰাহাম্‌ক তেওঁৰ 'দায়িত্বশীল' মনোভাৱৰ বাবে কৃতজ্ঞতা জনাই গুচি গৈছিল। পিছে সিদিনাই তেওঁৰ পিতৃ ৰেভাৰেণ্ড এজেকিয়েল ভঘামে এই ধৰাৰ মায়া ত্যাগ কৰি অজান দেশলৈ গুচি গৈছিল।

দেউতাকৰ মৃত্যুৰ পিছত ৰ'জৰ ঘৰুৱা কাম-কাজ কিছুদিনলৈ বাঢ়িল। ঘৰটো শৃঙ্খলাবদ্ধ কৰি লিগিৰী গৰাকীক বিদায় দিয়ালৈকে ভালেখিনি কামৰ বোজা ৰ'জৰ মূৰৰ ওপৰত আছিল। সেইখিনি সমাধা কৰাৰ পিছত এদিন অট্টালিকাটোৰ গৰাকীজনে ৰ'জক তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ জনালে। যাজকৰ ছোৱালী হিচাপে ৰ'জহঁতৰ নিচিনা গাভৰুক সদায়েই আচাৰ-আচৰণ সংযত আৰু আশা-অনুভূতিসমূহক পাৰ্যমানে অৱদমিত কৰি ৰাখিবলৈ শিক্ষা দিয়া হৈছিল। আশা-অনুভূতিৰ লগত সাংসাৰিক ভোগ-বিলাস, কামনা-বাসনা প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত। যাজক সম্প্ৰদায়ৰ দৃষ্টিত এইবোৰ পাপ বা পাপৰ উৎস। ৰ'জহঁতৰ নিচিনা ছোৱালীবোৰক যাজক পিতৃয়ে ল'ৰালিৰে পৰা এনে শিক্ষা দি অহাৰ হেতুকে ৰ'জ ৰক্ত-মাংসযুক্ত এগৰাকী সক্ষম যুৱতী হোৱা সত্বেও তেওঁৰ বয়সৰ অন্যান্য সাধাৰণ যুৱতীৰ দৰে ৰ'জে স্বাভাৱিক জীৱন যাপন কৰিব পৰা নাছিল। মি. আব্ৰাহাম্‌চৰ নিমন্ত্ৰণ স্বীকাৰ কৰি ৰ'জ তেওঁৰ ঘৰলৈ গৈছিল। তাত তেওঁ ৰ'জক তেওঁৰ ফুলনি বাগিচাখন দেখুৱাইছিল। ক্ৰমশঃ তেওঁ ৰ'জৰ প্ৰতি অন্তৰংগতা প্ৰকাশ কৰিছিল। মি. আব্ৰাহাম্‌ছে পাঁচ বছৰৰ পূৰ্বে তেওঁৰ পত্নীক হেৰুৱাইছিল।

সৰুৰে পৰা পোষণ কৰি অহা মূল্যবোধ আৰু নৈতিকতাৰ চেতনাই ৰ'জক এক দোদুল্যমান পৰিস্থিতিত পেলাইছিল। কিন্তু মানুহজনৰ সেই উদাসীনতা আৰু ৰুক্ষতাৰ আঁৰত থকা মৰমিয়াল হৃদয়খনৰ সংবাদ চকামকাকৈ ৰ'জে নোপোৱাকৈ নাথাকিল। সময়ত তেওঁ ৰ'জক বিবাহৰ প্ৰস্তাৱ দিয়ে। ৰ'জে সেই প্ৰস্তাৱ গ্ৰহণ কৰিছিল। অৱশ্যে ৰ'জৰ বাবে সেই বিবাহ প্ৰেম বিবাহ নাছিল। তেওঁ প্ৰেম আৰু বিবাহ দুয়োটা পৃথকে পৃথকে চাইছিল। তেওঁৰ বাবে বিবাহ এটা দায়িত্বৰ পূৰ্ণতা প্ৰাপ্তি য'ত ব্যক্তিৰ ভৱিষ্যৎ জীৱন সুৰক্ষিত হয়। জীৱনৰ সেই সুৰক্ষা, নিৰাপদ স্থিতিৰ কথা বিচাৰ কৰিয়েই ৰ'জ আব্ৰাহাম্‌ছৰ লগত বিবাহৰ বন্ধনেৰে আবদ্ধ হৈছিল। তেওঁৰ বাবে ই এক বৈচিত্ৰ্যহীন বিয়া। দুয়ো পতি পত্নী হিচাপে দিন পাৰ কৰিবলৈ ধৰিলে।

আৰ্থিক স্থিতিৰ ফালৰ পৰাই হওক বা ভৱিষ্যৎ নিৰাপত্তাৰ ফালৰ পৰাই হওক, ৰ'জে মি. আব্ৰাহাম্‌ছৰ প্ৰস্তাৱ স্বীকাৰ কৰাটো এটা ভাল সিদ্ধান্ত আছিল। গিৰ্জা ঘৰৰ সুদৃশ্য নিয়ম-শৃংখলাৰ প্ৰাচীৰখনৰ মাজত বন্দী ৰ'জৰ বাবে বিবাহ কেৱল মাত্ৰ এক সামাজিক চুক্তি আছিল। প্ৰথমা পত্নীৰ বিয়োগৰ পিছত অকলশৰীয়া আব্ৰাহাম্‌ছৰ বাবে এগৰাকী লগৰীৰ প্ৰয়োজন আছিল যিগৰাকীয়ে তেওঁৰ ঘৰখনৰ তত্বাৱধান কৰাৰ লগতে তেওঁৰ সামাজিক জীৱনৰ বিভিন্ন কাম কাজত সহায়-সহযোগিতা প্ৰদান কৰিব পাৰে। গল্পটোত উল্লেখ থকা অনুসৰি আব্ৰাহাম্‌ছ তথাকথিত অভিজাত শ্ৰেণীত নপৰে। বৰঞ্চ তেওঁ যুদ্ধই সৃষ্টি কৰা 'ন-ধনী' শ্ৰেণীটোত অন্তৰ্ভুক্ত হ'ব। তেওঁ নিজেও তেওঁৰ অতীতৰ কাৰখানা শ্ৰমিক স্থিতিৰ বিষয়ে সচেতন। কেউ-কিছু নোহোৱা অনাথ যাজক কন্যা ৰ'জ তেওঁৰ বাবে সকলো ফালৰ পৰা উপযুক্ত জীৱন সংগিনী হ'ব বুলি তেওঁৰ ধাৰণা হৈছিল। জীৱনৰ অভিজ্ঞতা আৰু পৰম্পৰাবাদী সমাজৰ প্ৰতিনিধি হিচাপে ৰ'জৰ মাজত তেওঁ এগৰাকী আদৰ্শ গৃহিণীৰ ছবি দেখা পাইছিল। ৰ'জেও আদৰ্শ গৃহিণীৰ ভূমিকা পালন কৰি সন্তুষ্ট হৈছিল। স্বামীৰ পৰা মুহূৰ্ত উপভোগৰ আকাংক্ষা -- এইবিলাক ৰ'জৰ কল্পনাৰ অগোচৰ আছিল। মনৰ সেই কোমল আশা-অনুভূতিবোৰ ৰ'জে ইতিমধ্যে চেপি-খুন্দি নিজৰ দেহ-মনটোক শুষ্ক কৰি পেলাইছিল।

পিছে এটা বিশেষ ঘটনাই ৰ'জৰ মানসিক জগতখনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিছিল। আব্ৰাহাম্‌ছে যত্নেৰে প্ৰতিপালন কৰা ফুলৰ বাগিচাখন পানীৰে উপচি পৰাত তাৰ কাৰণ অনুসন্ধান কৰি ৰ'জে এইটো বুজিলে যে বাগিচাখনৰ ওচৰত থকা জুৰিটো বাম হৈ গৈছে। জুৰিটো দ'কৈ খন্দাই তাত এটা কৃত্ৰিম জলপ্ৰপাত নিৰ্মাণ কৰিলে বাগিচাখনলৈ অতিৰিক্ত পানীৰ সোঁত বোৱা বন্ধ হ'ব আৰু বাগিচাখনত থকা ফুলগছ আৰু অন্যান্য বন-বিৰিখ পুনৰ সজীৱ হৈ উঠিব। পত্নীৰ এই ব্যৱহাৰিক বুদ্ধিটো পতি অব্ৰাহাম্‌ছে শলাগিলে আৰু অনতি পলমে এগৰাকী অভিযন্তাক মাতি জলপ্ৰপাত নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ সিদ্ধান্ত ল'লে। কথামতে কাম আৰু মি. ফিলিপ্‌ছ নামৰ ৰঙীয়াল অভিযন্তা গৰাকীৰ আগমন ঘটিল। মি. ফিলিপ্‌ছৰ সহজ পোনপটীয়া আচাৰ-আচৰণে আব্ৰাহামছ দম্পতীক সন্তুষ্ট কৰিলে। বিশেষকৈ মি. আব্ৰাহম্‌ছে তেওঁৰ লগত এনে ভাৱে সৌহাৰ্দ্যপূৰ্ণভাৱে মিলি গৈছিল যে তেওঁৰ অনুৰোধ ৰক্ষা কৰি জলপ্ৰপাত নিৰ্মাণৰ কাম শেষ নোহোৱালৈকে অভিযন্তা গৰাকী তেওঁলোকৰ অতিথি হিচাপে থাকিল।

সেই সময়ছোৱাৰ ভিতৰত ৰ'জৰ লগত ফিলিপ্‌ছৰ যি দুআষাৰ কথা- বতৰাৰ আদান-প্ৰদান হৈছিল তাৰ মাজেদি বাস্তৱবাদী দূৰদৰ্শী ফিলিপ্‌ছে ৰ'জৰ মানসিক জগতখন ভালদৰে বুজি উঠিছিল। সকলোকে অতি সোনকালে আপোন কৰি ল'ব জনা ফিলিপ্‌ছে যেন ৰ'জকো 'মানসিক বন্ধন'ৰ পৰা মুক্ত হ'বলৈ পৰোক্ষভাৱে সকীয়াইছিল। এবাৰ দেওবাৰৰ দিনা ৰ'জ আৰু আব্ৰাহাম্‌ছ গিৰ্জাৰ পৰা ঘূৰি আহি দেখে যে ফিলিপ্‌ছে মাছ মাৰিবলৈ গৈ মাছ এটা ধৰি আনিছে। ৰ'জে কথাটো বৰ ভাল নাপালে। তাই যিটো পৰিৱেশত ডাঙৰ-দীঘল হৈ আহিছিল সেই পৰিৱেশৰ বিশ্বাস মতে দেওবাৰটো পবিত্ৰ চাবাথৰ দিন। সেইদিনা মানুহে জিৰণি লয় আৰু ঈশ্বৰক স্মৰণ কৰি দিনটো অতিবাহিত কৰিব লাগে। ৰ'জে মি. ফিলিপ্‌ছক সেইদিনা চাবাথৰ দিন বুলি কথাটো ক'বলৈহে পালে সিপিনৰ পৰা প্ৰত্যুত্তৰ আহিল --"আজি যে পবিত্ৰ চাবাথৰ দিন সেই কথা মাছবোৰে নাজানে নহয়।"

তেওঁৰ সেই হাস্যৰসপূৰ্ণ বুদ্ধিনিষ্ঠ উত্তৰ শুনি মি. আব্ৰাহাম্‌ছ পৰম আমোদিত হৈছিল। পিছে ৰ'জৰ কাণত কথাষাৰ হাতুৰিৰ কোবৰ নিচিনা আছিল। তেওঁ ভিতৰি ভিতৰি মি. ফিলিপ্‌ছৰ প্ৰতি ক্ষুণ্ণ হৈছিল যদিও বাহ্যিকভাৱে সেয়া প্ৰকাশ কৰা নাছিল। কিন্তু ক্ৰমশঃ মিছেছ আব্ৰাহাম্‌ছৰ তেওঁৰ প্ৰতি গহীন আচাৰ-আচৰণ প্ৰদৰ্শনে তেওঁক বুজাত অলপো পলম নকৰিলে যে কিবা কাৰণত ৰ'জ তেওঁৰ প্ৰতি ক্ষুণ্ণ হৈ আছে। ৰ'জ নিজৰ ব্যৱহাৰৰ বাবে অনুতপ্ত হৈছিল যদিও তেওঁ ফিলিপ্‌ছৰ ওচৰত ক্ষমা খুজিব নোৱাৰিলে। তেনেতে এদিন জলপ্ৰপাত নিৰ্মাণৰ কাম সমাপ্ত হ'ল। জলপ্ৰপাতটো আনুষ্ঠানিকভাৱে মুকলি কৰিবলৈ মি. ফিলিপছ্‌ আৰু মি. আব্ৰাহাম্‌ছে ৰ'জক আমন্ত্ৰণ জনালে। ৰ'জে সেই কামটো কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা নাছিল যদিও দুয়োগৰাকী ভদ্ৰলোকে জোৰ কৰাত আৰু মি. ফিলিপ্‌ছে আগবাঢ়ি গৈ জলপ্ৰপাতটো কাৰ্যক্ষম হ'বলৈ কোনডাল লিভাৰক স্পৰ্শ কৰিব লাগে তাক যেতিয়া দেখুৱাই দিলে, তেতিয়াহে ৰ'জে কামটো কৰিলে।

প্ৰচণ্ড গতিৰে জলপ্ৰপাতৰ বাৰি ধাৰা নামি আহিবলৈ ধৰিলে। সেই দৃশ্যটোৱে ৰ'জৰ অন্তৰ্মনৰ ক'ৰবাত প্ৰচণ্ড জোঁকাৰণি তুলিলে। ৰ'জৰ দুনয়নেদি দুধাৰ বাৰিধাৰা নামি আহিল। কিন্তু চকুলোৰ সেই ধাৰা যেন বন্ধ নহয়। ই অবিৰাম গতিত বৈ থাকিল। ৰ'জে জলপ্ৰপাতৰ শব্দ নুশুনিবলৈ বহুত নিলগলৈ গুচি গ'ল। ৰ'জৰ দেহ-মন কিহবাই মুচৰি পেলালে। জলপ্ৰপাতৰ পৰা বাৰিধাৰা নামি অহা শব্দ নুশুনা হ'ল যদিও তাৰ ধ্বনি-প্ৰতিধ্বনিয়ে ৰ'জ আব্ৰাহাম্‌ছৰ মনত স্থায়ী হৈ ৰ'ল—

"She began to hurry, trying to dry her tears as she did so, but fresh tears filled her eyes as fast as she wiped them away and the sound of the waterfall followed her persistently. She hurried on as though afraid of it and long after she could hear it no more the echo of it, like a remembered emotion thundered through her mind. The next morning Phillips went away."।

*(আগলৈ) ইমেইল- neevarani11@gmail.com*

## আহছানুল হুছেইনৰ তেল আৰু সুন্দৰীৰ দেশত এখন সুখপাঠ্য ভ্ৰমণ কাহিনী

দৰ্শনা বৰুৱা


**কিছুমান** লেখাই আমাক জ্ঞান দিয়ে। নতুনত্বৰ ফালে আগুৱাই নিয়ে। জ্ঞানৰ লগতে মনোৰঞ্জন দিবলৈ সক্ষম সাহিত্যই পাঠকৰ বুকুত ঘৰ পাতি বহে। ভ্ৰমণ কাহিনীও তেনে এক সাহিত্য। সাহিত্যৰ ৰসপূৰ্ণ পৰিসীমাতে থকা ভ্ৰমণ সাহিত্যক সকলো জ্ঞান অন্বেষী ব্যক্তিৰ বাবে জ্ঞানৰ আকৰ বুলি স্বীকৃতি দিব পাৰি। মানুহৰ ঠাই ফুৰিবলৈ যোৱাৰ হেঁপাহক সাৰ পানী যোগায় মনোগ্ৰাহীকৈ লিখা ভ্ৰমণ কাহিনীয়ে। অৱশ্যে সকলো ভ্ৰমণকাৰীয়েই যে ভ্ৰমণ সম্পৰ্কীয় কথাবোৰ লিখে বা আনক জনায় তেনে নহয়। ভ্ৰমণৰ অভিজ্ঞতাসমূহ সাহিত্যত তুলি ধৰাটো এগৰাকী অনুভৱী লেখকৰ বাবেহে হয়তো সম্ভৱ। আধুনিক যুগৰ অসমীয়া ভ্ৰমণ সাহিত্যৰ পূৰ্বে মধ্যযুগীয় ভ্ৰমণ সাহিত্যয়ো অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছিল। আধুনিক যুগৰ ভ্ৰমণ সাহিত্যক প্ৰাক্‌স্বাধীনতা কাল আৰু স্বাধীনোত্তৰ কালৰ বুলিও বিভাজন কৰিব পাৰি। বহুতে ভবাৰ দৰে ভ্ৰমণ কাহিনী মানেই কেৱল ব্যক্তিগত ৰচনা নহয়। সমাজ ব্যৱস্থাৰ লগতে আন কেতবোৰ দিশত লেখকৰ তীব্ৰ দৃষ্টি আৰু পৰিৱেশ পৰিস্থিতিৰ যথাযথ বিশ্লেষণ গভীৰ অন্তৰ্দৃষ্টিৰে কৰিব জানিলেহে এখন ভ্ৰমণ বিষয়ক ৰচনাৰ প্ৰকৃত গুৰুত্ব অনুধাৱন কৰিব পাৰি।

ব্যক্তিগতভাৱে এগৰাকী উচ্চপদস্থ তৈলখনন বিষয়া আহছানুল হুছেইন কৰ্মসূত্ৰে বিভিন্ন দেশলৈ যাবলগীয়া হৈছিল। দক্ষিণ আমেৰিকাৰ ভেনিজুৱেলাত তেওঁ থাকি অহা তিনি বছৰৰ অভিজ্ঞতাৰে লিখা গ্ৰন্থ 'তেল আৰু সুন্দৰীৰ দেশত' এখন পঢ়ি ভাল লগা কিতাপ। আধুনিক যুগৰ অসমীয়া ভ্ৰমণ সাহিত্যৰ এই গ্ৰন্থখন প্ৰকাশ কৰিছে জে জি বুক্‌ছে। এগৰাকী অভিযন্তা হিচাপে কৰ্মদক্ষতাৰ পৰিচয় দিয়া হুছেইনৰ এই গ্ৰন্থখনে পাঠকৰ মনত মনোৰঞ্জনৰ লগতে কিছুমান চিন্তাৰ বুৰবুৰণি তুলিবলৈ সক্ষম হৈছে। কিয়নো তেওঁ গ্ৰন্থখনত ভেনিজুৱেলাৰ ভূগোল, বুৰঞ্জী, যাতায়াত, প্ৰব্ৰজনৰ অতীত, শাসন ব্যৱস্থাৰ আভাস, আন্তঃগাঁথনি, জনজীৱনৰ নানান সৰু বৰ কথা খাদ্যাভ্যাস, বেশভূষা, বাসস্থান, ক্ৰীড়া-সংস্কৃতি আদিৰ কথা উল্লেখ কৰাৰ লগতে তাক মানুহবোৰৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ মাজতো সোমাই পৰি কিছুমান অভিজ্ঞতাৰ সমল গোটাইছে। ভেনিজুৱেলাৰ সমাজ ব্যৱস্থা আৰু নাগৰিকৰ জীৱনশৈলীক খুবেই সুন্দৰকৈ বৰ্ণনা কৰিছে। লেখকৰ নিজৰ ভাষাত 'দেশ ভ্ৰমণে' অভিজ্ঞতাৰ পৰিধি বহল কৰে। লেখকে 'তেল আৰু সুন্দৰীৰ দেশত' কিতাপখনত নিজৰ ভ্ৰমণ অভিজ্ঞতাৰ লগতে বিদেশলৈ গ'লে প্ৰয়োজনীয় কিছুমান তথ্যও পাঠকক দিয়াৰ চেষ্টা কৰিছে। বিদেশী ভাষা শিকাৰ কৌশল আৰু সা-সুবিধাৰ কথাও গ্ৰন্থখনত উল্লেখ কৰিছে।

বলিভিয়ান ৰিপাব্লিক অৱ ভেনিজুৱেলা নামৰ দেশখন এক অন্যতম তেল উৎপাদনকাৰী দেশ হিচাপে বিশ্ববিখ্যাত। ইয়াতে আছে পৃথিৱীৰ বৃহত্তম প্ৰমাণিত তৈলভাণ্ডাৰ। লগতে পৃথিৱীৰ বিখ্যাত চাৰিখন সৌন্দৰ্য প্ৰতিযোগিতাত ভেনিজুৱেলাই এতিয়ালৈকে সৰ্বাধিক মুকুট লাভেৰে শীৰ্ষস্থানত আছে। ভেনিজুৱেলাতে আছে বিশ্বৰ আটাইতকৈ ওখ জলপ্ৰপাত। খনিজ তেলৰ লগতে আন প্ৰাকৃতিক সম্পদ, পৰ্যটন আদিৰে নিজকে সজাই ৰখা ভেনিজুৱেলাত লেখকে স্বঅভিজ্ঞতা লব্ধ জ্ঞানেৰে বহু কথাই জানিছে, বুজিছে আৰু পাঠকৰ বাবে সহজে বোধগম্য হোৱাকৈ লিখিছে। বৰ্তমান দেশখনৰ সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক অৱস্থাই সাধাৰণ জনতাক জোলোকা-জোলোকে পানী খুৱাইছে। সামৰ্থ্যবান কিছু নাগৰিক আন দেশলৈ গুচি গৈছে। তথাপি ভেনিজুৱেলা দেশখনৰ নাগৰিকসকল পুনৰ সুদিন ঘূৰি অহাক লৈ আশাবাদী।

গ্ৰন্থখনত কে'বাখনো ৰঙীন আলোকচিত্ৰ সন্নিবিষ্ট হৈছে যিকেইখন চাই পাঠকে বহু কথাই অনুধাৱন কৰিবলৈ সক্ষম হ'ব। লেখকৰ কথনশৈলী, পৰিস্থিতিৰ বিশ্লেষণ ক্ষমতা, ৰসালকৈ কাহিনী এটা লিখিব পৰাৰ দক্ষতাৰ কাৰণে কিতাপখন পঢ়ি ভাল লাগিল। সাহিত্যৰ লগতে ভাষা আৰু শব্দৰ ৰস বিচাৰ, বিদেশী শব্দৰ উৎসৰ সন্ধান, নিজা মাতৃভাষা অসমীয়াৰ লগত তাৰ তুলনামূলক অধ্যয়ন কৰোতে লেখকে গুৰুত্ব দিয়া পৰিলক্ষিত হ'ল। এই বৰ্ষতে প্ৰকাশ পোৱা গ্ৰন্থখনত উল্লেখ কৰিবলগীয়াকৈ কোনো খুঁত চকুত নপৰিল।


*ফোন ঃ ৭০৮৬৫২১৩০৭*




## সংবাদ-দুঃসংবাদ

মিনু পাটগিৰি

সদায়ে অহা-যোৱা কৰাৰ দৰে
সেইদিনাও সেই একেটা বাটেৰে
মোৰ পদাৰোহণ...
ৰিব্‌ৰিবাই বতাহ এছাটিয়ে মূৰৰ চুলিবোৰ
আউল-বাউল কৰি আমনি কৰিছিল..।
অলিৰ চুম্বনত দুগালৰ মুকুতামণি
সৰি পৰিছিল...।
ঠিক তেনে এটা গধূলি বেলাত
তেওঁৰ স'তে মুখামুখি বাটৰ মাজত ...
দুয়ো থমকি ৰৈছিলো চিনাকি অচিনাকি ভাবত
সন্দেহৰ জাল ফালি দুয়ো ব্যৱধান ৰাখি থিয় হৈছিলো।
তথাপি ক্ষীণ হাঁহি এটা মাৰি সুধিলো...
কুৰি বছৰৰো আগতে লগ পোৱা তুমি?
গাঁৱৰ বোকা পানী গচকি, আম-জাম বুটলি...
ধূলিয়ৰী বাটেৰে পখিলা খেদি ফুৰা
সেই যে আমাৰ অতীত...!
বাক্য শেষ নৌহওঁতে মূৰটো দোৱাই
মুখৰ পৰা কাপোৰখন আঁতৰাই ক'লে,
হয়, পিছে সৰাপাত সাৰি চোতাল শুৱনি কৰা ৰঞ্জনা
ওচৰ চাপি নাহিবা, দূৰতে থাকা..
সময় পালে, বতৰ ফৰকাল হ'লে..
দুয়ো অতীতৰ সপোনবোৰ বিচাৰি যাম...।
এতিয়া দিন বেয়া...
যেনেকৈ আছা তেনেকৈ থাকা
বুলি হিচাপত শব্দকেইটা ব্যৱহাৰ কৰি
আঁতৰি গ'ল..
উভতি চালো বতৰটো ধূসৰ হৈ আছে।



## জীৱন পৃষ্ঠাত

পৰিস্মিতা শইকীয়া

প্ৰেমৰ অনুভূতি
প্ৰথম চিনাকিতে হৃদয়ত ফুলিছিল
দুচকুত হেঁপাহৰ সৃষ্টি
হৃদয়ত সুখানুভূতিৰ কঁপনি
শব্দবোৰত আহিছিল প্ৰেমৰ জোৱাৰ
এটা মিঠা অনুভৱ
এটা ভাল লগাৰ আৰম্ভণি!
মাজৰাতি সপোনত দেখিছিলো
তোমাৰ সেই মুখখনি...
মই নজনাকৈয়ে মোৰ বুকুত
তোমাক পোৱাৰ বাসনা জাগিছে
ফলিয়াবনে মোৰ আশাৰ সপোন!





## ছয় নহয়, ১৭ অক্টোবৰত অনুষ্ঠিত হ'ব ইউ জি চি-নেট ২০২১ পৰীক্ষা

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ অক্টোবৰ ঃ** নেচনেল টেষ্টিং এজেন্সী (এন টি এ)-এ ইউ জি চি-নেট ২০২১ পৰীক্ষাৰ নতুন দিন ঘোষণা কৰিলে। এই পৰীক্ষাত অহা ছয় অক্টোবৰত অনুষ্ঠিত নহয়। সংশোধিত সূচী অনুসৰি নেট পৰীক্ষা ছয় অক্টোবৰৰ পৰিৱৰ্তে ১৭ অক্টোবৰত অনুষ্ঠিত হ'ব। পূৰ্বে এই পৰীক্ষাৰ দিন ছয়ৰ পৰা আঠ অক্টোবৰ আৰু ১৭ৰ পৰা ১৯ অক্টোবৰ নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু সংশোধিত সূচী অনুসৰি, ১৭ অক্টোবৰৰ পৰা ২৫ অক্টোবৰলৈ নেট ২০২১ পৰীক্ষা দেশজুৰি অনুষ্ঠিত হ'ব।

## ফিলিপাইন্সৰ ৰাষ্ট্ৰপতিৰ চাঞ্চল্যকৰ ঘোষণা ঃ ৰাজনীতি ত্যাগৰ ল'লে সিদ্ধান্ত



**নিউজ ব্যুৰ', মনিলা, ৩ অক্টোবৰ ঃ** ফিলিপাইন্সৰ ৰাষ্ট্ৰপতি ৰ'ড্ৰিগ' ডুটেৰ্টে ৰাজনীতিৰ পৰা সন্ন্যাস গ্ৰহণৰ কথা ঘোষণা কৰিলে। ২০২২ত ফিলিপাইন্সত অনুষ্ঠিত হ'ব লগা ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ডুটেৰ্টে অংশ নলয় বুলি চাঞ্চল্যকৰ ঘোষণা কৰে। ডুটেৰ্টে তেওঁৰ কন্যাক দেশৰ ক্ষমতা অৰ্পণৰ উদ্দেশ্যেৰে এই সিদ্ধান্ত লোৱা বুলি ধাৰণা কৰা হৈছে। ৰাজনীতিৰ পৰা সন্ন্যাস লোৱাৰ কথা ঘোষণা কৰি ডুটেৰ্টে কয়, 'মই সাংবিধানিকভাৱে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে যোগ্য নহয় আৰু যদিহে মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰো তেন্তে এয়া সংবিধান আৰু আইন উলংঘন হ'ব। মই উপ-ৰাষ্ট্ৰপতিৰ পদত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটোও সাংবিধানিক দৃষ্টিভংগীৰ পৰা উচিত নহ'ব। সেয়েহে মই ৰাজনীতিৰ পৰা সন্ন্যাস গ্ৰহণৰ কথা ঘোষণা কৰিলো।' উল্লেখ্য যে ২০১৬ত ডুটেৰ্টে ফিলিপাইন্সৰ ৰাষ্ট্ৰপতিৰ ক্ষমতা লাভ কৰিছিল।

## আফগান ভূমিত এইবাৰ বিদ্যালয়তো প্ৰৱেশ নিষিদ্ধ হ'ল মহিলাৰ



**নিউজ ব্যুৰ', কাবুল, ৩ অক্টোবৰ ঃ** অশিক্ষাৰ অন্ধকাৰে গ্ৰাস কৰিছে আফগানিস্তানত। ক্ষমতা লাভৰ পাছত মহিলাৰ অধিকাৰ ৰক্ষাৰ কথা কৈছিল তালিবানে। সেই সময়ত বহুতে ভাবিছিল যে তালিবানে হয়তো এইবাৰ নিজৰ কিছু সংস্কাৰ সাধন কৰিব। কিন্তু বাস্তৱত ইয়াৰ বিপৰীত দৃশ্য ক্ৰমে স্পষ্ট হ'বলৈ ধৰিছে আফগানিস্তানত। কাবুল বিশ্ববিদ্যালয়ত মহিলাৰ প্ৰৱেশ নিষিদ্ধৰ পাছত এইবাৰ তালিবানে দেশখনৰ বিদ্যালয়তো মহিলাৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিলে। তালিবানৰ শিক্ষা মন্ত্ৰণালয়ে এই বিবৃতিৰ জৰিয়তে নিৰ্দেশ জাৰি কৰি কয় যে ছাত্ৰৰ বিদ্যালয়ত শিক্ষয়িত্ৰী আৰু মহিলা কৰ্মচাৰীয়ে প্ৰৱেশ কৰিব নোৱাৰিব। আফগানিস্তানৰ জেহাদী চৰকাৰৰ এনে পদক্ষেপক কে'বা হেজাৰ মহিলা শিক্ষক-কৰ্মীৰ ভৱিষ্যৎ অনিশ্চিত হৈছে। এই সন্দৰ্ভত কাবুল গুলাম হাইদৰ খান হাইস্কুলত শিক্ষকতা কৰা আজিজাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, '৩৩ বছৰ ধৰি মই ৰসায়ন বিজ্ঞান পঢ়ুৱাই আহিছো। কিন্তু এতিয়া মোৰ ভৱিষ্যৎ অনিশ্চিত হ'ল।'



## ফ্ৰান্সৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ছাৰ্কোজীক অত্যধিক নিৰ্বাচনী ব্যয়ৰ অপৰাধত এবছৰৰ কাৰাদণ্ড

**নিউজ ব্যুৰ' পেৰিছ, ৩ অক্টোবৰ ঃ** নিৰ্বাচনত নিৰ্ধাৰিত পৰিমাণতকৈ অধিক ধন ব্যয় কৰাৰ অভিযোগত দোষী সাব্যস্ত হোৱা ফ্ৰান্সৰ প্ৰাক্তন ৰাষ্ট্ৰপতি নিকোলাছ ছাৰ্কোজীক আদালতে এবছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। আদালতে ছাৰ্কোজীক ২০১২ৰ নিৰ্বাচনত অত্যধিক ধন প্ৰচাৰত ব্যয় কৰাৰ অভিযোগত অলপতে দোষী সাব্যস্ত কৰিছিল। ছাৰ্কোজীয়ে নিৰ্ধাৰিত পৰিমাণতকৈ দুগুণ অধিক ধন নিজৰ প্ৰচাৰত ব্যয় কৰিছিল। অৱশ্যে আদালতে প্ৰাক্তন ৰাষ্ট্ৰপতিজনক ঘৰতে থাকি কাৰাদণ্ডৰ শাস্তি সম্পূৰ্ণ কৰাৰ অনুমতি দিয়ে।

### আশ্ৰয়-উপাৰ্জনহীন আফগান মহিলাই কন্যাৰ জীৱন ৰক্ষাৰ বাবে বিক্ৰী কৰিলে নৱজাতকক

## তালিবানৰ ডেৰমহীয়া শাসনত আফগানিস্তানত বৃদ্ধি পালে দাৰিদ্ৰ্য

**নিউজ ব্যুৰ' কাবুল, ৩ অক্টোবৰ ঃ** তালিবানৰ পুনৰ দখলৰ পাছত আফগানিস্তানৰ অৱস্থা প্ৰতিদিনে শোচনীয় হ'বলৈ ধৰিছে। জেহাদীৰ পুনৰ উত্থানৰ পাছত এতিয়া আফগানিস্তানত সৰহসংখ্যক নাগৰিকে দুবেলা দুমুঠি আহাৰৰ বাবে হাহাকাৰ কৰি লগা হৈছে। তালিবানৰ পুনৰ আগমনত সৰ্বাধিক সমস্যাৰ সন্মুখীন হৈছে আফগান মহিলাসকল। দেশখনৰ মহিলাসকলে চৰম দুৰ্দশাৰ মাজত সম্প্ৰতি জীৱন যাপন কৰিছে। তালিবানৰ শাসনত মহিলাৰ স্থিতি অধিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। পৰিস্থিতি ইমানে ভয়াৱহ হৈছে যে এগৰাকী সৰ্বহাৰা আফগান মহিলাই দাৰিদ্ৰ্যৰ ফলত নিজৰ কন্যা সন্তানৰ চিকিৎসা কৰাব নোৱাৰি উপায়হীন হৈ নিজৰে নৱজাত সন্তানক বিক্ৰী কৰিব লগা হ'ল। বগলান প্ৰদেশত আশ্ৰয়হীন হোৱা উক্ত মহিলাগৰাকীয়ে নিজৰ ডেৰ বছৰীয়া সন্তানক ৩০ হেজাৰ আফগান মুদ্ৰাত অলপতে বিক্ৰী কৰিছিল। মহিলাগৰাকীয়ে স্থানীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি তেওঁৰ ১৩ বছৰীয়া কন্যা সন্তানৰ চিকিৎসাৰ বাবে ধনৰ প্ৰয়োজন হৈছিল যদিও উপাৰ্জনৰ কোনো পথ নথকাত সেই ধন যোগাৰ কৰিবলৈ সফল হোৱা নাছিল। উপায়হীন হৈ মহিলাগৰাকীয়ে ৩০ হেজাৰ আফগান মুদ্ৰাৰ বিনিময়ত তেওঁৰ আন এটি ডেৰ বছৰীয়া সন্তানক আন ব্যক্তিৰ হাতত বিক্ৰী কৰি দিয়ে।



কাবুলত সম্প্ৰতি তম্বুৰ তলত বাস কৰা আশ্ৰয়হীনা লেলুমাই প্ৰকাশ কৰা অনুসৰি, কেৱল তেৰ্তেঁই নহয় সাম্প্ৰতিক পৰিস্থিতিত আফগানিস্তানত বহু দৰিদ্ৰ লোকে সন্তানক বিক্ৰী কৰিবলৈ বাধ্য হৈছে। কিয়নো তেওঁলোকৰ হাতত কোনো বিকল্প নাই। লেলুমাই লগতে কয় যে বিগত এবছৰ ধৰি তেওঁৰ স্বামী সন্ধানহীন হৈ আছে আৰু তালিবানে মহিলাৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞা আৰোপ কৰাৰ পাছত এতিয়া তেওঁ উপাৰ্জনৰ কোনো পথ উলিয়াব পৰা নাই। ইফালে, আশ্ৰয়হীন হোৱা বহু লোকে সম্প্ৰতি কাবুলত তম্বুৰ ঘৰ সাজি অস্থায়ীভাৱে আশ্ৰয় গ্ৰহণ কৰিছে। এইদৰে তম্বুত বাস কৰা বাসিন্দাসকলে স্থানীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, তেওঁলোকে আহাৰৰ অভাৱৰ লগতে বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। 'শৰণাৰ্থী মন্ত্ৰণালয়ৰ লোক ইয়ালৈ আহিছিল আৰু কিবা সমীক্ষা চলাইছিল। কিন্তু তেওঁলোকে এতিয়ালৈকে কোনো ধৰণৰ সাহায্য আগবঢ়োৱা নাই। যদি বৰ্তমানৰ স্থিতি বাহাল থাকে তেন্তে আমি অনাহাৰত মৰিব লাগিব।' সংবাদ মাধ্যমৰ আগত কাবুলত তম্বু সাজি বাস কৰা আন এগৰাকী আশ্ৰয়হীন মহিলা আয়েছাই এইদৰে কয়। আফগানিস্তানত আশ্ৰফ ঘানিৰ চৰকাৰৰ পতনৰ পাছত তালিবানে কাবুল দখল কৰাত আশ্ৰয়হীন হোৱা বৃহৎ সংখ্যক লোকে সম্প্ৰতি কাবুলত এইদৰে তম্বু সাজি বসবাস কৰিছে।



## ফ্ৰান্সৰ ধনাঢ্য ব্যৱসায়ী-প্ৰাক্তন ৰাজনীতিক বাৰ্ণাড টেপিৰ কৰ্কটত মৃত্যু

**নিউজ ব্যুৰ' পেৰিছ, ৩ অক্টোবৰ ঃ** ফ্ৰান্সৰ প্ৰতিষ্ঠিত ব্যৱসায়ী তথা প্ৰাক্তন ৰাজনীতিক বাৰ্ণাড টেপিৰ মৃত্যু হ'ল। ৭৮ বছৰীয়া টেপি বিগত চাৰি বছৰ ধৰি কৰ্কট ৰোগত আক্ৰান্ত আছিল আৰু অৱশেষত তেওঁ মৃত্যুৰ ওচৰত হাৰ মানিলে। পেৰিছত ব্যৱসায়িক জীৱন আৰম্ভ কৰি টেপিয়ে ফ্ৰান্সৰ অন্যতম এজন সফল ধনাঢ্য ব্যৱসায়ী হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সফল হৈছিল। ব্যৱসায়ী টেপিয়ে পৰৱৰ্তী সময়ত ৰাজনীতিত যোগদান কৰি ফ্ৰান্সৰ নগৰ পৰিক্ৰমা মন্ত্ৰীৰ দায়িত্ব লাভ কৰিছিল।

## সন্ত্ৰাস আক্ৰমণৰ আতংকৰ মাজতে জম্মুত পাকিস্তানী ড্ৰ'ন্‌ৰ অস্ত্ৰ নিক্ষেপ



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৩ অক্টোবৰ ঃ** কালি বিয়লি বেলা উত্তপ্ত হৈ উঠিছিল কাশ্মীৰ। এদিনতে তিনিটা পৃথক স্থানত জেহাদীয়ে আক্ৰমণ সংঘটিত কৰে। সন্ত্ৰাসবাদীৰ আক্ৰমণত এজন সাধাৰণ কাশ্মীৰী নাগৰিকৰ মৃত্যু হ'ল। সন্ত্ৰাসবাদীৰ গুলিত আন এজন ব্যক্তিয়েও আহত হ'ল। ইয়াৰ মাজতে কাশ্মীৰত আজি পুৱাতে নিৰাপত্তা বাহিনীয়ে উদ্ধাৰ কৰিলে পাকিস্তানী ড্ৰ'নে পেলাই থৈ যোৱা অস্ত্ৰ-শস্ত্ৰ। আৰক্ষীয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, আন্তৰ্জাতিক নিয়ন্ত্ৰণ ৰেখাৰ সমীপত এটা এ কে ৪৭ এছল্ট ৰাইফল, তিনিটা মেগজিন, ৩০ ৰাউণ্ড গুলি আৰু এটা টেলিস্ক'প উদ্ধাৰ কৰা হৈছিল। শনিবাৰে নিশা পাকিস্তানৰ পৰা এই অস্ত্ৰখিনি জম্মুত পেলোৱা বুলি সন্দেহ কৰা হৈছিল।

## হিমাচল প্ৰদেশৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে অভিনেত্ৰী কংগনাই

**নিউজ ব্যুৰ', ছিমলা, ৩ অক্টোবৰ ঃ** হিমাচল প্ৰদেশৰ মণ্ডিত অনুষ্ঠিত হ'ব লগা লোকসভাৰ উপ-নিৰ্বাচনত বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌটে প্ৰাৰ্থী হিচাপে থিয় দিব পাৰে। এই সমষ্টিৰ বিজেপিৰ সাংসদ ৰামস্বৰূপ শৰ্মাৰ যোৱা মাৰ্চত মৃত্যু হৈছিল। মণ্ডি লোকসভা সমষ্টিৰ লগতে বিধানসভাৰ আন তিনিটা সমষ্টিতো অহা ৩০ অক্টোবৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। বিজেপিৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি, দলৰ প্ৰাৰ্থী হিচাপে মণ্ডিত কংগনাই প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। কংগনাই মণ্ডি জিলাৰ ভাম্বলা গাঁৱত বাস কৰে আৰু মনালিত তেওঁ বাসগৃহ নিৰ্মাণ কৰিছে।



## ছুইজাৰলেণ্ডত ক'ভিড প্ৰতিষেধক ল'লে চিনেমা-ৰেস্তোৰাঁৰ টিকট উপহাৰ



**নিউজ ব্যুৰ', জুৰিখ, ৩ অক্টোবৰ ঃ** ছুইজাৰলেণ্ড চৰকাৰে কৰ'নাৰ প্ৰতিষেধক গ্ৰহণৰ বাবে দেশখনৰ নাগৰিকসকলক অনুপ্ৰাণিত কৰিবলৈ প্ৰতি ব্যক্তিক প্ৰায় চাৰি হেজাৰ টকাৰ সা-সামগ্ৰী উপহাৰৰ আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰা প্ৰতিজন ব্যক্তিক কুপন উপহাৰ দিব আৰু এই কুপন ব্যৱহাৰৰ জৰিয়তে উক্ত ব্যক্তিয়ে চিনেমা হলত চিনেমা উপভোগ আৰু ৰেস্তোৰাঁত আহাৰ বিনামূল্যে গ্ৰহণ কৰিব পাৰিব। ছুইজাৰলেণ্ডৰ ৮৭ লাখ জনসংখ্যাৰ মাত্ৰ ৫৮ শতাংশইহে বৰ্তমানলৈকে ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰিছে। টিকাকৰণৰ প্ৰতি দেশবাসীক আগ্ৰহী কৰিবলৈ ছুইজাৰলেণ্ড চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিলে। টিকাকৰণৰ বাবে ছুইজাৰলেণ্ড চৰকাৰে ১১শ কোটি টকা ব্যয় কৰিব। উল্লেখ্য যে ছুইজাৰলেণ্ডত এতিয়ালৈকে আঠ লাখ ৪১ হেজাৰ লোক কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি দেশখনৰ ১১ হেজাৰ লোকৰ ক'ভিডত বৰ্তমানলৈকে মৃত্যু হৈছে।

## আগ্ৰাসন প্ৰতিৰোধ কৰিবলৈ চীনক সকীয়নি দি লাডাখত 'বজ্ৰ' নিয়োগ ভাৰতৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ অক্টোবৰ ঃ** লাডাখ সীমান্তত চীনা সেনাবাহিনীৰ বৰ্ধিত আগ্ৰাসন প্ৰতিৰোধ কৰিবলৈ 'কে-৯ বজ্ৰ' নিয়োগ কৰিলে ভাৰতে। এইবাৰ পাহাৰীয়া অঞ্চলত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত থকা চীনা সেনাৰ ঘাটিসমূহক ভাৰতৰ এই অত্যাধুনিক আৰু বিধ্বংসী কামানৰ লক্ষ্যত থাকিব। সূত্ৰৰ খবৰ অনুসৰি, গালোৱান উপত্যকাৰ ৰক্তক্ষয়ী সংঘৰ্ষৰ



পাছতো পূব লাডাখত চীনা সেনাই আগ্ৰাসী কাৰ্যকলাপ অব্যাহত ৰাখিছে। ফলত চীনক সকীয়নি দিবলৈ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত ভাৰতে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে। কালি ভাৰতীয় সেনাৰ মুৰব্বী জেনেৰেল মনোজ মুকুন্দ নাৰাভানে কয় যে সীমান্তত এতিয়াৰে পৰা 'কে-৯ বজ্ৰ' কামানৰ এটি ৰেজিমেণ্ট নিয়োগ কৰা হৈছে। 'ৰাজস্থান আৰু পঞ্জাৱৰ সমতলত ব্যৱহাৰৰ বাবে তৈয়াৰ কৰা হৈছিল 'কে-৯ বজ্ৰ' কামান। কিন্তু লাডাখৰ পৰিস্থিতিৰ কথা বিবেচনা কৰি এই কামানসমূহ কিছু সলনি কৰা হৈছে যাতে ইয়াক পাহাৰ অঞ্চলতো অনায়াসে ব্যৱহাৰ কৰিব পাৰি।' দক্ষিণ কোৰিয়াৰ অস্ত্ৰ নিৰ্মাতা হানৱা ডিফেন্সৰ পৰা প্ৰযুক্তিৰ হস্তান্তৰৰ মাধ্যমেৰে ভাৰততে এল এণ্ড টিয়ে এই কামানসমূহ তৈয়াৰ কৰিছে। বৰ্তমানে ভাৰতীয় সেনাৰ হাতত ১০০ টা 'কে-৯ বজ্ৰ' কামান আছে। প্ৰায় ৫০ কিলোমিটাৰ পৰ্যন্ত দূৰত্বত লক্ষ্যস্থানত আঘাত হানিবলৈ সক্ষম এই অত্যাধুনিক হাতিয়াৰ। ইয়াৰ পূৰ্বে কাৰ্গিলতো 'কে-৯ বজ্ৰ' কামানৰ সফল পৰীক্ষা সম্পন্ন কৰিছিল সেনাবাহিনীয়ে। উল্লেখ্য যে সীমান্তত বিগত ডেৰ বছৰৰো অধিক ধৰি ভাৰত আৰু চীনৰ সম্পৰ্ক উত্তপ্ত হৈ আহিছে। উভয় পক্ষৰ একাধিক বৈঠকৰ পাছতে সীমান্ত সমস্যাৰ পৰা সামান্যও সকাহ লাভ কৰা নাই ভাৰত আৰু চীনে।

## তালিবানে সদায় টুইট কৰে, কিন্তু আমাৰ বিৰুদ্ধে নিষেধাজ্ঞা ঃ ক্ষোভ ট্ৰাম্পৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ অক্টোবৰ ঃ** 'তালিবানক সদায় টুইট কৰিবলৈ দিয়ে, কিন্তু মোক টুইট কৰিবলৈ নিদিয়ে। মোৰ ওপৰতে য'ত নিষেধাজ্ঞা।' এই অভিযোগ উত্থাপন কৰি এইবাৰ টুইটাৰৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হ'ল আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প। উল্লেখ্য যে আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সময়তে মাইক্ৰ' ব্ল'গিং ছাইটটোৱে ট্ৰাম্পৰ টুইটাৰ একাউণ্ট স্থায়ীভাৱে বন্ধ কৰি দিছিল। টুইটাৰৰ এনে কাৰ্যৰ বিৰুদ্ধে এইবাৰ আদালতৰ কাষ চাপিল প্ৰাক্তন ৰাষ্ট্ৰপতিজন। ফ্ল'ৰিডাৰ ফেডাৰেল আদালতত আবেদন দাখিল কৰি ট্ৰাম্পে এইদৰে কয়, 'তালিবানে নিতৌ টুইট কৰিব পাৰিছে। নিজৰ মতাদৰ্শৰ প্ৰচাৰ কৰিছে। অথচ মোৰ একাউণ্ট বন্ধ কৰি দিয়া হৈছে।' আদালতৰ দ্বাৰস্থ হৈ ট্ৰাম্পে টুইটাৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ দাবী জনাইছে।



## বিশ্বত কৰ'নাত মৃতকৰ সংখ্যা ৫০ লাখলৈ বৃদ্ধি

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৩ অক্টোবৰ ঃ** বিশ্বৰ বিভিন্ন দেশত কৰ'না ভাইৰাছত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকৰ সংখ্যাই ৫০ লাখৰ সীমা অতিক্ৰম কৰিলে। শেহতীয়া পৰিসংখ্যা অনুসৰি বিশ্বত বৰ্তমানলৈকে মুঠ ৫০.০৭ লাখ লোকৰ প্ৰাণ কাঢ়িলে কৰ'নাৰ সংক্ৰমণে। বিগত এবছৰত কৰ'নাত ২৫ লাখ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মাত্ৰ ২৩৬ দিনত এই ভাইৰাছে প্ৰাণ কাঢ়িলে আন ২৫ লাখ লোকৰ। বিশ্বজুৰি বিগত সাতদিনত কৰ'নাত হোৱা মৃত্যুৰ সৰহসংখ্যকে আছিল আমেৰিকা, ৰাছিয়া, ব্ৰাজিল, মেক্সিকো আৰু ভাৰতীয় নাগৰিক। কেৱল আমেৰিকাতে বৰ্তমানলৈকে ৭.০২ লাখ লোকৰ কৰ'নাত মৃত্যু হ'ল।

## পুনৰ দুই লালু পুত্ৰৰ মাজত সংঘাত ঃ তেজস্বীক লৈ তেজপ্ৰতাপৰ চাঞ্চল্যকৰ মন্তব্য

**নিউজ ব্যুৰ', পাটনা, ৩ অক্টোবৰ ঃ** আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱৰ দুই পুত্ৰৰ মাজত পুনৰ সংঘাতে দেখা দিছে। লালুৰ জ্যেষ্ঠ পুত্ৰ তেজপ্ৰতাপ যাদৱে ভ্ৰাতৃ তেজস্বী যাদৱক উদ্দেশি কৰা মন্তব্যই বিহাৰৰ ৰাজনীতিত বিতৰ্কৰ সৃষ্টি কৰিছে। দিল্লীৰ পৰা পাটনালৈ উভতি অহা ভ্ৰাতৃ তেজস্বীক লৈ তেজপ্ৰতাপে চাঞ্চল্যকৰ মন্তব্য কৰিছিল। তেজপ্ৰতাপে লালুপ্ৰসাদক দিল্লীত বন্দী কৰি ৰখা হৈছে বুলিও অভিযোগ কৰিছিল। দেওবাৰে তেজস্বীয়ে দিল্লীৰ পৰা পাটনাত উপস্থিত হৈছিল। সেই সময়ত সংবাদ মাধ্যমৰ স'তে হোৱা এক সাক্ষাৎকাৰত তেজস্বীয়ে কৈছিল যে লালুপ্ৰসাদ যাদৱৰ ব্যক্তিত্ব ইমানে বিশাল যে তেওঁক বন্দী কৰি ৰখা কথাটো তেনেই ক্ষুদ্ৰ। ছাত্ৰ জনশক্তি পৰিষদৰ এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত তেজপ্ৰতাপে মন্তব্য কৰি কৈছিল যে লালুপ্ৰসাদ যাদৱক দিল্লীত বন্দী কৰি ৰখা হৈছে। লালুক পাটনালৈ আহিবলৈ দিয়া হোৱা নাই বুলিও তেজপ্ৰতাপে অভিযোগ কৰিছিল। আৰ জে ডিত একাংশ লোকে ৰাষ্ট্ৰীয় অধ্যক্ষ হোৱাৰ স্বপ্ন দেখি এইদৰে লালুপ্ৰসাদক দিল্লীতে আবদ্ধ ৰখা বুলিও তেজপ্ৰতাপে অভিযোগ কৰিছিল। তেজপ্ৰতাপে নাম নল'লেও এই মন্তব্যৰে পৰোক্ষভাৱে ভ্ৰাতৃ তেজস্বীকে দোষাৰোপ কৰিছিল। আজি পাটনালৈ অহা তেজস্বীয়ে সাংবাদিকৰ এই বিষয়ক প্ৰশ্নৰ উত্তৰ দি কয় যে লালুপ্ৰসাদ যাদৱৰ ব্যক্তিত্ব অতি বিশাল আৰু এনে এজন ব্যক্তিক কোনেও দিল্লীত আবদ্ধ কৰি ৰাখিব নোৱাৰে।



## ক্ষেপণাস্ত্ৰ পৰীক্ষণক লৈ ৰাষ্ট্ৰসংঘৰ জৰুৰী বৈঠকক সমালোচনা উত্তৰ কোৰিয়াৰ



**নিউজ ব্যুৰ' ছিউল, ৩ অক্টোবৰ ঃ** উত্তৰ কোৰিয়াই শেহতীয়াভাৱে ক্ষেপণাস্ত্ৰ পৰীক্ষা কৰাক লৈ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে জৰুৰী বৈঠক অনুষ্ঠিত কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে পিয়ং ইয়ঙে। যোৱা শুকুৰবাৰে উত্তৰ কোৰিয়াই এটা বিমান ধ্বংসকাৰী ক্ষমতাসম্পন্ন ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰা বুলি দাবী কৰিছিল। শেহতীয়াভাৱে উত্তৰ কোৰিয়াই মুঠ তিনিটা ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ কৰিছিল। উত্তৰ কোৰিয়াৰ ক্ষেপণাস্ত্ৰ পৰীক্ষণৰ পাছতে ৰাষ্ট্ৰসংঘই নিৰাপত্তা পৰিষদৰ সদস্য ৰাষ্ট্ৰ আমেৰিকা, ব্ৰিটেইন আৰু ফ্ৰান্সৰ আহ্বানত যোৱা শুকুৰবাৰে বিষয়টো আলোচনা কৰাৰ বাবে জৰুৰী বৈঠক অনুষ্ঠিত কৰিছিল। ৰাষ্ট্ৰসংঘই এইদৰে উত্তৰ কোৰিয়াৰ ক্ষেপণাস্ত্ৰ পৰীক্ষণক লৈ জৰুৰী বৈঠক অনুষ্ঠিত কৰাত ক্ষোভ প্ৰকাশ কৰিলে কীম জং উনৰ দেশখনে। উত্তৰ কোৰিয়াৰ সাৰ্বভৌমত্বক আঘাতহানি অনুষ্ঠিত কৰা ৰাষ্ট্ৰসংঘৰ এনে বৈঠক যথেষ্ট প্ৰৰোচনামূলক আছিল বুলিও পিয়ংইয়ঙে অভিযোগ কৰিছে।

## ৰাছিয়াত পুনৰ বৃদ্ধি কৰ'না আক্ৰান্ত, ২৪ ঘণ্টাত মৃত্যু ৮৯০ জনৰ

**নিউজ ব্যুৰ', ম'স্কো, ৩ অক্টোবৰ ঃ** ৰাছিয়াত কৰ'না ভাইৰাছৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ ২৫,৭৬৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি বিগত এদিনত ৰাছিয়াত ৮৯০ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। ৰাজধানী ম'স্কোত কৰ'নাৰ প্ৰকোপ সৰ্বাধিক প্ৰত্যক্ষ হৈছে। ৰাজধানী চহৰত নতুনকৈ ৪,২৯৪ জন লোক আক্ৰান্ত আৰু ৬৫ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। ছেণ্ট পিটাৰ্ছবাৰ্গত শেহতীয়াভাৱে ২,৪৬৩ জন লোক কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে ৫৯ জন লোকৰ এই ভাইৰাছত মৃত্যু হ'ল।



## প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দিল্লীক কেন্দ্ৰই দিব ১৮ কোটি টকা



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ অক্টোবৰ ঃ** বৰ্ধিত প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দিল্লীয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিব ১৮ কোটি টকা। নেচনেল ক্লিন এয়াৰ প্ৰ'গ্ৰাম (এন চি এ পি)-এ প্ৰথমবাৰৰ বাবে দিল্লীত প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে এই পুঁজিৰ যোগান ধৰিব। এন চি এ পিয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, দিল্লীত প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে ১৮.৭৪ কোটি টকাৰ পুঁজি যোগান ধৰা হ'ব। উল্লেখ্য যে দেশৰ ৰাজধানী চহৰখনৰ প্ৰদূষণ বিগত কেইবছৰমানত যথেষ্ট বৃদ্ধি পাইছে। দিল্লী চৰকাৰে একাধিক পদক্ষেপ গ্ৰহণ কৰাৰ পাছতো ৰাজধানী চহৰখনৰ প্ৰদূষণ নিয়ন্ত্ৰণ সম্ভৱ হৈ উঠা নাই।





# ৰাজ্যত নতুন ৰাজনৈতিক দলৰ আত্মপ্ৰকাশ

*এক পৃষ্ঠাৰ পৰা* চূড়ান্ত হয়। অগপসহ বিভিন্ন আঞ্চলিক দলৰ প্ৰতাৰণাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়াৰ লগতে অসমৰ প্ৰতিটো জনগোষ্ঠীৰ স্বকীয়তা, একতা আৰু সমতা ৰক্ষাৰ স্বাৰ্থতে সকলোকে একতাৰে সংগঠিত কৰাৰ প্ৰয়াসেৰে ‘জাতীয় জনগোষ্ঠীয় দল’ নামেৰে এই নতুন ৰাজনৈতিক দলটোৰ জন্ম দিয়া বুলি আহ্বায়কে জনাইছে।

ৰঙিয়াৰ বালাগাঁৱত অনুষ্ঠিত এই সভাতে স্বকীয়তাস একতা আৰু সমতাৰ মন্ত্ৰৰে আগবাঢ়ি যোৱাৰ সংকল্প লৈ দলটোৰ প্ৰতীকৰূপে ‘বটবৃক্ষ’ক সৰ্বসন্মতিক্ৰমে চূড়ান্ত কৰা হয়। হৰেকৃষ্ণ ডেকাৰ সভাপতিত্বত আয়োজিত সভাখনত ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ প্ৰতিনিধি উপস্থিত থাকে। দলৰ ১১খন জিলাৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সভাখনতে দলৰ সংবিধানো গ্ৰহণ কৰে। লগতে কেশৱ চন্দ্ৰ নাথক সভাপতি আৰু মুখ্য আহ্বায়ক গৌৰী শংকৰ শৰণীয়াক সাধাৰণ সম্পাদকৰূপে লৈ নৱগঠিত ৰাজনৈতিক দলটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকো গঠন কৰে। ৩১জনীয়া সমিতিখনত সাতজনক সম্পাদকৰূপে মনোনীত কৰা হয়।

আজিৰ সভাখন উদ্বোধন কৰে বিশিষ্ট সংগঠক তথা সক্ৰিয় ৰাজহুৱা কৰ্মী যোগেশ্বৰ কলিতাই। সভাৰ পাছতে এক বিবৃতিযোগে নৱ নিৰ্বাচিত সাধাৰণ সম্পাদক শৰণীয়াই কয়, ‘ৰাজ্যৰ কোনো এটা ৰাষ্ট্ৰীয় নাইবা আঞ্চলিক দলে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ সমস্যা নাইবা দাবীৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই। তেওঁলোকক ইমানদিনে দাসত্ব প্ৰথাৰ দৰে ব্যৱহাৰ কৰি আহিছে।অকল সেয়াই নহয়, জাতি-জনগোষ্ঠীসমূহক নিজ নিজ স্বাৰ্থত ব্যৱহাৰ কৰাৰ বাবে ঐক্যবদ্ধ হোৱাৰ সুযোগ নিদি ভাগ ভাগ কৰি ৰাখিছে। ফলত বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া বাধাগ্ৰস্ত হৈছে।’ নৱগঠিত আঞ্চলিক দলটোৱে ৰাজ্যৰ সকলো ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীক ঐক্যবদ্ধ কৰি বৃহত্তৰ অসমীয়া জাতি গঠনৰ বাবে প্ৰয়াস অব্যাহত ৰাখিব বুলিও শৰণীয়াই কয়। নৱগঠিত দলটোৱে ক্ষমতাৰ বাবে ৰাজনীতি নকৰে বুলি স্পষ্ট কৰি দিলেও শৰণীয়াই লগতে কয় যে আগন্তুক উপ-নিৰ্বাচনত তামুলপুৰ সমষ্টিত দলীয় প্ৰাৰ্থী প্ৰক্ষেপৰ বাবে দলে সকলো প্ৰস্তুতি গ্ৰহণ কৰিছে।

# উপ-নিৰ্বাচনত কংগ্ৰেছ-অসম জাতীয়

*এক পৃষ্ঠাৰ পৰা* কংগ্ৰেছৰ লগত বুজাপৰা কৰিও নকৰাৰ দৰে স্থিতি গ্ৰহণ কৰিছে। কাৰণ কংগ্ৰেছে থাওৰা আৰু মৰিয়নি কোনো কাৰণত আন দলক এৰি নিদিয়াৰ সিদ্ধান্তত অটল আছে। আনহাতে, থাওৰা এৰি দিয়াৰ স্থিতিত নাই ৰাইজৰ দল। অথচ দলটোৰ সভাপতি অখিল গগৈয়ে কংগ্ৰেছৰ লগত তেওঁলোকৰ মন মিলিছে বুলি উল্লেখ কৰিছে। আজিৰ যৌথ সংবাদমেলতো প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই মনৰ মিল হোৱা বিষয়টো কে'বাবাৰো উল্লেখ কৰে; কিন্তু মনৰ মিল হৈও সমষ্টি এৰি দিয়াৰ পক্ষত নথকাত থাওৰা আৰু মৰিয়নিত দুয়োটা দলৰ মাজত বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা নিশ্চিত হৈছে। কংগ্ৰেছে থাওৰা আৰু মৰিয়নিৰ সম্ভাব্য প্ৰাৰ্থীৰ পেনেল হাইকমাণ্ডৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰাৰ বিপৰীতে ৰাইজৰ দলে সমষ্টি দুটাৰ প্ৰাৰ্থীৰূপে ধৈৰ্য কোঁৱৰ আৰু সঞ্জয় গগৈক প্ৰক্ষেপ কৰিছে। উল্লেখ্য যে কংগ্ৰেছে ৰাইজৰ দলক ভৱানীপুৰ সমষ্টিটো এৰি দিছে; কিন্তু ৰাইজৰ দলে কংগ্ৰেছৰ সিদ্ধান্তক নাকচ কৰিছে।

ইপিনে, আজি সংবাদমেলত ভূপেন বৰাই কয়, ‘বিধায়ক শূন্য হ'লেও এই পৰ্যন্ত মাজুলীৰ উপ-নিৰ্বাচন নিৰ্বাচন আয়োগে ঘোষণা কৰা নাই। যিকোনো মুহূৰ্তত এই ঘোষণা হ'ব পাৰে। আমি সেই কাৰণে ছটা সমষ্টিক লৈ প্ৰস্তুতি চলাইছো। মাজুলী সমষ্টিটো আমি অসম জাতীয় পৰিষদক এৰি দিছো। কংগ্ৰেছ, অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ মিত্ৰ শক্তি উপ-নিৰ্বাচনত মহাশক্তি হ'ব।’ কংগ্ৰেছৰ সিদ্ধান্তক আদৰণি জনাই জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে বিজেপিক প্ৰতিহত কৰিবলৈ এটা সমষ্টিত এগৰাকী প্ৰাৰ্থীহে বিৰোধীৰ পৰা হ'ব লাগে। এই প্ৰস্তাৱ লৈ জাতীয় পৰিষদ প্ৰতিটো দলৰ কাষ চাপিছিল। কংগ্ৰেছে তেওঁলোকৰ প্ৰস্তাৱত সহাঁৰি জনাইছে। বিজেপিয়ে সমাজ জীৱনত নৈৰাজ্যবাদ, সাম্প্ৰদায়িক পৰিৱেশ সৃষ্টিৰ অভিযোগ কৰি সেইবোৰ প্ৰতিহত কৰাৰ বাবেই ঐক্যবদ্ধ বিৰোধীৰ প্ৰয়োজনীয়তা আছিল বুলিও তেওঁ কয়। গগৈয়ে কয়, ‘অসম জাতীয় পৰিষদৰ মিত্ৰজোঁটত সোমোৱাৰ লক্ষ্য নাই। আমাৰ একমাত্ৰ লক্ষ্য হ'ল এটা সমষ্টিত এগৰাকী প্ৰাৰ্থী প্ৰক্ষেপ কৰা। বিজেপিক এনেদৰেহে দুৰ্বল আৰু প্ৰতিহত কৰিব পৰা যাব।’ প্ৰসংগক্ৰমে ৰাইজৰ দলৰ নাম উচ্চাৰণ নকৰাকৈ গগৈয়ে ইংগিতেৰে কয় যে তেওঁলোকৰ সেই লক্ষ্য আন দলেও নিশ্চয় অনুধাৱন কৰিব পাৰিব আৰু এটা সমষ্টিত এগৰাকী প্ৰাৰ্থীহে প্ৰক্ষেপৰ কৌশলত চামিল হ'ব।

ইপিনে, ৰাইজৰ দলৰ স্থিতি সলনি হ'ব বুলি আশা প্ৰকাশ কৰে ভূপেন বৰাই। তেওঁ কয় যে ভৱানীপুৰ ৰাইজৰ দলক এৰি দিয়া বাবেই কংগ্ৰেছে সমষ্টিটো খালী কৰি ৰাখিছে। সম্ভাব্য কোনো প্ৰাৰ্থীৰে পেনেল ভৱানীপুৰৰ ক্ষেত্ৰত প্ৰস্তুত কৰা নাই। গতিকে হাইকমাণ্ডৰ ওচৰলৈ অনুমোদনৰ বাবে প্ৰেৰণৰো এই ক্ষেত্ৰত প্ৰশ্ন নাই। বৰাই লগতে কয়, ‘অহা আঠ অক্টোবৰলৈ সময় আছে। এইখিনি সময়ত ৰাইজৰ দলৰ স্থিতি সলনি হ'ব বুলি আমি আশাবাদী। অন্যথা অখিল গগৈয়ে ইতিমধ্যে ঘোষণা কৰাৰ দৰে থাওৰা-মৰিয়নিত আমাৰ লগত তেওঁলোকৰ বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা হ'ব। থাওৰা কংগ্ৰেছে এৰি দিয়াৰ প্ৰশ্নই নুঠে। তিনিমাহ আগতে থাওৰাত আমাৰ দলৰ প্ৰাৰ্থী জয়ী হৈছিল। থাওৰাৰ এজনেহে কংগ্ৰেছক বিশ্বাসঘাতকতা কৰি এৰি গৈছে। বাকী মানুহবোৰতো কংগ্ৰেছতে আছে। নতুন নতুন মানুহে কংগ্ৰেছত যোগ দিছে। তাৰ বিপৰীতে বিজেপিৰ স্থিতি সমষ্টিটোত অতি দুৰ্বল। সভা পাতিলে শ শ চকী খালী হৈ থাকে। থাওৰাত কংগ্ৰেছৰ পৰা প্ৰাৰ্থিত্ব বিচৰা লোকৰ সংখ্যা বাঢ়িছে। আমি ইতিমধ্যে প্ৰাৰ্থীৰ পেনেল প্ৰস্তুত কৰি হাইকমাণ্ডৰ ওচৰলৈ নাম পঠিয়াইছো। থাওৰাত এতিয়া প্ৰাৰ্থিত্বকেন্দ্ৰিক উৎকণ্ঠা বাঢ়িছে। এনে স্থলত কংগ্ৰেছে সমষ্টিটো এৰি দিয়াৰ কথা নাই। অখিল গগৈয়ে কৈছে যে কংগ্ৰেছৰ লগত তেওঁৰ মন মিলিছে। তেওঁ ভাল কথা কৈছে। অখিল গগৈয়ে এইটোও কৈছে যে তেওঁ আটাইকেইটা সমষ্টিতে প্ৰচাৰ চলাবলৈ যাব। আমি যথেষ্ট আশাবাদী।’

সংবাদমেলত বিধানসভা নিৰ্বাচনত মিত্ৰতা নকৰা কংগ্ৰেছৰ লগত উপ-নিৰ্বাচনত কিয় একেলগে যুঁজিবলৈ আগবাঢ়িছে বুলি লুৰীণজ্যোতি গগৈক সাংবাদিকে প্ৰশ্ন কৰে; কিন্তু তেওঁ সেই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ পৰা কৌশলেৰে আঁতৰি থাকে। তাৰ পৰিৱৰ্তে বিজেপিয়ে গণতন্ত্ৰক উপলুঙা কৰা, সংবিধানক নাকচ কৰিব বিচৰা, সাম্প্ৰদায়িক আদি আখ্যাৰে সমালোচনা কৰে। তেনে এটা দলক প্ৰতিহত কৰিবলৈকে বিৰোধীৰ এটা সমষ্টিত এগৰাকী প্ৰাৰ্থী প্ৰক্ষেপৰ স্থিতি গ্ৰহণ কৰা হৈছে বুলি গগৈয়ে কয়।

# প্ৰমোদতৰীত ড্ৰাগছৰ পাৰ্টিত অংশ লৈ

*এক পৃষ্ঠাৰ পৰা* কৰাৰ পাছৰে পৰা তেওঁক ৰক্ষাৰ বাবে উদ্বাউল হৈ পৰিছে পিতৃ শ্বাহৰুখ আৰু মাতৃ গৌৰী খান। ইয়াৰ পূৰ্বে অভিনেতা সুশান্ত সিং ৰাজপুতৰ আত্মহত্যাৰ পাছত মাদক-কাণ্ডই বলিউদক জোঁকাৰি গৈছিল। দীপিকা পাডুক'ন, ছাৰা আলী খান, আলিয়া ভাটৰ দৰে জনপ্ৰিয় অভিনেত্ৰী জেৰাৰ সন্মুখীন হোৱাৰ উপৰি সুশান্তৰ বান্ধৱী ৰিয়া চক্ৰৱৰ্তীকে ধৰি একাধিক গ্ৰেপ্তাৰ হৈছিল।

এনচিবিৰ সূত্ৰই জনোৱা মতে, শনিবাৰে নিশা কৰ্ডেলিয়া নামৰ বিলাসী নৌকাখনে একাংশ যাত্ৰীক লৈ গোৱা অভিমুখে ৰাওনা হৈছিল। নৌকাখনে মুম্বাইৰ উপকূল এৰাৰ পাছতে যাত্ৰীসকলৰ একাংশ ড্ৰাগছৰ পাৰ্টীত মতলীয়া হৈ পৰে। তেতিয়াই নৌকাত যাত্ৰীৰ ছদ্মবেশত থকা এনচিবিৰ অভিযানকাৰী দল এটাই আৰিয়ানকে ধৰি মুঠ আঠজনক আটক কৰে। ইয়াৰ ভিতৰত দুগৰাকী মহিলাও আছে। আটকাধীনসকলৰ অধিকাংশই দিল্লীৰ বুলিও সূত্ৰটোৱে সদৰী কৰিছে। আজি পুৱতি নিশাৰ পৰাই আৰিয়ানসহ আটকাধীন সকলক কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে জেৰা অব্যাহত ৰাখে। এই সময়ছোৱাত এনচিবিৰ তৰফৰ পৰা এক বিবৃতিত কোৱা হয়, ‘আৰিয়ান খানসহ আঠজনকে সম্প্ৰতি জেৰা চলাই থকা হৈছে। তেওঁলোকৰ ভাষ্যৰ ভিত্তিত পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব।’ এনচিবিৰ সূত্ৰই জনায় যে প্ৰমোদতৰীখনৰ পৰা ক'কেইন, এক্সটেছী, এমডি (মেফেড্ৰ'ন), চৰছ আদিৰ দৰে ড্ৰাগছ জব্দ কৰা হৈছে। পোছাকৰ চিলাই, মহিলাৰ ভেনিটী বেগৰ হেণ্ডেল আদিত ড্ৰাগছ লুকুৱাই ৰখা হৈছিল। আনকি আৰিয়ানৰ চকুৰ কন্টেক্ট লেন্স ৰখা বাকচৰ পৰাও ড্ৰাগছ জব্দ কৰা হয় বুলি সূত্ৰই জনাইছে। আৰিয়ানৰ উপৰি গ্ৰেপ্তাৰ হোৱা আনসকল হৈছে মুনমুন ধামেচা, নূপুৰ সাৰিকা, ইস্মিত সিং, মোহক জছৱাল, বিক্ৰান্ত চ'কাৰ, গোমিত চোপ্ৰা আৰু আৰবাজ মাৰ্চেণ্ট। ইপিনে, দীৰ্ঘ সময়ৰ সোধপোছৰ অন্তত তেওঁলোকৰ গ্ৰেপ্তাৰ নিশ্চিত হয়। এই সন্দৰ্ভত এনচিবিৰ এজন জ্যেষ্ঠ বিষয়াই কয়, ‘অভিযুক্তসকলৰ ভাষ্য বাণীবদ্ধ কৰা হৈছে। প্ৰকৃত তথ্যৰ ভিত্তিত গ্ৰেপ্তাৰ কৰা হ'ব আৰু অভিযুক্তসকলক ‘নাৰ্ক'টিক ড্ৰাগছ এণ্ড চাইক'ট্ৰ'পিক ছাবষ্টেন্সেছ’ (এনডিপিএছ) ক'ৰ্টত হাজিৰ কৰোৱা হ'ব।’ সূত্ৰই জনোৱা মতে, উক্ত প্ৰমোদতৰীত বলিউদৰ আন একাংশ তাৰকাও উপস্থিত আছিল। অৱশ্যে এনচিবিৰ দলে অভিযান চলোৱাৰ সময়ত তেওঁলোকে ড্ৰাগছ গ্ৰহণ কৰা অৱস্থাত নাছিল। সেয়ে আৰিয়ানৰ পৰা উক্ত পাৰ্টী সম্পৰ্কে সবিশেষ তথ্য গ্ৰহণৰ চেষ্টা কৰে এনচিবিৰ বিষয়াই। জেৰাৰ সময়ত তদন্তকাৰী বিষয়াই আৰিয়ানৰ ম'বাইল ফোন জব্দ কৰি তন্ন-তন্নকৈ পৰীক্ষা কৰে। ফোন কল বা হোৱাট্ছএপৰ জৰিয়তে কিং খানৰ পুত্ৰই কাৰ স'তে কথা পাতিছিল বা যোগাযোগ ৰাখিছিল, সেয়াও পৰীক্ষা কৰা হৈছে। ইপিনে, এনচিবিয়ে ছজন লোকক এই পাৰ্টীৰ আয়োজকৰূপে চিহ্নিত কৰিছে। তেওঁলোককো অনতিপলমে জেৰা কৰা হ'ব।

### ড্ৰাগছ সেৱন কৰি অনুতপ্ত ‘ভিভিআইপি’ আৰিয়ান

এনচিবিৰ সূত্ৰই জনোৱা মতে, প্ৰায় ১৬ ঘণ্টাৰ জেৰাৰ অন্তত আৰিয়ানে প্ৰমোদতৰীৰ পাৰ্টীত ড্ৰাগছ সেৱন কৰাৰ কথা স্বীকাৰ কৰে। ইয়াৰ পাছতে তেওঁৰ গ্ৰেপ্তাৰ নিশ্চিত হয়। সূত্ৰই কয় যে ড্ৰাগছ সেৱনৰ বাবে এতিয়া অনুতপ্ত বুলি আৰিয়ানে জেৰাৰ সময়ত কয়। লগতে ইয়াৰ পূৰ্বে কেতিয়াও ড্ৰাগছ সেৱন কৰা নাছিল বুলিও আৰিয়ানে দাবী কৰে। উল্লেখ্য যে কিং খান-গৌৰীৰ জ্যেষ্ঠ সন্তান আৰিয়ানে এই পৰ্যন্ত আন বহু বলিউদ তাৰকাৰ সন্তানৰ দৰে মনোৰঞ্জনৰ জগতখনত প্ৰৱেশ কৰা নাই। অৱশ্যে তাৰকাৰ সন্তান হোৱাৰ বাবেই তেওঁ সততে চৰ্চাত থাকে। ইয়াৰ পূৰ্বে এক এমএমএছ কাণ্ডতো তেওঁৰ নাম জড়িত হৈছিল। ইয়াৰ বাহিৰে অৱশ্যে অত্যধিক বিতৰ্কত আৰিয়ানৰ নাম জড়িত হোৱা নাছিল। তেওঁ আমেৰিকাৰ ছাউদাৰ্ণ কেলিফ'ৰ্ণিয়া বিশ্ববিদ্যালয়ৰ স্কুল অৱ চিনেমেটিক আৰ্টছ বিষয়ত স্নাতক হৈছিল। এনচিবিৰ সূত্ৰই জনোৱা মতে, যোৱা নিশা কৰ্ডেলিয়া নামৰ বিলাসী নৌকাখনত সাগৰৰ মাজত আয়োজিত ড্ৰাগছ পাৰ্টীত অংশগ্ৰহণৰ বাবে প্ৰৱেশ মূল্য নিৰ্ধাৰণ কৰা হৈছিল এক লাখ টকা। অৱশ্যে ‘ভিভিআইপি’ৰ তালিকাত নাম থকাৰ বাবে আৰিয়ানে প্ৰৱেশ মূল্য দিবলগীয়া হোৱা নাছিল। এই কথা তেওঁ জেৰাকালত সদৰী কৰিছে।

### পুত্ৰৰ জামিনৰ বাবে উদ্বাউল হৈ পৰিছে শ্বাহৰুখ-গৌৰী

ইপিনে, যোৱা নিশা এনচিবিয়ে পুত্ৰ আৰিয়ানক আটক কৰাৰ খবৰ লাভ কৰাৰে পৰা প্ৰায় উদ্বাউল হৈ পৰে বলিউদৰ বাদশ্বাহ শ্বাহৰুখ আৰু তেওঁৰ পত্নী গৌৰী। নিৰ্মীয়মান ‘পাঠান’ নামৰ ছবিখনৰ এটি গীতৰ দৃশ্যৰ চিত্ৰগ্ৰহণৰ বাবে শ্বাহৰুখ স্পেইনলৈ যোৱাৰ কথা আছিল। আনহাতে, বিশেষ কামৰ বাবে গৌৰীও বিদেশলৈ যোৱাৰ কথা আছিল। কিন্তু শ্বাহৰুখ-গৌৰীয়ে বিদেশ ভ্ৰমণ স্থগিত ৰাখি পুত্ৰৰ জামিনৰ বাবে আজি পুৱাৰে পৰা তৎপৰতা আৰম্ভ কৰে। বলিউদৰ মহাতাৰকাজনৰ এক ঘনিষ্ঠ সূত্ৰই কয়, ‘শ্বাহৰুখে এই বিষয়ত প্ৰকাশ্যে কোনো মন্তব্য কৰিব বুলি ধাৰণা নহয়। এনচিবিয়ে আৰিয়ানৰ সন্দৰ্ভত স্থিতি স্পষ্ট কৰিলেই শ্বাহৰুখৰ আইনী পথলৈ যোৱাৰ একাধিক পথ খুলি যাব।’ ঘনিষ্ঠ সূত্ৰটোৱে জনায় যে পুৱতি নিশা পুত্ৰ আটক হোৱাৰ কথা গম পোৱাৰে পৰা মাতৃ গৌৰী মানসিকভাৱে বিধ্বস্ত হৈ পৰিছে। আজি পুৱাই শ্বাহৰুখে বিশিষ্ট আইনজীৱী সতীশ মানশিণ্ডেৰ স'তে যোগাযোগ কৰে। মানশিণ্ডেৰ প্ৰতিনিধিয়ে এনচিবিৰ কাৰ্যালয়ত উপস্থিত হৈ পৰিস্থিতিৰো বুজ লয়। বিয়লি আৰিয়ানৰ গ্ৰেপ্তাৰ নিশ্চিত হোৱাৰ পাছতে শ্বাহৰুখৰ বাসভৱন ‘মন্নত’ৰ পৰা একেলগে কে'বাখনো গাড়ী ওলাই যোৱা দেখা যায়। অৱশ্যে এই গাড়ীসমূহত শ্বাহৰুখ বা গৌৰী আছিল নে নাই, সেই বিষয়টো স্পষ্ট নহয়।

### যাত্ৰীৰ ছদ্মবেশত বিলাসী নৌকাত উঠিছিল বলিউদৰ ত্ৰাস সমীৰ ৱাংখেড়ে

বলিউদৰ ড্ৰাগছ কাণ্ডক কেন্দ্ৰ কৰিয়ে সম্প্ৰতি প্ৰখ্যাত হৈ পৰিছে এনচিবিৰ বিষয়া সমীৰ ৱাংখেড়ে। প্ৰায় ৩৬ বছৰীয়া বিষয়াজনৰ নেতৃত্বতে যোৱা নিশা প্ৰমোদতৰীৰ পাৰ্টীৰ পৰা এনচিবিৰ দল এটাই শ্বাহৰুখ-পুত্ৰসহ আঠজনক আটক কৰে। সম্প্ৰতি বলিউদৰ বাবে ত্ৰাসত পৰিণত হৈছে এই দক্ষ বিষয়াজন। অভিনেতা সুশান্তৰ অস্বাভাৱিক মৃত্যুৰ তদন্তত ড্ৰাগছৰ সংযোগৰ পৰা আৰম্ভ কৰি ২০১১ত মুম্বাই বিমানকোঠত বিশ্বকাপ ক্ৰিকেটৰ ট্ৰফী আবদ্ধ কৰি ৰখালৈকে ২০০৮ৰ এই আইআৰএছ বিষয়াজনে বিশেষ খ্যাতি অৰ্জন কৰিছে।

এনচিবিৰ সূত্ৰই জনোৱা মতে, নিশাৰ এই নৌকাৰ পাৰ্টীৰ তথ্য ৱাংখেড়েই আগতীয়াকৈ লাভ কৰিছিল। ইয়াৰ ভিত্তিতে তেওঁ সাধাৰণ যাত্ৰীৰ ৰূপত এদল সতীৰ্থক লৈ নৌকাখনত উপস্থিত আছিল। পাৰ্টী আৰম্ভ হোৱাৰ পাছতেই তেওঁ অভিযান আৰম্ভ কৰে। উল্লেখ্য যে বিগত দুটা বছৰত ৱাংখেড়েৰ দলে মুম্বাই বিমানকোঠত ১৭ হেজাৰ কোটি টকাৰ ড্ৰাগছ জব্দ কৰিছে। ইয়াৰ পূৰ্বে শুল্ক বিভাগত দায়িত্ব সম্পাদন কৰাৰ সময়ত তেওঁ একাধিক তাৰকাই বিদেশৰ পৰা অনা পণ্য বিমানকোঠত আবদ্ধ কৰিছিল। কমেও দুহেজাৰ তাৰকাৰ বিৰুদ্ধে তেওঁ কৰফাকিৰ অভিযোগ দাখিল কৰিছিল। ২০১৩ত গায়ক মিকা সিং বিদেশী মুদ্ৰাসহ মুম্বাই বিমানকোঠত ৱাংখেড়েৰ হাতত ধৰা পৰিছিল। ইয়াৰ উপৰি ৱাংখেড়েই অনুৰাগ কাশ্যপ, বিবেক অ'বেৰয়, ৰামগোপাল বাৰ্মাৰ দৰে বলিউদ ব্যক্তিত্বৰ বিৰুদ্ধে হিচাপ বহিৰ্ভূত সম্পত্তিৰ অভিযোগতো তালাচী চলাইছিল। ২০১১ত আমদানি শুল্ক আদায় নিদিয়াৰ বাবে ৱাংখেড়েই মুম্বাই বিমানকোঠত আবদ্ধ কৰিছিল সেই বছৰৰ বিশ্বকাপ ক্ৰিকেটৰ ট্ৰফী। পাছত শুল্ক আদায় দি ট্ৰফী মোকলাবলগীয়া হৈছিল। ২০১১ৰ দুই এপ্ৰিলত সেই ট্ৰফীয়েই উঠিছিল বিশ্বজয়ী অধিনায়ক মহেন্দ্ৰ সিং ধোনিৰ হাতত।

পেছাগত দিশত কঠোৰ হ'লেও ব্যক্তিগত জীৱনত ৱাংখেড়ে এজন নৰম স্বভাৱৰ লোকৰূপেই পৰিচিত। লক্ষ্যণীয়ভাৱে ৱাংখেড়ে বলিউদৰ ত্ৰাসত পৰিণত হ'লেও তেওঁৰ ব্যক্তিগত জীৱনত মুম্বাইৰ ছবিজগতৰে যোগসূত্ৰও আছে। অজয় দেৱগন অভিনীত ‘গংগাজল’ নামৰ ছবিখনৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰা অভিনেত্ৰী ক্ৰান্ত ৰেডকাৰক বিয়া কৰাইছে ৱাংখেড়েই। ক্ৰান্তি মাৰাঠী ছবিজগতৰ এগৰাকী জনপ্ৰিয় অভিনেত্ৰী।

# ৰাজ্যত শীঘ্ৰে শতকৰ ঘৰ স্পৰ্শৰ

*এক পৃষ্ঠাৰ পৰা* কৰা নাই সেইবোৰেতো শীঘ্ৰে এশ টকা হ'ব বুলি সম্ভাৱনা ব্যক্ত কৰা হৈছে। তাৰেই ইংগিত দি মাত্ৰ দুদিনৰ ভিতৰত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১.০২ টকা আৰু ডিজেলৰ ১.০৭ টকা বৃদ্ধি হয়। যোৱা ২৮ ছেপ্টেম্বৰত অসমৰ অধিকাংশ জিলাত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ৯৭.২৬ টকা থকাৰ বিপৰীতে আজি ৯৯.২৮ টকালৈ বৃদ্ধি হয়। একেদৰে ডিজেলৰ মূল্য এই সময়ছোৱাত বৃদ্ধি হয় ৮৮.৯৮ টকাৰ পৰা ৯০.২৫ টকালৈ। উল্লেখ্য যে যোৱা এসপ্তাহৰ পৰা মাত্ৰ কেইদিনমানৰ বিৰতিত পুনৰ দেশত পেট্ৰ'ল আৰু ডিজেলৰ মূল্য বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে। চৰকাৰে নিয়ন্ত্ৰণৰ কোনো পদক্ষেপো এই ক্ষেত্ৰত লোৱা নাই। বৰঞ্চ কৰৰ পৰিমাণতো চৰকাৰে ওভতাই নাচি বৃদ্ধি কৰি গৈছে। ইতিমধ্যে দিল্লী, কলকাতা, মুম্বাই, চেন্নাই, বাংগালুৰু, ভুৱনেশ্বৰ, হাইদৰাবাদ, জয়পুৰ, পাটনা, তিৰুৱনন্তপুৰম আদিত পেট্ৰ'লৰ মূল্যই এশ টকাৰ সীমা অতিক্ৰম কৰিছে।

# গান্ধী জয়ন্তীৰ দিনাই ছ'চিয়েল

*এক পৃষ্ঠাৰ পৰা* বহুতো টুইটাৰত ৰাজনৈতিক আলোচনাত সৰ্বাধিক চৰ্চিত বিষয় হৈ উঠে নাথুৰাম গডছে জিন্দাবাদ। গান্ধীৰ জন্মদিনত ইমান বেছি মানুহে তেওঁৰ হত্যাকাৰীক জিন্দাবাদ দিলে যে টুইটাৰত ই ট্ৰেণ্ডিং হৈ পৰিল।

লক্ষণীয় যে উত্তৰ প্ৰদেশসহ কে'বাখনো ৰাজ্যৰ বিজেপিৰ তথ্য প্ৰযুক্তি কোষৰ সদস্য বুলি পৰিচয় দিয়া অধিকাংশই এই টুইট কৰে। আন কিছুসংখ্যকে নিজকে হিন্দু সংগঠনৰ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সদস্য বুলিও পৰিচয় দিছে। অখিল ভাৰত মহাসংঘৰ দৰে সংগঠনেও নাথুৰামৰ জয়ধ্বনি দিয়া পৰিলক্ষিত হয়।

পূৰ্বে নাথুৰামক বিজেপি সাংসদ সাধ্বী প্ৰজ্ঞাই দেশপ্ৰেমিক আখ্যা দিছিল। পাছত বিৰোধীৰ কঠোৰ সমালোচনাৰ সন্মুখীন হৈ তেওঁ দুখ প্ৰকাশ কৰে। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে প্ৰধানমন্ত্ৰীয়ে কৈছিল যে তেওঁ কেতিয়াও প্ৰজ্ঞাক ক্ষমা নকৰে। অৱশ্যে সাধ্বীৰ বিৰুদ্ধে বিজেপিয়ে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ নকৰিলে। কংগ্ৰেছে আজি অভিযোগ কৰে যে বিজেপি আৰু আৰএছএছৰ বুলি পৰিচয় দি গডছে জয়ধ্বনি দিয়াসকলৰ বিৰুদ্ধে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই, আনকি নিন্দাও কৰা নাই। অৱশ্যে বিজেপি সাংসদ বৰুণ গান্ধীয়ে আজি কয়, ‘যিসকলে গডছে জিন্দাবাদ বুলি টুইট কৰিছে তেওঁলোকে দায়িত্বজ্ঞানহীনভাৱে দেশৰ মুখত ছাই সানিছে।’

বৰুণে কয় যে আন্তৰ্জাতিক মহলত ভাৰতৰ সন্মান মহাত্মা গান্ধীৰ বাবে আছে, তেওঁৰ আদৰ্শৰ বাবে আছে। টুইট কৰাসকলক বৰুণে উন্মাদ আখ্যা দি কয় যে এইসকলক ভাৰতৰ মূলসুঁতিত প্ৰৱেশ কৰিবলৈ দিব নোৱাৰি। গুজৰাটৰ কংগ্ৰেছ নেতা হাৰ্দিক পেটেলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক দাবী কৰে যে গান্ধীৰ হত্যাকাৰীৰ জয়ধ্বনি দিয়াসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব লাগে। এইসকলৰ টুইটাৰ একাউণ্ট ব্লক কৰি এজাহাৰ দাখিল কৰিব লাগে বুলিও তেওঁ দাবী জনায়।

# উপ-নিৰ্বাচনত ৫৮ হেজাৰৰ

*এক পৃষ্ঠাৰ পৰা* বেনাৰ্জীৰ। ভৱানীপুৰৰ উপ-নিৰ্বাচনত কিমান ভোটৰ ব্যৱধানত তেওঁ বিজয়ী হ'ব তাকে লৈ জল্পনা-কল্পনা তুংগত আছিল। আজি পুৱাৰে পৰা সমগ্ৰ দেশবাসীৰ দৃষ্টি নিবদ্ধ আছিল পশ্চিমবংগৰ ভৱানীপুৰ সমষ্টিত। ভোটগণনাৰ আৰম্ভ হোৱাৰে পৰা আগুৱাই আছিল মমতা বেনাৰ্জী। বিজেপি প্ৰাৰ্থী প্ৰিয়ংকা টিব্ৰেৱালতকৈ বৃদ্ধি পায় তেওঁৰ ভোটৰ ব্যৱধান। তৃণমূল কংগ্ৰেছৰ বিভিন্নজনে দাবী কৰিছিল যে ৫০ৰ পৰা ৮০ হেজাৰ ভোটৰ ব্যৱধানত বিজয়ী হ'ব মমতা। এই আশা বাস্তৱত পৰিণত কৰি ৫৮ হেজাৰ ৮৩৫টা ভোটত বিজয়ী হ'ল মমতা। ইয়াৰ লগে লগে ভৱানীপুৰত তেওঁ বিজয়ৰ হেটট্ৰিক কৰিলে। তদুপৰি নিজৰ অভিলেখ নিজে ভাঙিলে। মমতাই দাবী কৰে যে এই সমষ্টিৰ প্ৰতিটো ৱাৰ্ডত তৃণমূল বিজয়ী হৈছিল। প্ৰাপ্ত তথ্য অনুসৰি, মুঠ ২১ ৰাউণ্ড ভোটগণনাত তৃণমূল নেত্ৰীগৰাকীয়ে লাভ কৰিলে ৮৫ হেজাৰ ২৬৩টা ভোট। প্ৰাপ্ত ভোটৰ হাৰ হৈছে ৭১.৯১ শতাংশ। প্ৰতিদ্বন্দ্বী বিজেপি প্ৰাৰ্থী প্ৰিয়ংকাই লাভ কৰিছে ২৬ হেজাৰ ৪২৮টা ভোট। তেওঁৰ প্ৰাপ্ত ভোটৰ হাৰ ২২.২৯ শতাংশ।

মমতাই কয়, ‘সকলো ভোটত বিজয়ী হৈও যেতিয়া এটা ভোটৰ বাবে জিকিব পৰা নাছিলো, তেতিয়া সমগ্ৰ বাংলাই অতি আঘাত পাইছিল। তাকে লৈ এতিয়া আৰু একো নকওঁ। আদালতত গোচৰ চলি আছে। বহু চক্ৰান্ত হৈছিল। বাংলাৰ মানুহে সকলো চক্ৰান্ত জব্দ কৰিছে। ভৱানীপুৰৰ মানুহৰ ওচৰত মই চিৰ ঋণী।’ মমতাই পুনৰ কয়, ‘কোনো ৱাৰ্ডত আমি হৰা নাই। এইটো প্ৰথম এটা প্ৰত্যাহ্বান আছিল। ২০১৬ত যেতিয়া প্ৰতিদ্বন্দ্বিতা কৰিছিলো তেতিয়া দুটা ৱাৰ্ডত ভোট কম পাইছিলো। এইবাৰ সকলো ৱাৰ্ডতে আমাৰ দল বিজয়ী হৈছে। আজি মন ভৰি পৰিল। ভৱানীপুৰৰ মানুহে দেখুৱাই দিলে।’ অৱশ্যে সমালোচনা কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি অধীৰৰঞ্জন চৌধুৰীয়ে কয় যে ভৱানীপুৰ মমতাৰ নিজৰ অঞ্চল হ'লেও মাত্ৰ ৫৩ শতাংশ মানুহে নিৰ্বাচনত অংশগ্ৰহণ কৰিছে। মমতাৰ প্ৰতি ভৱানীপুৰৰ মানুহৰ স্বতঃস্ফূৰ্ত উচ্ছ্বাস নাই বুলি তেওঁ কয়।

# দুদিনৰ আৰক্ষী জিম্মালৈ বিধায়ক

*এক পৃষ্ঠাৰ পৰা* আটক কৰি পাণবজাৰ আৰক্ষী থানালৈ লৈ গৈছিল আৰু নিশা পাণবজাৰ আৰক্ষীয়ে বিধায়কজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১৫৩/১৫৩ (এ) ধাৰাত ৰুজু হৈ থকা ৫১০/২০২১ নম্বৰৰ গোচৰত গ্ৰেপ্তাৰ কৰে। ইয়াৰ পাছতে আজি বিয়লি বিধায়ক আলীক কামৰূপ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাই ১০ দিনৰ জিম্মাত বিচাৰে যদিও আদালতে দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ বিধায়কজনক প্ৰেৰণ কৰে। অৱশ্যে বিধায়কজনৰ অধিবক্তাই জামিনৰ আবেদন দাখিল কৰে যদিও আদালতে ইয়াৰ শুনানি পৰৱৰ্তী সময়ত গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে বিধায়ক আলীয়ে অসম আন্দোলনৰ ছহিদক ঘাতক বুলি আখ্যা দিয়াৰ পাছতে ৰাজ্যৰ বিভিন্ন থানাত বহু দল-সংগঠনে বিধায়কজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে আৰু সৰ্বত্ৰে প্ৰতিবাদৰ জোৱাৰ উঠে। এই সন্দৰ্ভত গুৱাহাটী মহানগৰীতো দিছপুৰ, হাতীগাঁও, গীতানগৰ থানাত আলীৰ বিৰুদ্ধে গোচৰ ৰুজু হৈ আছে আৰু অসম জাতীয়তাবাদী পৰিষদ নামৰ সংগঠনটোৱে পাণবজাৰ থানাত দিয়া অভিযোগৰ ভিত্তিতে কালি আৰক্ষীয়ে বিধায়ক আলীক গ্ৰেপ্তাৰ কৰে। ঘটনাৰ সংক্ৰান্তত বৰ্তমানলৈ অসম আৰক্ষীয়ে কোনো কথা প্ৰকাশ কৰা নাই যদিও যোৱা নিশা পৰ্যন্ত পাণবজাৰ থানাত বিধায়ক আলীক কে'বাজনো শীৰ্ষ আৰক্ষী বিষয়াই জেৰা কৰে। বিধায়ক আলীক আটক কৰাৰ পাছত প্ৰথমাৱস্থাত দিছপুৰ আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ১৫৩/১৫৩(এ)/২৯৪/৫০০ ধাৰাত ৰুজু হৈ থকা ৩৫৯৮/২০২১ আৰু গীতানগৰ থানাত ভাৰতীয় দণ্ড বিধি ১৫৩/১৫৩(এ) ধাৰাত ৪০৭/২০২১ নম্বৰত ৰুজু হৈ থকা গোচৰত গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা আছিল যদিও নিশা পাণবজাৰ থানাত ৰুজু হৈ থকা গোচৰত গ্ৰেপ্তাৰ কৰা হয়। এই সন্দৰ্ভত আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, হাতীগাঁও থানাত এই সন্দৰ্ভত থকা অভিযোগ পাণবজাৰ থানাৰ গোচৰৰ লগত সংযুক্ত কৰা হৈছে। পৰৱৰ্তী সময়ত বিধায়ক আলীক দিছপুৰ আৰু গীতানগৰ আৰক্ষীয়ে জিম্মাত নাইবা গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা আছে বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে।

### বিধায়ক আলীৰ বিৰুদ্ধে অনুশাসন ব্যৱস্থা ল'বলৈ প্ৰদেশ কংগ্ৰেছলৈ প্ৰস্তাৱ বিধায়িনী দলৰ

বিধায়ক আলীয়ে কৰা মন্তব্য সন্দৰ্ভত কংগ্ৰেছ নেতৃত্বই কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিলেও কালি বিধায়কজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছতে আজি কংগ্ৰেছ বিধায়িনী দলৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। এই সন্দৰ্ভত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে বিধায়ক আলীয়ে যি মন্তব্য কৰিছিল সেয়া অপ্ৰয়োজনীয়। তেওঁৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সৰ্বসন্মতভাৱে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক কৰ্তৃত্ব প্ৰদান কৰা হৈছে। উল্লেখ্য যে বিধায়িনী দলে সেউজ সংকেত দিয়াৰ পাছতে আজি নিশা প্ৰদেশ কংগ্ৰেছৰ এখন সভা অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই কয় যে কংগ্ৰেছ বিধায়িনী দলে যি প্ৰস্তাৱ দিছে আজি নিশাৰ ভিতৰতে কাৰ্যকৰী হ'ব। ‘বিধায়ক আলীক যিখন আমি কাৰণ দৰ্শোৱাৰ জাননী দিছিলো, তাৰো সময়সীমা আজি নিশা লৈকে আছে। ইয়াৰ উত্তৰ আহিব নেকি তাৰ বাবে অপেক্ষা কৰা হৈছে।’ এইদৰে মন্তব্য কৰি সভাপতি বৰাই পুনৰ কয় যে সংবিধান অনুসৰি আজি ইয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। ইফালে, গ্ৰেপ্তাৰৰ পাছতো কংগ্ৰেছে বিধায়ক আলীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই বুলি শাসকীয় পক্ষই কৰা অভিযোগৰ উত্তৰ দি সভাপতি বৰাই কয়, ‘বিধানসভাত জয় বাংলাদেশ বুলি কোৱা মুখ্যমন্ত্ৰীৰ বিৰুদ্ধেও শাসকীয় পক্ষই আইনগত ব্যৱস্থা ল'বলৈ এটা বিবৃতি দিয়ক। কংগ্ৰেছে যি কৰিব সংবিধান অনুসৰি কৰিব। বিধায়িনী দলে যি প্ৰস্তাৱ দিছে তাক আমি সন্মান জনাম।’ উল্লেখ্য যে প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বই বিধায়কজনৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰি কংগ্ৰেছৰ অনুশাসন সমিতিলৈ এই সিদ্ধান্ত প্ৰেৰণ কৰিব। শেষত বিধায়কজনৰ বিৰুদ্ধে কেনে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব চূড়ান্ত সিদ্ধান্ত ল'ব বুলি দলৰ এক শীৰ্ষ সূত্ৰই সদৰী কৰে। অৱশ্যে প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই কিছু দিনৰ বাবে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব পৰা ক্ষমতা থকা বুলি প্ৰকাশ কৰে।

### গ্ৰেপ্তাৰৰ প্ৰতিবাদত বন্ধ কাৰ্যসূচী ৰূপায়ণ কৰি পদৰ পৰা বৰ্খাস্ত মন্দিয়া ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক

ইপিনে, বিধায়ক আলীক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত বন্ধ কাৰ্যসূচী ৰূপায়ণ কৰা বাঘবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত মন্দিয়া ব্লক কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ৰফিকুল ইছলামক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পদৰ পৰা বৰ্খাস্ত কৰিছে প্ৰদেশ কংগ্ৰেছে। দলৰ প্ৰশাসনিক সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই এনে প্ৰতিবাদে দলটোৰ ভাৱমূৰ্তি বিনষ্ট কৰাৰ লগতে দলৰ নীতি-নিয়ম ভংগ কৰা অপৰাধত ইছলামক বৰ্খাস্ত কৰা হৈছে বুলি সদৰী কৰিছে।

# গোসাঁইগাঁও-তামুলপুৰৰ উপ-নিৰ্বাচনৰ

*এক পৃষ্ঠাৰ পৰা* জলেন দৈমাৰীক। আজি কোকৰাঝাৰৰ ইউপিপিএলৰ মুখ্য কাৰ্যালয়ত দলৰ কাৰ্যকৰী সভাপতি ৰণগৌৰা নাৰ্জাৰীয়ে দলীয় প্ৰাৰ্থীদ্বয়ৰ নাম ঘোষণা কৰে।

উল্লেখ্য যে ৰাজ্যত এই মাহতে পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰে গোসাঁইগাঁও আৰু তামুলপুৰ সমষ্টিৰ বিধায়ক দুজনৰ মৃত্যু হোৱাত আসন দুখন খালী হয়। বিগত বিধানসভা নিৰ্বাচনত বিধায়কৰূপে নিৰ্বাচিত হোৱাৰ পাছতে গোসাঁইগাঁৱৰ বিপিএফ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰী আৰু তামুলপুৰৰ ইউপিপিএল বিধায়ক লেহুৰাম বড়ো প্ৰয়াত হয়। আজি এই দুটা সমষ্টিৰ বাবেই ইউপিপিএলৰ প্ৰাৰ্থী ঘোষণা কৰে। সংবাদমেলত এই ঘোষণা কৰি কাৰ্যকৰী সভাপতি নাৰ্জাৰীয়ে কয় যে বিটিআৰৰ দুয়োটা সমষ্টিতে ইউপিপিএলৰ প্ৰাৰ্থীয়ে নিশ্চিতৰূপে জয়লাভ কৰিব। নাৰ্জাৰীয়ে লগতে কয় যে বিজেপিৰে মিলি ইউপিপিএলে বিটিআৰৰ অন্তৰ্গত সমষ্টি দুটাত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে, উপ-নিৰ্বাচন হ'বলগীয়া আন এটা সমষ্টিত ভৱানীপুৰত বিজেপি প্ৰাৰ্থীক সহায় কৰিব বুলিও ইউপিপিএলৰ কাৰ্যকৰী সভাপতিজনে কয়। সংবাদমেলত কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰী, দলৰ সাধাৰণ সম্পাদক মাউথি ব্ৰহ্ম হাজোৱাৰী আৰু বিটিআৰৰ পাৰিষদ মাধৱ ছেত্ৰী আদি উপস্থিত থাকে। ইপিনে, তামুলপুৰৰ দলীয় প্ৰাৰ্থীৰূপে দৈমাৰীৰ নাম ঘোষণা কৰাৰ লগে লগে সমষ্টিটোত নেতা-কৰ্মীসকলৰ মাজত উচ্ছ্বাসৰ ঢল বয়। সমষ্টিটোৰ অন্তৰ্গত কুমাৰীকাটা মৌজাৰ লতিবাৰী গাঁও নিবাসী দৈমাৰীৰ নাম ঘোষণাৰ লগে লগে আতচবাজীৰে আনন্দ প্ৰকাশ কৰাৰ লগতে লৈ সমদল কৰি প্ৰাৰ্থীজনক দৰংগাজুলি ব্লক ইউপিপিএলৰ কাৰ্যালয়লৈ আদৰি আনে। উল্লেখ্য যে বাগ্‌সা জিলা এবছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক দৈমাৰীয়ে পৰৱৰ্তী সময়ত ইউপিপিএলত যোগ দিদৰংগাজুলি ব্লক ইউপিপিএলৰ উপ-সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। কুমাৰীকাটাৰ বড়ো মাধ্যমৰ শিক্ষানুষ্ঠান ইউ এন একাডেমীৰ অধ্যক্ষ দৈমাৰীয়ে প্ৰাৰ্থিত্ব লাভৰ পাছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত কয়, ‘মই আজি খুবেই আনন্দিত। তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত ইউপিপিএল দলে মোক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বাবে প্ৰথমে মই ইউপিপিএল দলৰ সভাপতি প্ৰমোদ বড়ো, বিজেপি দলৰ সভাপতি ভবেশ কলিতা, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই, জিএছপি দলৰ মুৰব্বী সাংসদ নৱ কুমাৰ শৰণীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ বিশ্বাস, তামুলপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত তামুলপুৰ সমষ্টিৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমৰ্থনত লক্ষাধিক ভোটত মই জয়ী হ'ম।’ উপ-নিৰ্বাচনত তেওঁৰ কোনো প্ৰতিদ্বন্দ্বী নাথাকিব বুলি দাবী কৰি দৈমাৰীয়ে লগতে কয় যে জয়ী হ'লে তেওঁ সমষ্টিটোৰ সকলো জাতি-জনগোষ্ঠীৰ হৈ কাম কৰিবলৈ প্ৰয়াস কৰিব।

# দিনে-নিশাই পাঠদান ছাচাৰাম ৰেল

*এক পৃষ্ঠাৰ পৰা* নিজৰ ঘৰৰ পৰা মাইলৰ পাছত মাইল খোজকাঢ়ি উপস্থিত হয় বিহাৰৰ ছাচাৰাম ৰেল ষ্টেচনত। নিজৰ ঘৰত বা গাঁৱত নাই বিজুলী বাতিৰ ব্যৱস্থা। সেয়েহে প্ৰতিদিনে ৰেলৱে ষ্টেচনৰ চৌহদৰ উজ্জ্বল পোহৰত পঢ়া-শুনা কৰিবলৈ সমবেত হৈ আহিছে এইসকল অদম্য ছাত্ৰ-ছাত্ৰীয়ে। অৱশ্যে বিদ্যাসাগৰতকৈ এইসকল ছাত্ৰ-ছাত্ৰী কিছু সৌভাগ্যৱান। কাৰণ তেওঁলোকে বিহাৰৰ ছাচাৰাম ৰেল ষ্টেচনত সন্ধিয়াৰ পৰা পুৱতি নিশালৈকে বিজুলী বাতিৰ উজ্জ্বল পোহৰত শিক্ষা গ্ৰহণ কৰিব পাৰে। তদুপৰি অকলে নহয়, ইজনে আনজনৰ স'তে আলাপ আলোচনা কৰি অধ্যয়নৰ সুযোগো লাভ কৰিছে বিহাৰৰ এইসকল ছাত্ৰ-ছাত্ৰীয়ে। তদুপৰি তেওঁলোকক পাঠদান কৰাৰ বাবে আছে এদল অভিজ্ঞ শিক্ষক। প্ৰতিদিনে এইসকল শিক্ষকে উক্ত স্থানত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীক শিক্ষাদানত ব্ৰতী হৈ আহিছে।

ছাচাৰাম ৰেল ষ্টেচনৰ এইসকল ছাত্ৰ-ছাত্ৰীৰ সৰহসংখ্যকে এই স্থানলৈ আহে ১৯ কিলোমিটাৰ দূৰত থকা ৰোহটাছেৰৰ কেইখনমান গাঁৱৰ পৰা। মাইলৰ পাছত মাইল ধৰি খোজকাঢ়ি অথবা চাইকেলত উঠি এইসকল ছাত্ৰ-ছাত্ৰীয়ে ছাচাৰাম ৰেল ষ্টেচন চৌহদত উপস্থিত হয়। গাঁৱত দিনে-ৰাতিয়ে প্ৰায়ে বিদ্যুতৰ যোগান নাথাকে। তদুপৰি মাওবাদী সন্ত্ৰাসৰ ফলতো সকলো সময়তে ৰোহটাছেৰ এইসমূহ গ্ৰামাঞ্চলৰবাসীয়ে শংকাৰে জীৱন যাপন কৰি আহিছে। এনে এক পৰিস্থিতিত ৰোহটাছেৰৰ ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ নিশ্চিন্ত মনৰে অধ্যয়ন কৰিব? এইসকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভৰিত থিয় দিবলৈ শিক্ষাগ্ৰহণৰ এক পৰিৱেশৰ সন্ধানতে নিজ গাঁৱৰ পৰা এদিন উপস্থিত হৈছিল ছাচাৰাম ৰেলৱে ষ্টেচনত। তেওঁলোকৰ একমাত্ৰ লক্ষ্য হৈছে চৰকাৰী চাকৰিত নিযুক্তি লাভ। আমোলাৰ চাকৰি বিশেষকৈ ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ), ভাৰতীয় আৰক্ষী সেৱা (আই পি এছ)ৰ দৰে সৰ্বভাৰতীয় নিয়োগ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ এইদৰে বিহাৰৰ এই ৰেল ষ্টেচনটোত সমবেত হৈ ছাত্ৰ-ছাত্ৰীয়ে বিজুলী বাতিৰ পোহৰত অধ্যয়ন কৰি আহিছে। অনেকে এই স্থানতে মাজনিশালৈকে পাঠগ্ৰহণ কৰি আহিছে ৰাজ্যিক পৰ্যায়ৰ প্ৰশাসনিক সেৱাৰ পৰীক্ষাসমূহৰ বাবেও। তদুপৰি ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'ল'জী (আই আই টি), ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট (আই আই এম)ৰ দৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'বলৈকো বহু ছাত্ৰ-ছাত্ৰীয়ে ছাচাৰামৰ এইখন মুক্ত শিক্ষানুষ্ঠানত সমবেত হৈছে। আনকি ষ্টেচনটোত ৰেলযাত্ৰীসকলেও ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত ব্যস্ত থকা প্ৰত্যক্ষ কৰি ৰেলত উঠা-নমা কৰাৰ ক্ষেত্ৰত বিশেষ হৈ-চৈ নকৰে।

কেৱল লিখিত পৰীক্ষাৰ প্ৰস্তুতিয়ে নহয়, উক্ত পৰীক্ষাৰ সাক্ষাৎকাৰৰ প্ৰশিক্ষণো ছাচাৰামৰ মুক্ত বিদ্যালয়ত প্ৰদান কৰা হয় আৰু এতিয়ালৈকে বহু ছাত্ৰ-ছাত্ৰীয়ে ইয়াতে অধ্যয়ন কৰি এনেবোৰ পৰীক্ষাত সন্মানৰে উত্তীৰ্ণ হৈছে। প্ৰতিদিন পুৱা আৰু গধূলি দুঘণ্টাকৈ ক'চিং ক্লাছ অনুষ্ঠিত হয়। ছাচাৰাম ৰেল ষ্টেচনৰ প্লেটফৰ্মতে পঢ়োৱা হয় ইংৰাজী, হিন্দীসহ বিভিন্ন ভাষা, গণিত, কাৰেণ্ট এফেয়াৰ্ছ আৰু ৰিজনিং বিষয়। দিন-ৰাতিৰ দুঘণ্টাৰ ক'চিং ক্লাছৰ বাদেও দিনৰ পৰা নিশালৈকে ছাচাৰাম ৰেল ষ্টেচনত বহি পঢ়া-শুনা কৰাৰ সুযোগ দিয়াৰ বাবে ৫০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক পৰিচয়পত্ৰ প্ৰদান কৰিছে ছাচাৰাম ৰেল ষ্টেচন কৰ্তৃপক্ষই। যাতে ছাত্ৰ-ছাত্ৰীসকলে ষ্টেচনত প্ৰৱেশ আৰু প্ৰস্থানৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'ব নালাগে। অৱশ্যে বহু ছাত্ৰ-ছাত্ৰীয়ে নিশাৰ ক'চিং ক্লাছৰ পাছত পুনৰ মাইলৰ পাছত মাইল খোজকাঢ়ি বাসগৃহলৈ উভতি নাযায়। এইসকল ছাত্ৰ-ছাত্ৰীয়ে একেৰাহে তিনি-চাৰিদিন বা এক-দুই সপ্তাহ ধৰি ষ্টেচনতে থাকে। তদুপৰি ছাচাৰামতে ছাত্ৰ-ছাত্ৰীৰ বাবে আছে আই আই টি বা আই আই এমৰ ব'ৰ্ডিং বা হোষ্টেল। ইয়াতো একাংশ ছাত্ৰ-ছাত্ৰীয়ে বাহৰ পাতি আহিছে।

# ইপাৰ-সিপাৰ কোন পাৰ?

*এক পৃষ্ঠাৰ পৰা* অভাৱ পৰিলক্ষিত হৈছে। সেয়েহে উদ্বেগ বাঢ়িছে যদিও সমাধানৰ পথ দৃষ্টিগোচৰ হোৱা নাই।

কৰ'নাই প্ৰতিখন দেশৰ অৰ্থনীতিত মাধমাৰ সোধোৱাৰ পূৰ্বৰে পৰা জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহতাই বিপৰ্যয়ৰ ইংগিত বহন কৰি আহিছিল। কৰ'নাই বিশ্বক যি অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন কৰিলে, সি মানৱ সমাজৰ ইতিহাসতে এক ভয়ংকৰ ক্ষতচিহ্ন এৰি থৈ গ'ল। অৱশ্যে এই কথাও ঠিক যে কৰ'না আছিল সম্পূৰ্ণ আকস্মিক। ইয়াৰ বিপৰীতে মানৱ জাতিয়ে স্বেচ্ছাই আদৰি আনিছে জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহ বিপৰ্যয়ক। কেৱল নিজৰ লোলুপ ক্ষুধা পূৰণৰ বাবে মানৱ সমাজে তিল তিলকৈ ধ্বংস কৰিছে প্ৰকৃতি আৰু ইয়াৰ ভাৰসাম্যক। ফলস্বৰূপে মাত্ৰা চেৰাই যোৱা প্ৰদূষণে অৱধাৰিত কৰি তুলিছে জলবায়ু পৰিৱৰ্তন। ইয়াৰ ফলস্বৰূপে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগে দেশে দেশে বিপৰ্যয়ৰ সৃষ্টি কৰিছে। আন বাদেই, সম্প্ৰতি অসমতে তাৰ পূৰ্ণ প্ৰভাৱ পৰিলক্ষিত হৈছে। বানপানীৰ ৰাজ্যৰূপে চিহ্নিত অসমত ২২ শতাংশ বৃষ্টিপাত হ্ৰাস পাইছে চলিত বৰ্ষত। শাৰদী কোমল ঋতুতো প্ৰচণ্ড উত্তাপত অসমবাসীয়ে ত্ৰাহি মধুসূদন সুঁৱৰিবলগীয়া হৈছে। অন্যান্য স্থানতো বতৰৰ ব্যাপক পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এনেদৰে পৰিৱেশক লৈও মানৱ জাতি আজি চৰম অনিশ্চয়তাত ভুগিবলগীয়া হৈছে। তথাপি কোনেও ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰা নাই। কাৰণ অন্তহীন ক্ষুধা!

অকল এয়ে নহয়, প্ৰতিখন দেশতে বিভিন্ন সমস্যাৰ সমাহাৰ। দেশ ভিন্ন হ'লেও তেনেবোৰ সমস্যাই কোনো নহয় কোনো প্ৰকাৰে অন্যান্য দেশবোৰকো চুই গৈছে। গোলকীয়কৰণে যিদৰে বেহা-বাণিজ্য বা সা-সামগ্ৰী সুলভ কৰি তুলিছে, তেনেদৰেই সমস্যাসমূহেও সকলো দেশকে প্ৰভাৱিত কৰিছে। শেহতীয়া এক ঘটনাই ইয়াক অধিক স্পষ্ট কৰি তোলে। বিগত কিছুদিন ধৰি সমগ্ৰ পৃথিৱীতে বিভিন্ন সামগ্ৰীৰ নাটনিয়ে সমস্যাৰ সৃষ্টি কৰিছে। বিভিন্ন যন্ত্ৰাংশৰ পৰা আৰম্ভ কৰি পুতলালৈকে বহু জৰুৰী সামগ্ৰীৰ বজাৰত নাটনিয়ে দেখা দিছে। ফলস্বৰূপে উৎপাদন বাধাগ্ৰস্ত হৈছে। বজাৰত চাহিদা আছে যদিও যোগানৰ ব্যাপক নাটনি ঘটিছে। সামগ্ৰী উৎপাদন, যোগান আৰু বিক্ৰীৰ যি শৃংখলাই চাহিদা অনুসৰি বজাৰ সুচল কৰি ৰাখে, সেই শৃংখলাত ব্যাঘাত ঘটাটোৱে ইয়াৰ এক অন্যতম কাৰণৰূপে চিহ্নিত হৈছে। সন্দেহ নাই যে কৰ'না অতিমাৰী হৈছে ইয়াৰ আন এক গুৰুত্বপূৰ্ণ কাৰণ; কিয়নো কৰ'না প্ৰতিৰোধৰ বাবে বলবৎ কৰা তলাবন্ধৰ পৰিপ্ৰেক্ষিতত কল-কাৰখানাসমূহ দীৰ্ঘদিনৰ বাবে বন্ধ কৰি ৰাখিবলগীয়া হোৱাৰ ফলত শ্ৰমিক শক্তি হ্ৰাস পায়। আমেৰিকা, ইংলণ্ড প্ৰমুখ্যে বহু উন্নত দেশত শ্ৰমিক আনকি ট্ৰাকচালক পৰ্যন্ত নাটনিৰ সমস্যাৰ সৃষ্টি হৈছে। ইয়ে উৎপাদনৰ ক্ষেত্ৰত আন এক সমস্যাৰ সৃষ্টি কৰিছে। বন্দৰত খালাচী আদি শ্ৰমিক-কৰ্মচাৰীৰ অভাৱত জাহাজ ৰখাবলৈ অথবা সামগ্ৰী উঠা-নমা কৰাবলৈ সমস্যাৰ সৃষ্টি হোৱাটো উল্লেখনীয়। ইয়াৰ উপৰি জলপৰিবহণ বাধাগ্ৰস্ত হোৱাৰ ফলত উল্লেখিত শৃংখলটোত যথেষ্ট বিৰূপ প্ৰভাৱ পৰে। শেহতীয়া তথ্য অনুসৰি পৃথিৱীৰ ৯০ শতাংশ সামগ্ৰী সমুদ্ৰ পথেৰে সৰবৰাহ হয়। ইউৰোপ আৰু এছিয়াৰ মাজত সামগ্ৰী সৰবৰাহৰ বাবে চুৱেজ খাল তুলনামূলকভাৱে এক চুটি পথ। এই পথছোৱাতে এখন বিশাল মালবাহী জাহাজ দীৰ্ঘদিন ধৰি আবদ্ধ হৈ থকাত সমগ্ৰ যাতায়াত ব্যৱস্থাটোৱে বাধাগ্ৰস্ত হৈ পৰে। ফলস্বৰূপে সামগ্ৰীৰ নাটনিয়ে কেৱল নহয়, ব্যাপক হাৰত মূল্যবৃদ্ধিও ঘটে। গতিকে এটা জলপথত এখন মাত্ৰ জাহাজ আবদ্ধ হৈ পৰাত বিভিন্ন দেশলৈ ই কেনে সুদূৰ প্ৰসাৰী প্ৰভাৱ কঢ়িয়াই আনিলে, সিয়েই সমগ্ৰ পৰিৱেশটো দাঙি ধৰে।

এই ক্ষেত্ৰত আন এক উল্লেখনীয় দিশ হৈছে— কৰ'নাই সৃষ্টি কৰা আৰ্থিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰতিখন দেশেই পাৰ্যমানে পৰনিৰ্ভৰশীলতা হ্ৰাস কৰি নিজস্ব উৎপাদন বৃদ্ধি তথা সামগ্ৰীৰ চাহিদা আৰু যোগানৰ শৃংখলটো শক্তিশালী কৰাত সৰ্বশক্তি প্ৰয়োগ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে চীনক ইংগিত কৰি কৈছিল যে জৰুৰীকালীন সময়ছোৱাত তেওঁৰ দেশে আনৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব নিবিচাৰে। ভাৰতেও চীনৰ পৰা আমদানি হ্ৰাসৰ বাবে বিগত গালৱান উপত্যকাৰ সংঘৰ্ষৰ পাছৰে পৰাই প্ৰচেষ্টা চলাই আহিছে। কৰ'নাৰ দৰে জটিল পৰিস্থিতিত পৰনিৰ্ভৰশীলতা কিমান বিপজ্জনক হ'ব পাৰে, সেয়া প্ৰতিখন দেশেই উপলব্ধি কৰিছে আৰু নিজ নিজ সামৰ্থ্যৰ মাধ্যমত এই ক্ষেত্ৰত সক্ৰিয় হৈছে; কিন্তু এনে প্ৰক্ৰিয়াই আনহাতে আন্তৰ্জাতিক যোগান শৃংখলত বিৰূপ প্ৰভাৱ পেলাইছে।

গোলকীয় অৰ্থনীতিত সামগ্ৰী যোগানৰ শৃংখলে এক অসামান্য ভূমিকা পালন কৰি আহিছে; কিয়নো একো একোটা সামগ্ৰীৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় বিভিন্ন যন্ত্ৰাংশ আন আন দেশৰ পৰা আমদানি কৰা হয়। গতিকে সেই যন্ত্ৰাংশসমূহ সঠিক সময়ত পৰ্যাপ্তভাৱে উপলব্ধ নহ'লে উৎপাদন বাধাগ্ৰস্ত হোৱাটো স্বাভাৱিক। উদাহৰণ স্বৰূপে বিভিন্ন বাহন নিৰ্মাতা কোম্পানীয়ে ছেমি কণ্ডাক্টৰ চিপ ব্যৱহাৰ কৰে। যিকোনো বাহন অথবা বিভিন্ন বৈদ্যুতিক সামগ্ৰীৰ বাবে এনে ছেমি কণ্ডাক্টৰৰ প্ৰয়োজন; কিন্তু লেপটপ আৰু বৈদ্যুতিক সামগ্ৰীৰ বিক্ৰী বৃদ্ধিৰ ফলত এই চিপ অধিক হাৰত ব্যৱহাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত বজাৰত ইয়াৰ চাহিদা বৃদ্ধি আৰু যোগান হ্ৰাস পায়। ফলস্বৰূপে অধিকাংশ গাড়ী নিৰ্মাতা কোম্পানীয়েই ৩০-৪০ শতাংশ পৰ্যন্ত উৎপাদন হ্ৰাস কৰিবলৈ বাধ্য হৈ পৰে— সেয়া টয়োটাই হওক অথবা মাৰুতি ছুজুকীয়ে হওক। গতিকে পৃথিৱীয়ে আজি কেনেদৰে কাম কৰি আছে সেই কথা এনেবোৰ ঘটনাই স্পষ্টৰূপত দাঙি ধৰে। সুদূৰ আমেৰিকা অথবা চীন অথবা চুৱেজ খালত সৃষ্টি হোৱা এটা সমস্যাই কিদৰে আমাৰ জীৱনক প্ৰভাৱিত কৰিব পাৰে আৰু তাৰ অধিক ব্যাখ্যা নিষ্প্ৰয়োজন। গোলকীয় অৰ্থনীতিয়ে আমাৰ সন্মুখত সামগ্ৰীৰ পাহাৰ তুলি ধৰিছে, বহুবোৰ সামগ্ৰী সস্তাও হৈছে কিন্তু তাৰ লগে লগে এই প্ৰশ্নৰ অৱতাৰণা হৈছে যে আমি কি উৎপাদন কৰিছো আৰু কিমান উপভোগ কৰিছো? সেইবোৰ ক'ত কেনেদৰে উৎপাদন কৰা হৈছে! যিমানে ক্ষমতাশালী অথবা বিত্তশালী নহওক কিয়, সম্প্ৰতি প্ৰতিখন দেশেই আনৰ ওপৰত নিৰ্ভৰশীল— কোনোবা চাহিদাৰ বাবে আন কোনোবা যোগানৰ বাবে হ'লেও। কোৱা হৈছে যে গোলকীয় অৰ্থনীতিয়ে সমগ্ৰ বিশ্বকে একেটা পৰিয়ালত পৰিণত কৰাৰ দিশত অগ্ৰসৰ হৈছে। যদি সিয়েই হয়, তেন্তে এজন সদস্যৰ সমস্যাক যিদৰে পৰিয়ালৰ সকলোৱে মিলি সমাধানৰ চেষ্টা কৰে তেনেদৰেই এখন দেশৰ সমস্যা আন সকলো দেশে মিলি সমাধানৰ পৰিকাঠামো গঢ়ি তুলিব লাগিব। কেৱল বজাৰৰ স্বাৰ্থৰ পৰিৱৰ্তে সুচল জীৱন যাত্ৰাৰ বাবে পাৰস্পৰিক নিৰ্ভৰশীলতা গঢ়ি তোলাৰ পথ নিৰ্দেশনাৰ বাবে আজি বাৰ্ট্ৰাণ্ড ৰাছেল, মহাত্মা গান্ধী, ৰোমা ৰোঁলা, লিঅ' টলষ্টয় অথবা মাও চে তুং, লেনিন আদৰ দৰে বৌদ্ধিক নেতৃত্বৰ প্ৰয়োজনীয়তা অনুভূত হৈছে।

এনে প্ৰেক্ষাপটত আজি আমাৰ অসমৰ স্থান ক'ত? আজি এফালে গোলকীয়কৰণে উপলব্ধ কৰোৱা সকলো সেৱা-সামগ্ৰী উপভোগ কৰিছো আৰু আনহাতে জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে সংৰক্ষণ বিচাৰিছো। এই কথাত দ্বিমত নাই যে সাম্প্ৰতিক আৰ্থিক পৰিস্থিতিয়ে বিশ্বজুৰি ধনীক শ্ৰেণীক অধিক ধনী আৰু দুখীয়াক অধিক দুখীয়া কৰি তুলিছে। সেই বাবেই আনকি চীন চৰকাৰেও শেহতীয়াভাৱে এনে বৈষম্য হ্ৰাসৰ বাবে দেশৰ আৰ্থিক নীতিৰ পুনৰ বিশ্লেষণ আৰম্ভ কৰিছে। বৃহৎ কোম্পানীসমূহৰ ওপৰত কৌশলেৰে লেকাম লগাইছে জি জিনপিং চৰকাৰে। ভাৰততো প্ৰতিদিনে আমি একেখন ছবিয়ে দেখিবলৈ পাইছো যদিও এই ক্ষেত্ৰত চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰা নাযায়। সি যি কি নহওক, অসমৰ দৰে ৰাজ্যত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্তাসমূহ অহৰহ অস্তিত্বৰ সংকটত ভুগিবলগীয়া হৈছে। অথচ উৎপাদনৰ জৰিয়তে অৰ্থনীতিত আমি কোনো অৱিহণা যোগাবলৈ সক্ষম হোৱা নাই। শাসক পক্ষয়ো নিজৰ ৰাজনৈতিক উদ্দেশ্য পূৰণৰ স্বাৰ্থত উৎপাদন বৃদ্ধিত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে হিতাধিকাৰীকেন্দ্ৰিক ব্যৱস্থাটোকে অধিক উৎসাহিত কৰিছে। এই কথা ঠিক যে প্ৰতিজন নাগৰিককে আৰ্থিকভাৱে স্বাৱলম্বী কৰি তুলিব নোৱৰালৈকে স্বাধীনতাৰ কোনো অৰ্থ নাই; কিন্তু তাৰ বাবে প্ৰয়োজনীয় পৰিৱেশ তথা মানসিক পৰিৱৰ্তন সুদূৰ পৰাহত হৈয়ে আছে। দৰাচলতে চূড়ান্ত প্ৰতিযোগিতামূলক আজিৰ এই বজাৰ অৰ্থনীতিৰ বাবে আমি কোনো ধৰণেই সাজু হৈ উঠিব পৰা নাই; কিয়নো তাৰ পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়াস কেতিয়াও কৰা হোৱা নাই। ফলস্বৰূপে সামগ্ৰিক আৰ্থিক প্ৰেক্ষাপটত আমি নিজৰ অস্তিত্ব হেৰুওৱাৰ আশংকাত বিতত হ'বলগীয়া হৈছে। জলবায়ু পৰিৱৰ্তন ৰোধৰ ক্ষেত্ৰত প্ৰতিখন দেশ আৰু প্ৰতিজন মানুহৰে দায়িত্ব আৰু কৰ্তব্য আছে। দেশ বা স্থান ভিন্ন বুলি আমি ইয়াৰ পৰা হাত সাৰি থাকিব নোৱাৰো; কিয়নো অৱশেষত ই আমাৰ সকলোকে প্ৰভাৱিত কৰিবই। তেনেদৰেই গোলকীয় অৰ্থনীতিৰ মেৰপেচৰ পৰাও আমি বাহিৰত থকাৰ কোনো সুযোগ নাই। সেয়েহে ইয়াৰ যোগ্য অংশীদাৰ হ'বলৈ নিজকে প্ৰস্তুত কৰি তোলাহে সময়ৰ আহ্বান।

*ফোন : ৯৪৩৫০১০৬৭৩*

## পৰ্যটকৰ বাবে মুকলি হ'ল বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ অক্টোবৰ ঃ** পৰ্যটকৰ বাবে যোৱা ৩০ ছেপ্টেম্বৰত পুনৰ মুকলি কৰা হ'ল বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ। এই উপলক্ষে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ মূল্য প্ৰৱেশদ্বাৰত আয়োজিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে মানাহৰ প্ৰৱেশদ্বাৰ পৰ্যটকৰ বাবে মুকলি কৰে বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে। ইয়াৰ পূৰ্বে বাঁহবাৰী ৰেঞ্জ কাৰ্যালয়ৰ পৰা বিভাগীয় কে'বাটাও হাতী, বিহু, ঝুমুৰ, খেৰাই, আয়তী নামতী, বন বিভাগৰ লোক, স্থানীয় লোক মিলি এক শোভাযাত্ৰাৰে মূল প্ৰৱেশদ্বাৰলৈ অতিথিসকলক আদৰি অনা হয়। আজিৰ এই মুকলি অনুষ্ঠানত ৰঞ্জিত বসুমতাৰীৰ উপৰি বিটিআৰৰ বন বিভাগৰ চিএইছডি অনুৰাগ সিং, মানাহৰ ক্ষেত্ৰ সঞ্চালক অমল চন্দ্ৰ শৰ্মা, বন বিষয়া ধৰণীধৰ বড়ো, বাঁহবাৰী বনাঞ্চলিক সংমণ্ডলৰ বিষয়া বাবুল ব্ৰহ্ম, কামেশ্বৰ বড়ো, প্ৰাক্তন এনডিএফবি নেতা জি বিদাই, শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্যকে ধৰি বন বিভাগৰ বহু বিষয়াৰ লগতে বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে। মানাহৰ দ্বাৰ মুকলিৰ পাছত বিভাগীয় হাতীসমূহক খাদ্য সামগ্ৰী খুওৱাৰ লগতে হাতী ছাফাৰীৰো ব্যৱস্থা কৰা হয়।

## জাগীৰোড কাগজ কলটো পুনৰুজ্জীৱিতৰ দাবী ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ অক্টোবৰ ঃ** কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ চূড়ান্ত অৱহেলা তথা ব্যৰ্থ উদ্যোগনীতিৰ বাবেই প্ৰায় পাঁচ বছৰ পূৰ্বে বন্ধ হৈ গৈছিল জাগীৰোডস্থিত নগাঁও কাগজ কল। লাভজনকভাৱে উৎপাদন কৰি থকা অৱস্থাত কলটো কিয় হঠাৎ বন্ধ কৰি দিয়া হ'ল সেয়া আজি পৰ্যন্ত ৰহস্যৰ বিষয় হৈ থাকিল বুলি যোৱা ২৯ ছেপ্টেম্বৰত মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সম্পাদক ৰূপজ্যোতি মেধিয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰে যে যোৱা পাঁচ বছৰে কাগজ কলৰ শ-শ বিষয়া-কৰ্মচাৰীৰ পৰিয়াললৈ আৰ্থিক দুৰ্যোগ নামি সমান্তৰালকৈ উদ্যোগটোক কেন্দ্ৰ কৰি মধ্য অসমত গঢ়ি উঠা অৰ্থনৈতিক স্বচ্ছলতাৰ পৰিৱেশটোৱেই সমুলঞ্চে ধ্বংস হৈ পৰে। ছাত্ৰ সন্থাই কাগজ কলটো পুনৰুজ্জীৱিত কৰাৰ লগতে কৰ্মচাৰীসকলৰ প্ৰাপ্য ধন মোকলাই দিয়াৰ দাবীত বিগত সময়ছোৱাত ধাৰাবাহিক আন্দোলন অব্যাহত ৰাখিছো। বিগত চৰকাৰখনে গোটেই কাৰ্যকালটো কেৱল প্ৰতিশ্ৰুতি প্ৰদান কৰিয়েই কটালে। চৰকাৰৰ চকুৰ আগতেই কে'বাজনো কৰ্মচাৰীয়ে আৰ্থিক দৈন্যৰে যুঁজিব নোৱাৰি আত্মহত্যা কৰিলে, ভাল চিকিৎসাৰ অভাৱত প্ৰায় এশজন লোকে প্ৰাণ হেৰুৱালে, অনেক ছাত্ৰ-ছাত্ৰীৰ শিক্ষাজীৱনলৈ অমানিশা নামি আহিল, অথচ কাগজ কলটো জীয়াই তোলাৰ কোনো দৃঢ় পদক্ষেপ চৰকাৰে হাতত নল'লে। এতিয়া নতুন চৰকাৰে কৰ্মচাৰীসকলৰ প্ৰাপ্য ধন মোকলাই দিবলৈ সিদ্ধান্ত লৈছে। বিষয়া-কৰ্মচাৰীৰ সংগঠনৰ লগত দেনা-পাওনা সম্পৰ্কে আলোচনা কৰি বিষয়টো নিষ্পত্তি কৰিবলৈ আগবাঢ়িছে।

আৰ্থিক দৈন্যৰে অহৰহ যুঁজি অহা এই কৰ্মচাৰীসকলক প্ৰাপ্য ধন আদায় দিয়াটো ছাত্ৰ সন্থাৰ অবিচল দাবী। এই দাবী পূৰণ কৰিবলৈ চৰকাৰে লোৱা পদক্ষেপ ইতিবাচক। যোগ্যসকলক পুনৰ সংস্থাপনৰ দিহা কৰাটোও ছাত্ৰ সন্থাই আদৰণি জনাইছো। এতিয়া কাগজকলটো সম্পৰ্কেও চৰকাৰে এক স্পষ্ট উদ্যোগনীতি ঘোষণা কৰক। কৰ্মচাৰীসকলে প্ৰাপ্য লাভ কৰাৰ সমানেই প্ৰতিষ্ঠানটো ৰক্ষা কৰাটোও জৰুৰী। কৰ্মচাৰীসকলৰ স'তে দেনা-বিবাদ নিষ্পত্তি কৰাৰ বিনিময়ত উদ্যোগটো মাৰি পেলাবলৈ দিয়া নহ'ব। জাগীৰোডস্থিত নগাঁও কাগজ কলটো জিলাখনৰ একমাত্ৰ বৃহৎ উদ্যোগ। এই উদ্যোগটো জীয়াই তুলিবই লাগিব। চৰকাৰে প্ৰয়োজনত নতুন কৰ্মচাৰী, নতুন সা-সৰঞ্জামৰে স'তে এই কাগজ কল জীয়াই তোলক অথবা ব্যক্তিগত খণ্ডক গতাই হ'লেও আধুনিক আৰু বহনক্ষম এটি কাগজ কল খোলাৰ ব্যৱস্থা কৰক। তদুপৰি এই কাগজ কলটোৰ অধীনত থকা শ-শ বিঘা ভূমিৰো সুপ্ৰয়োগ হ'ব লাগিব। বানবিধ্বস্ত অৰ্থনীতিত জুৰুলা মৰিগাঁও জিলাখন উদ্যোগৰ ক্ষেত্ৰতো অত্যন্ত পিছপৰা। সেয়েহে জাগীৰোডস্থিত কাগজ কলৰ এই বিশাল ভূখণ্ড এক অত্যাধুনিক ঔদ্যোগিক ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিব লাগে। চৰকাৰে পৰিকল্পিত পদক্ষেপৰ জৰিয়তে জিলাখনৰ নিবনুৱা যুৱক-যুৱতীক এই উদ্যোগসমূহত সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি মৰিগাঁও জিলা ছাত্ৰ সন্থাই উল্লেখ কৰে। বকেয়া আদায়ৰ নামত জিলাখনৰ একমাত্ৰ উদ্যোগটোও ধ্বংস কৰিলে কোনো কাৰণত মানি লোৱা নহ'ব বুলি জিলা ছাত্ৰ সন্থাই প্ৰকাশ কৰিছে।

## ■ জামুগুৰিহাটত বজাৰত কেঁচা শাক-পাচলিত অত্যাধিক দামে জুৰুলা কৰিছে ৰাইজক

# দৈনিক বজাৰ কৰিবলৈ গৈ হতবাক ক্ৰেতা

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৩ অক্টোবৰ ঃ** জামুগুৰিহাটৰ বজাৰত কেঁচা শাক-পাচলিৰ অত্যধিক দামে ৰাইজক হতবাক কৰি তুলিছে। যোৱা এসপ্তাহৰ ভিতৰত কেঁচা শাক-পাচলিৰ দুগুণ মূল্যবৃদ্ধিয়ে চিন্তিত কৰি তুলিছে ক্ৰেতা ৰাইজক। জামুগুৰিহাটাৰ বজাৰত এক কেজি ভেণ্ডিৰ দাম এতিয়া ৮০ টকা, বডিমাহৰ কেজি ৮০ টকা, কেঁচা জলকীয়াৰ কেজি ১২০ টকা হোৱাৰ বিপৰীতে বিলাহীৰ কেজি ৬০ টকালৈ বৃদ্ধি হৈছে। কেঁচা শাক-পাচলিৰ চৰা দামৰ বাবেই এতিয়া বজাৰ কৰিবলৈ গৈ থমকি ৰ'ব লগা হৈছে ক্ৰেতা। কেজি ৪০ টকাৰ তলত কোনো শাক-পাচলিয়েই বজাৰত উপলব্ধ নোহোৱাত সৰ্বসাধৰণ ৰাইজ বিপদত পৰা পৰিলক্ষিত হৈছে। উৎপাদনস্থলীত শাক-পাচলিৰ মূল্য কম যদিও বজাৰ আহি পোৱাৰ পাছতে কেঁচা শাক-পাচলিৰ অত্যধিক মূল্যবৃদ্ধি ঘটাৰ আঁৰত কোনো মধ্যভোগীৰ হাত থকা বুলিয়েই ৰাইজে এতিয়া অভিযোগ উত্থাপন কৰিছে। ক'ৰনা কালত ইতিমধ্যে ৰাইজৰ অৰ্থনৈতিক অৱস্থা শোচনীয় হৈ পৰাৰ পাছত এতিয়া শাক-পাচলিৰ অত্যধিক মূল্যবৃদ্ধিয়ে ৰাইজক কোঙা কৰি পেলাইছে। বজাৰত কেঁচা শাক-পাচলিৰ অত্যধিক মূল্যবৃদ্ধি ঘটাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগক তদন্ত কৰিবলৈ দাবী জনাইছে ৰাইজে।



*বিজেপি চৰাইদেউ জিলা সমিতিৰ উদ্যোগত সোনাই পুখুৰীত স্বচ্ছ ভাৰত অভিযান, দেওবাৰে।*

## 'তৰ্জমা'ৰ উদ্যোগত নলবাৰীত অনুবাদ কবি সন্মিলন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ অক্টোবৰ ঃ** আন্তৰ্জাতিক অনুবাদ দিৱস উপলক্ষে নলবাৰীত যোৱা ৩০ ছেপ্টেম্বৰত 'তৰ্জমা'ৰ উদ্যোগত অনুবাদ কবি সন্মিলন অনুষ্ঠিত হয়। বিশিষ্ট কবি-ঔপন্যাসিক-সমালোচক পংকজ গোবিন্দ মেধিৰ একক প্ৰচেষ্টাত প্ৰকাশিত 'তৰ্জমা' নামৰ মাহেকীয়া আলোচনীখনৰ উদ্যোগত নলবাৰীৰ নন্দেশ্বৰ শইকীয়া ভৱনত সন্ধিয়া আন্তৰ্জাতিক অনুবাদ দিৱস উপলক্ষে অনুবাদ কবি সন্মিলন অনুষ্ঠিত হয়। কবি নৱজ্যোতি পাঠকে আঁত ধৰা অনুবাদ কবি সন্মিলনখনত কে'বাগৰাকীও প্ৰতিষ্ঠিত কবিয়ে অনুবাদ কবিতা পাঠ কৰে। বিশেষকৈ কবি ড° ৰঞ্জনা ভট্টাচাৰ্য, ড° বিনয় মজুমদাৰ, বিপুল কুমাৰ দত্ত, শান্তনু শৰ্মা, মানসজ্যোতি শৰ্মা, হীৰেন্দ্ৰ কুমাৰ শৰ্মা, কমল কুমাৰ জৈন, অজিত মহন্ত, স্মৃতিৰেখা সোণোৱাল, ভুৱনেশ্বৰ ডেকা, জেচমিন হুছেইন, উমেশ দত্ত, নিতুল দত্ত, দীপাংকৰ দত্ত, প্ৰদ্যুম্ন শৰ্মা, পাৰমিতা মেধি, বিকাশ ভাৰ্গৱ শৰ্মা, গণেশ বৰ্মন, অঞ্জলি দত্ত, বনশ্ৰী চৌধুৰী, প্ৰিয়ম আদিত্য, তৰুলতা বৈশ্য আদিয়ে অনুবাদ কবিতা পাঠ কৰে। সন্মিলনত পঠিত অনুবাদ কবিতা সন্দৰ্ভত চমু বক্তব্য আগবঢ়াই আবেদুৰ ৰহমানে। উক্ত অনুষ্ঠানতে 'তৰ্জমা'ৰ অক্টোবৰৰ সংখ্যাটো উন্মোচন কৰা হয়। ভালেকেইগৰাকী বিশিষ্ট কবিৰ লগতে 'অসম টাইম'ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমানেও 'তৰ্জমা'খন উন্মোচন কৰে।

## হজুৱাত দ্বিভাষিক কবিতা পাঠৰ অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ৩ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ হজুৱাত চি কে প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ কাৰ্যালয়ত যোৱা ২৫ ছেপ্টেম্বৰ আবেলি তিনি বজাত অসমীয়া আৰু বড়ো ভাষাত এক দ্বিভাষিক কবিতা পাঠৰ অনুষ্ঠান সম্পন্ন হয়। চি কে প্ৰাইমাৰী বড়ো সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত বসুমতাৰীৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত হৰিহৰ ব্ৰহ্ম, গোবিন্দ নাৰ্জাৰী, বিনীতা উজীৰ বসুমতাৰী, মতিন্দ্ৰ দৈমাৰী, চন্দ্ৰকান্ত বসুমতাৰী, হেনাৰাণী বসুমতাৰী, মহিমা বসুমতাৰী আদিয়ে বড়ো ভাষাত আৰু গুণজিৎ দাস, জিতু কাশ্যপ, প্ৰাণজিৎ শৰ্মা, ভাস্কৰজ্যোতি চৌধুৰী, হৰিহৰ দাস আদিকে ধৰি কে'বাগৰাকীও কবিয়ে অসমীয়া ভাষাত কবিতা পাঠ কৰে।

## ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা সীমান্ত শৰ্মালৈ ছিনিয়ৰ ফেল'শ্বিপ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩ অক্টোবৰ ঃ** অসমৰ লোককলা পুতলা নাচ প্ৰায় নিশ্চিহ্ন হৈ যোৱাৰ ক্ষণতে গৱেষণাৰ বাবে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা নাট্যকাৰ, পৰিচালক, অভিনেতা তথা পুতলা নাচৰ শিল্পী সীমান্ত শৰ্মা ২০১৯-২০ৰ ছিনিয়ৰ ফেল'শ্বিপৰ বাবে মনোনীত হৈছে। সীমান্ত শৰ্মাৰ গৱেষণাৰ বিষয় 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পুতলা নাচৰ এক তুলনামূলক অধ্যয়ন'। শৰ্মাই অসমৰ লোককলা প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে। অসমৰ লোককলাৰ ওপৰত বহুকেইখন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় গৱেষণামূলক সাময়িক পত্ৰিকা আৰু কিতাপৰ লেখা প্ৰকাশ পাইছে। তদুপৰি অসম তথা ভাৰতৰ চৰকাৰৰ অধীনৰ বহুকেইখন সাংস্কৃতিক কাৰ্যক্ৰমত পুতলা নাচ আৰু নাটক পৰিৱেশন হৈছে। সীমান্ত শৰ্মা অসমৰ সাংস্কৃতিক প্ৰশিক্ষণ কেন্দ্ৰ সুৰজিৎ একাডেমীৰ সভাপতি আৰু শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত অধ্যাপনা কৰি আছে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মা আৰু আমিনগাঁও এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী শশীপ্ৰভা দেৱীৰ তৃতীয় পুত্ৰ।

## মাৰৈ-বিজুলীবাৰী হাইস্কুলৰ শিক্ষক মথুৰা নাথ বৰাক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৩ অক্টোবৰ ঃ** ছিপাঝাৰ অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান মাৰৈ-বিজুলীবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক মথুৰা নাথ বৰাই সুদীৰ্ঘ ৩০ বছৰ শিক্ষকতাৰ বৃত্তিত জড়িত থাকি যোৱা ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰিছিল যদিও ক'ভিড-১৯ৰ বাবে বিদ্যালয় বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত যোৱা পহিলা অক্টোবৰত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে বিদায় সম্বৰ্ধনা জনায়। ক'ভিড প্ৰট'কল মানি বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত শিক্ষক মথুৰা নাথ বৰাক এখন ফুলাম গামোচ, মানপত্ৰ, শৰাই, জাপি, গ্ৰন্থ, ছাতি, অংগ-বস্ত্ৰ আদিৰে সম্বৰ্ধনা জনায়। সহকাৰী শিক্ষক এম হাফিজ আলীয়ে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষক মকিবৰ ৰহমানে সভাপতিত্ব কৰে। সভাত বিদ্যালয়ৰ সহকাৰী শিক্ষক ভূপেন নাথ, চন্দ্ৰমা ভূঞা, শৰৎ নাথ আদিয়ে বক্তব্য ৰাখে। সভাত বিদায়ী শিক্ষক মথুৰা নাথ বৰাই শিক্ষকতা জীৱন সোঁৱৰণ কৰি আবেগিক হৈ পৰে। অনুষ্ঠানত উপস্থিত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰদ্ধাৰ শিক্ষকজনক সম্বৰ্ধনা জনোৱাৰ উপৰি বক্তব্য ৰাখে।

## শুৱালকুছিত সমাজ কল্যাণ বিভাগৰ ৰাষ্ট্ৰীয় পোষণ অভিযান

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩ অক্টোবৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ মন্ত্ৰণালয়ৰ নিৰ্দেশ মৰ্মে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ উদ্যোগত এক নম্বৰ শুৱালকুছি চক্ৰৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে পোষণ অভিযান চলায়। এই উদ্দেশ্য এক নম্বৰ শুৱালকুছি চক্ৰৰ মুখ্য সেৱিকা চৈৰ্য ঠাকুৰীয়াৰ নেতৃত্বত ৰাইজক পোষণ সন্দৰ্ভত সজাগ কৰাৰ বাবে এক শোভাযাত্ৰা উলিয়ায়। শুৱালকুছি মাজতোলৰ মহাকাল মন্দিৰ প্ৰাংগণৰ পৰা উলিওৱা শোভাযাত্ৰাত অংশগ্ৰহণ কৰা অংগনৱাড়ী কৰ্মী সহায়িকা, আশা কৰ্মী তথা কিশোৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ 'প্ৰসূতিৰ যত্ন লওক, নিয়মিতভাৱে শিশুক পুষ্টিকৰ খাদ্য খুৱাওক, শিশুৰ যত্ন লওক, ছমাহলৈ শিশুক মাকৰ গাখীৰ খুৱাওক, ৰাষ্ট্ৰীয় পোষণ মাহ সফল কৰক, যোগ সু-স্বাস্থ্যৰ মহামন্ত্ৰ' আদি শ্ল'গান দিয়ে। ইয়াৰ পাছতে কিটচেন গাৰ্ডেন মুকলি কৰে হাজো সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া চৈয়দ ড° নাছিউৰ ৰহমানে। পাছত মহাকাল মন্দিৰ প্ৰাংগণ প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। শুৱালকুছি খণ্ডৰ মুখ্য সেৱিকা চৈৰ্য ঠাকুৰীয়াই আঁত ধৰা সভাত হাজোৰ প্ৰকল্প বিষয়া নাছিউৰ ৰহমানে পোষণ মাহ হিচাপে পালন কৰিবলৈ কি কি কাৰ্যসূচী ৰূপায়ণ কৰিব লাগে, সেই বিষয়ত বিতংকৈ বুজাই দিয়ে। তেওঁ পোষণ মাহ, পুষ্টিকৰ আহাৰ, শিশুৰ যত্ন, প্ৰতিগৰাকী গৰ্ভৱতী মহিলাই ল'ব লগা যত্ন সন্দৰ্ভত প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে গৈ অংগনৱাড়ী কৰ্মী-সহায়িকাসকলক বুজাই দিবলৈ আহ্বান জনায়।

## জনস্বাস্থ্য কাৰিকৰী সংমণ্ডল টংলাৰ একেদিনাই পাঁচখনকৈ পানী যোগান আঁচনিৰ আৰম্ভ

### ■ ১০ খন গাঁও সভা অনুষ্ঠিত

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৩ অক্টোবৰ ঃ** গান্ধী জয়ন্তী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাতিৰ পিতা মহাত্মা গান্ধীৰ স্বৰাজ ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা আঁচনিৰ অংশ হিচাপে কালি জনস্বাস্থ্য কাৰিকৰী টংলা সংমণ্ডলে জিলাখনৰ আমজুলী, এলাবাৰী, ৰাজাগড়, নিজচিনাকনা আৰু কুহিয়াৰকুছিৰ ভিচিডিচিসহ পাঁচটা ভিচিডিচি ক্ৰমে আমজুলী পানী যোগান আঁচনি, দুই নম্বৰ চিকাৰীডঙা ক্ষুদ্ৰ পানী যোগান আঁচনি, ঝাৰুৱা বস্তি বৌদ্ধ মন্দিৰ পানী যোগান আঁচনি, জালুকবাৰী পানী যোগান আঁচনি আৰু উত্তৰ বগৰীবাৰী পানী যোগান আঁচনিকে আদি কৰি পাঁচখন উদ্বোধন কৰা হয়। ইয়াৰ উপৰি জিলাখনৰ টংলা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনস্থ ফাঁচীয়া, হৰিশিঙা, খাওৰাং, ডিমাকুছি, ৰঙা গাঁও আদি কৰি ১০খন গাঁৱত সংমণ্ডল বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত গাঁওসভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ অংশ হিচাপে আজি খৈৰাবাৰীস্থিত জালুকবাৰী পানী যোগান আঁচনিখন মাংগলিক পৰম্পৰাৰে উদ্বোধন কৰে চিনাকনা ভিচিডিচিৰ চেয়াৰমেন অংশুমান বড়োই. অনুষ্ঠানত উপস্থিত থাকে টংলা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰদীপ হাজৰিকা, কনিষ্ঠ অভিযন্তা মৃদুল বৰুৱা আৰু বৃহত্তৰ জালুকবাৰী আৰু ওমানন্দ গাঁৱৰ ৰাইজ। অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত ৰাজহুৱা সভাত অংশুমান বড়োই কয় যে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থাই প্ৰতিজন ব্যক্তিক নিৰোগী হৈ থকাত সহায় কৰে। একেখন সভাতে সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰদীপ হাজৰিকাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাপুজীৰ স্বৰাজ ভাৰতৰ সপোন বাস্তৱায়িত কৰিবলৈ সমগ্ৰ দেশতে গঢ়ি উঠা জল জীৱন আঁচনিৰ অধীনত গঢ়ি উঠা ঘৰে ঘৰে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা সফল হোৱাৰ দিশে। তেওঁ আৰু কয় যে ওদালগুৰি জিলাৰ প্ৰতি ঘৰ পৰিয়ালক বিশুদ্ধ খোৱা পানী ঘৰে ঘৰে যোগান ধৰিবলৈ ওদালগুৰি জিলা অনাময় আৰু পানী যোগান সমিতিৰ লগতে জল জীৱন মিছন সমিতিয়ে অংগীকাৰবদ্ধ।

## শিক্ষয়িত্ৰীৰ বিদায় সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাধ্যক্ষা জেউতি ভূঞা বৰাই ৩০ ছেপ্টেম্বৰত কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। এই উপলক্ষে বিদ্যালয়খনৰ অধ্যক্ষ প্ৰতাপ সিঙৰ সভাপতিত্বত অনুষ্ঠিত শিক্ষয়িত্ৰীগৰাকীৰ বিদায় সম্বৰ্ধনা সভাত ছাত্ৰ-ছাত্ৰীসকলৰ মৰমৰ মাজত জীৱনৰ সৰহখিনি সময় বিলাই দি অৱসৰৰ দিনটোত সতীৰ্থ শিক্ষক-শিক্ষয়িত্ৰীসকলৰে থকা সম্পৰ্কৰ কথা দোহাৰি আবেগ বিহ্বল হৈ পৰে ভাৰপ্ৰাপ্ত উপাধ্যক্ষা ভূঞা বৰা। সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি তথা অঞ্চলৰ ৰাইজে শিক্ষয়িত্ৰীগৰাকীৰ কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰি কৃতজ্ঞতা প্ৰকাশ কৰে।

## জাপাৰকুছিত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ অক্টোবৰ ঃ** নলবাৰী চহৰৰ পাৰ্শ্ববৰ্তী জাপাৰকুছি জ্যেষ্ঠ নাগৰিক সভাৰ উদ্যোগত জাপাৰকুছি গ্ৰাম্য পুথিভঁৰালত পহিলা অক্টোবৰত বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উদ্‌যাপন কৰা হয়। পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে ৰজনী বৰ্মন আৰু বাবুল বৰ্মনে। তাৰ পাছত জাপাৰকুছি গ্ৰাম্য পুথিভঁৰাল প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত কৰে। জাপাৰকুছি জ্যেষ্ঠ নাগৰিক সভাৰ সম্পাদক বিনন্দ হাজৰিকাই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অৱসৰপ্ৰাপ্ত শিক্ষক গৌৰী বৰ্মনে। জাপাৰকুছি জ্যেষ্ঠ নাগৰিক সভাৰ সভাপতি ৰজনী বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাত কে'বাগৰাকী বিশিষ্ট অতিথিৰ লগতে শতাধিক জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। ইফালে, বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস উপলক্ষে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক কৌশিক বৰ্মনৰ নেতৃত্বত জ্যেষ্ঠ নাগৰিকসকলক মাস্ক আৰু ছেনিটাইজাৰ বিতাৰণ কৰে।

## পৰিসীমা বৃদ্ধিৰ বাবে দিনে নিশাই খনন কৰিছে পাহাৰৰ ৰঙামাটি

### ■ ডি জে এগ্ৰোৰ বিৰুদ্ধে মান্দাকাটাত চৰকাৰী ভূমি বেদখলৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৩ অক্টোবৰ ঃ** কামৰূপ জিলাৰ মান্দাকাটা বাগানত থকা ডি জে এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল প্ৰজেক্ট প্ৰাইভেট লিমিটেড নামৰ কোম্পানীটোৰ বিৰুদ্ধে দৈনিক অবৈধভাৱে পাহাৰ কাটি নিজৰ পৰিসীমা বৃদ্ধি কৰি অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। পৰিসীমা বৃদ্ধিৰ বাবে দিনে-নিশা খনন কৰা পাহাৰৰ ৰঙামাটি আৰু শিল গোপনে সৰবৰাহ কৰি থকাৰো অভিযোগ উত্থাপিত হৈছে ডি জে এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল প্ৰজেক্ট প্ৰাইভেট লিমিটেড নামৰ কোম্পানীটোৰ বিৰুদ্ধে। মান্দাকাটা বাগানত থকা এই বস্তা কোম্পানীৰ প্ৰকৃততে বৈধ মাটি কিমান আৰু অবৈধভাৱে দখল কৰি ৰাখিছে কিমান সেয়াও বৰ্তমান সময়ত এক গুৰুতৰ প্ৰশ্ন। তথ্য মতে, অনা অসমীয়া ব্যৱসায়ীৰ কোম্পানীটোৱে ইতিমধ্যে নিজৰ ভূমিৰ উপৰিও যথেষ্ট পৰিমাণে চৰকাৰী ভূমি বেদখল কৰি ৰাখিছে। তৎসত্বেও কোম্পানীটোৰ এনে অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে ৰহস্যজনকভাৱে মৌনতা অৱলম্বন কৰিছে কামৰূপ জিলা প্ৰশাসনে। বস্তা কোম্পানীটোৰ এই সকলোবোৰ কাৰ্যকলাপ ৰোধৰ ক্ষেত্ৰত কামৰূপ জিলা উপায়ুক্তক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে সচেতন ৰাইজে।

তদুপৰি অনা-অসমীয়া কৰ্মচাৰীৰে ভৰি থকা কোম্পানীটোত অসমীয়া যুৱক-যুৱতীৰ পৰিৱৰ্তে বহিৰাগত বনুৱা আমদানি কৰি কোম্পানীৰ প্ৰাৰম্ভিক কাম-কাজ চলাই থকা বুলি অভিযোগ তুলি কোম্পানী কৰ্তৃপক্ষৰ বিৰুদ্ধে ইতিমধ্যে সৰৱ হৈ উঠিছে বঞ্চিত একাংশ স্থানীয় নিবনুৱা যুৱক-যুৱতী। বঞ্চিত যুৱক-যুৱতী। বঞ্চিত যুৱক-যুৱতীসকলে কৰা অভিযোগ মতে স্থানীয় দুই এগৰাকী দালালৰ বংশ পৰিয়ালৰ লোকৰ বাহিৰে স্থানীয় সাধাৰণ নিবনুৱা যুৱক-যুৱতীয়ে কোম্পানীটোত তাতবাটি কাঢ়িও কোনো সুফল লাভ কৰিবলৈ সক্ষম হোৱা নাই। কোম্পানীটোৰ উঠি ৰজা বহিৰজা হৈ পৰা এচাম স্থানীয় দালাল আৰু ডি জে এগ্ৰো ইণ্ডাষ্ট্ৰিয়েল প্ৰজেক্ট প্ৰাইভেট লিমিটেড কৰ্তৃপক্ষৰ এনে কাৰ্যৰ বিৰুদ্ধে শীঘ্ৰে আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলিও একাংশ স্থানীয় বঞ্চিত নিবনুৱাই জানিব দিছে।

## উড়িয়া জনগোষ্ঠীৰ 'নুৱা খাই ভেট ঘাট পৰৱ' আৰু সাংস্কৃতিক সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩ অক্টোবৰ ঃ** তামুলপুৰ মহকুমাৰ অন্তৰ্গত নাগ্ৰীজুলি চাহ বাগিচা মজদুৰ জিৰণি চ'ৰা প্ৰাংগণত অলপতে দিনজোৱা কাৰ্যসূচীৰে উড়িয়া জনগোষ্ঠীৰ নুৱা খাই ভেট ঘাট উৎসৱ আৰু উড়িয়া সাংস্কৃতিক উৎসৱ উদ্‌যাপন কৰা হয়। পুৱাৰ ভাগত উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ৰাজু লোহাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাসে। সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰি নিজৰ চমু ভাষণত বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাসে কয়, 'উড়িয়াসকল অসমীয়া সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ। নিজস্ব ভাষা আৰু লিপি থকা উড়িয়াসকল বাৰে বৰণীয়া সংস্কৃতিৰ ভৰপূৰ এটা চহকী জনগোষ্ঠী।' উক্ত সভাত বিটিচিৰ কাৰ্যবাহী সদস্য তথা উড়িয়া ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা সঞ্জয় তাম্ভিয়ে উড়িয়াসকলৰ ভাষা-সাহিত্য-কৃষ্টি সংস্কৃতি সম্পৰ্কে চমু বক্তব্য দাঙি ধৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ সভাপতি লক্ষ্মীধৰ তাম্ভিয়ে কয় যে উড়িয়াসকলৰ পৰম্পৰাগত কৃষি ভিত্তিক উৎসৱ নুৱা খাই ভেট পৰৱ। ওড়িছাৰ লগতে ৰাজ্যৰ বিভিন্ন চাহ বাগিচাত বসবাস কৰা উড়িয়া জনগোষ্ঠীৰ লোকসকলেও প্ৰতিবছৰে পালন কৰি কৰে এই নুৱা খাই ভেট পৰৱ। কিন্তু অসমত বসবাস কৰা ৫০ লক্ষাধিক উড়িয়া জনগোষ্ঠীৰ লোকৰ মাজত উড়িয়াসকলৰ পৰম্পৰাগত কৃষ্টি-সংস্কৃতি, ভাষা আজি হেৰাই যোৱাৰ উপক্ৰম হৈছে। উড়িয়াসকলৰ পৰম্পৰাগত কৃষ্টি-সংস্কৃতি, ভাষা আজি হেৰাই যোৱাৰ উপক্ৰম হৈছে। উড়িয়া যুৱ ছাত্ৰ পৰিষদে আমাৰ ভাষা কৃষ্টি, সংস্কৃতি জীয়াই ৰখাৰ বাবে এক পদক্ষেপ গ্ৰহণ কৰিছে। উড়িয়াসকলৰ চি চহকী কৃষ্টি-সংস্কৃতি তাক জীয়াই ৰাখিবলৈ নতুন প্ৰজন্মৰ মাজত চিনাকি কৰি দিবলৈ জ্যেষ্ঠসকলে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। সমান্তৰালভাৱে আমি শিক্ষিত হ'ব লাগিব। উড়িয়া জনগোষ্ঠীৰ প্ৰতিগৰাকী অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক শিক্ষাগ্ৰহণ কৰাৰ বাবে বিদ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। ভাষণ প্ৰসংগত উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ নেতাজনে কয় যে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰৰ ওচৰত অসমত বসবাস কৰা উড়িয়াসকলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে আমি দাবী জনাই আহিছো। কিন্তু আমাৰ দাবীসমূহ বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। চৰকাৰে অন্যান্য জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ উন্নয়ন তথা শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যি সুবিধা দিছে উড়িয়া জনগোষ্ঠীৰ লোকসকলেও সেই সুবিধা পাব লাগে বুলিও দাবী জনায়। উড়িয়াসকলক সংবিধান প্ৰদত্ত নিজস্ব ভাষা তথা লিপি থকাৰ পাছতো অসমৰ বিদ্যালয়সমূহত আজিলৈকে উড়িয়া ভাষাত শিক্ষাদানৰ ব্যৱস্থা নহ'ল বুলি মন্তব্য কৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অচিৰেই উড়িয়া জনগোষ্ঠীৰ লোকসকলৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে নতুন শিক্ষানীতিৰ আধাৰত উড়িয়া জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে নতুন প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষাৰ স্বাৰ্থত প্ৰাথমিক পৰ্যায়ত উড়িয়া ভাষাত পাঠদান কৰাৰ লগতে হাইস্কুল পৰ্যায়লৈকে উড়িয়া ভাষাটোক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়। বাগ্‌সা জিলা উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ৰাজু লোহাই সভাপতিত্ব কৰা আৰু নাগ্ৰীজুলি আঞ্চলিক উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক চৌচানন্দ তান্তি আঁত ধৰা অনুষ্ঠানত উড়িয়া যুৱ ছাত্ৰ পৰিষদৰ শিক্ষা সম্পাদক ডাঃ কৰ্ণ নাগ, উপ-সভাপতি অজিত নাগ, নাগ্ৰীজুলি চাহবাগিচাৰ পৰিচালক কে'বাজনো উড়িয়া জনগোষ্ঠীৰ সমাজকৰ্মীৰ লগতে নাগ্ৰীজুলি আঞ্চলিক আটচা, বেংগলী ফেডাৰেছনৰ সভাপতি-সম্পাদক উপস্থিত থাকে।

## অন্তিম সময়ত প্ৰধানমন্ত্ৰীৰে পোনপটীয়া বাৰ্তালাপৰ পৰা বাদ পৰিল ৰাজ্যৰ হলেশ্বৰ পঞ্চায়ত

### ■ তেজপুৰত গান্ধী জয়ন্তী উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩ অক্টোবৰ ঃ** সকলো ব্যৱস্থা সম্পূৰ্ণ কৰাৰ পাছতো দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স'তে বাৰ্তালাপ কৰাৰ পৰা কালি অন্তিম মুহূৰ্তত বঞ্চিত হ'ল তেজপুৰৰ হলেশ্বৰ গাঁও পঞ্চায়তৰ সভানেত্ৰীগৰাকী। চৰকাৰী নিৰ্দেশ অনুসৰিয়েই গান্ধী জয়ন্তীৰ দিনটোত স্বচ্ছতা, পানী যোগান আদি বিষয়সমূহৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে দেশৰ পাঁচখন ৰাজ্যৰ পাঁচ পঞ্চায়ত সভাপতিৰ স'তে বাৰ্তালাপ কৰাৰ যি সূচী প্ৰস্তুত কৰা হৈছিল সেই সূচীত ৰাজ্যৰ হলেশ্বৰ গাঁও পঞ্চায়তৰ নামো আছিল। কিন্তু যোৱা নিশা ৰাজ্যৰ পঞ্চায়তখনক এই সূচীৰ পৰা অজ্ঞাত কাৰণত বাদ দিয়া হয়। উল্লেখ্য যে জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫২ সংখ্যক জন্মদিন উদ্‌যাপনৰ লগতে দেশৰ স্বাধীনতাৰ গৌৰৱোজ্জ্বল ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে দেশৰ কেন্দ্ৰীয় চৰকাৰে সূচনা কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ সামৰণি অনুষ্ঠান তেজপুৰতো অনুষ্ঠিত হয়। অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰৰ জলশক্তি মন্ত্ৰণালয় আৰু খোৱাপানী আৰু অনাময় বিভাগে স্বচ্ছতাক আন্দোলনলৈ পৰিণত কৰাৰ উদ্দেশ্যে আৰম্ভ কৰিছিল 'স্বচ্ছতাই সেৱা ২০২১' শীৰ্ষক পথেকজোৱা বিশেষ অভিযানৰ। যোৱা ১৫ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হোৱা কাৰ্যসূচীৰ আজি সামৰণি পৰে। সেয়ে আজিৰ এই বিশেষ দিনটোত জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫২ সংখ্যক জন্মদিন তথা গান্ধী জয়ন্তীৰ লগতে জিলাখনত স্বচ্ছ ভাৰত দিৱস উদ্‌যাপন কৰা হয়। শোণিতপুৰ জিলা পানী আৰু অনাময় সমিতি তথা জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া উদ্যোগত এই উদ্দেশ্যে জিলাখনৰ ৮২ খন গাঁও পঞ্চায়তত গাঁওসভা অনুষ্ঠিত কৰা হয়। তদুপৰি হলেশ্বৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত হলেশ্বৰ মন্দিৰ প্ৰাংগণত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত এখন বিশেষ গাঁওসভা অনুষ্ঠিত হয়। সভাত প্ৰধানমন্ত্ৰীয়ে জল জীৱন মিছন সন্দৰ্ভত পঞ্চায়ত প্ৰতিনিধি, পানী উপভোক্তা সমিতি, গাঁও পানী আৰু অনাময় সমিতিৰ বিষয়ববীয়াৰ স'তে হোৱা সংবাদ অনুষ্ঠানৰ পোনপটীয়া প্ৰদৰ্শন কৰা হয়। সভাত প্ৰথমে মহামানৱ মহাত্মা গান্ধীৰ ছবিত পুষ। পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। ইয়াৰ পাছত হলেশ্বৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী সঞ্জু দাসে জল জীৱন মিছনৰ লগতে পঞ্চায়তত আঁচনি ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভতো উপস্থিত ৰাইজক অৱগত কৰে। অনুষ্ঠানত একক ব্যৱহাৰ্য্য প্লাষ্টিকৰ ব্যৱহাৰ নিৰ্মূলকৰণৰ ওপৰত শপত গ্ৰহণ তথা গোটা আৰু জুলীয়া আৱৰ্জনা নিষ্কাসনৰ পুস্তিকা বিতৰণ কৰা হয়। অনুষ্ঠানত একক ব্যৱহাৰ্য্য প্লাষ্টিকৰ ব্যৱহাৰ নিৰ্মূলকৰণ ওপৰত শপত গ্ৰহণ তথা গোটা আৰু জুলীয়া আৱৰ্জনা নিষ্কাসনৰ পুস্তিকা বিতৰণ কৰা হয়। বিশেষ কাৰ্যসূচীত অসমৰ জল জীৱন আঁচনিৰ যুটীয়া মিছন সঞ্চালক মৃদুল যাদৱ, মহকুমাধিপতি দীপ্তি মৰাং, তেজপুৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা আলি আকবৰ চৌধুৰী, হলেশ্বৰ অঞ্চলৰ ব্যক্তি জিতেন বৰঠাকুৰ, প্ৰমোদ নাথ প্ৰমুখ্যে ৰাইজ তথা চৰকাৰী বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

## পাঁচ, ছয় অক্টোবৰত ৩৬ ঘণ্টীয়া ডিমাৰাজি বন্ধৰ ঘোষণা প্ৰাক্তন ডি এইছ ডিৰ

■ শান্তি চুক্তি উলংঘা কৰি প্ৰবঞ্চনা

অগ্ৰদূত বাৰ্তা

**লংকা, ৩ অক্টোবৰ ঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে শান্তি চুক্তি উলংঘা কৰি প্ৰতাৰণাৰ অভিযোগ তুলি অহা পাঁচ আৰু ছয় অক্টোবৰত ৩৬ ঘণ্টীয়া ডিমাৰাজি বন্ধৰ আহ্বান দিছে প্ৰাক্তন ডি এইছ ডি সংগঠনে। আজি লংকা বৰ্মন পথাৰত আয়োজিত এক সংবাদমেলত সম্প্ৰতি অস্ত্ৰবিৰতিত থকা ডি এইছ ডিৰ মুখ্য সেনাধ্যক্ষ আলংকা ডিমাচাই কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে শান্তি চুক্তি উলংঘা কৰি তেওঁলোকক প্ৰতাৰণা কৰিছে। ভাৰতবৰ্ষৰ সংবিধানৰ দুই আৰু তিনি অনুচ্ছেদ মতে ডিমাৰাজি ৰাজ্য গঠন, শান্তিচুক্তি ৰূপায়ণ, প্ৰাক্তন ডি এইছ ডি সদস্যসকলক শীঘ্ৰে পুনৰ সংস্থাপন, বৰ্মন উন্নয়ন ব'ৰ্ডখন পৰিষদলৈ উন্নীত কৰাকে ধৰি কে'বাটাও দাবী পূৰণ নকৰাৰ প্ৰতিবাদত এই বন্ধৰ ঘোষণা কৰা বুলি সদৰী কৰে আলংকা ডিমাছাই। সংগঠনটোৰ এই বন্ধ সম্পূৰ্ণৰূপে শান্তিপূৰ্ণ হ'ব বুলি তেওঁ কয়। আনহাতে, প্ৰাক্তন ডি এইছ ডি সদস্যসকলে কিছুদিন পূৰ্বে ডিয়ুং ৰেঞ্জাৰ বিলত পাঁচ ট্ৰাক চালক-হেণ্ডিমেনক হত্যাৰ ঘটনাৰ নিন্দা কৰে। আজিৰ এই সংবাদমেলত যুদ্ধবিৰত প্ৰাক্তন ডি এইছ ডি সদস্যসকল উপস্থিত থাকে।

## তেজপুৰৰ ৩৫ কিলোমিটাৰ পথত ৰেলযাত্ৰা

■ বৈদ্যুতিন বিভাগৰ দ্বাৰা ক্ষুদ্ৰ ৰেল প্ৰকল্প প্ৰদৰ্শন ব্যয় হ'ব ১৩০ কোটি টকা

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩ অক্টোবৰ ঃ** তেজপুৰ বিশ্ববিদ্যালয়ৰ বৈদ্যুতিন বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা তথা তেজপুৰ চহৰৰ মাজেৰে ডেকাগাঁৱৰ পৰা জাহাজঘাটস্থিত পুৰণা ৰেল ষ্টেছন আৰু ইয়াৰ পৰা দোলাবাৰী হৈ নপামৰ তেজপুৰ বিশ্ববিদ্যালয়লৈ এক কম খৰচি ক্ষুদ্ৰ ৰেলসেৱা ব্যৱস্থাৰ এক বিশেষ পৰিকল্পনা কৰা হৈছে। ৰাজ্যৰ ভিতৰতে প্ৰথম এই ভৱিষ্যৎমুখী পৰিকল্পনা যুগুত কৰি তাৰ সবিশেষ বিশ্ববিদ্যালয়খনৰ বৈদ্যুতিন বিভাগে তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু অতিৰিক্ত উপায়ুক্ত ৰমী বৰুৱাৰ সন্মুখত প্ৰদৰ্শন কৰে। অসমীয়া ক্লাবৰ বালিৰাম লহকৰ সভাগৃহত তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মানবেন্দ্ৰ ভূঞাই ৰাজ্যৰ ভিতৰতে এই বিশেষ লঘু ৰেলসেৱা সফল হ'লে তেজপুৰ চহৰলৈ কেনে এক যুগান্তকাৰী পৰিৱৰ্তন আনিব সেই বিষয়ে অৱগত কৰে। বিশ্ববিদ্যালয়খনৰ অধ্যাপক ড° শান্তনু শৰ্মাৰ তত্ত্বাৱধানত গৱেষণা সহায়ওক হিচাপে কাম কৰা কৃতাঞ্জলি দাসে এই প্ৰকল্পৰ খচৰা পৰিকল্পনাৰ সবিশেষ প্ৰকাশ কৰি তেজপুৰৰ দৰে এখন চহৰৰ বাবে এনে ক্ষুদ্ৰ ৰেলসেৱা কিদৰে পাৰিপাৰ্শ্বিক দিশতো উপযোগী হৈ উঠিব পাৰে আৰু সৰ্বসাধাৰণৰ কম ব্যয়বহুল যাতায়াত ব্যৱস্থা হৈ উঠিব পাৰে তাৰো সবিশেষ ব্যাখ্যা আগবঢ়ায়। এই ক্ষেত্ৰত তেওঁক সহায় কৰে আন এগৰাকী সহযোগী গৱেষণা সহযোগী অনিতা গুপ্তাই। তেওঁ এই প্ৰকল্প ১৩০ কোটি টকাৰে গঢ়ি দিব পৰা যায় বুলিও কয়। উল্লেখ্য যে ইয়াৰ বাবে প্ৰতি কিলোমিটাৰ ৰেলপথ নিৰ্মাণৰ বাবে ১২-১৪ কোটি টকা ব্যয় হ'ব। ৩৫ কিলোমিটাৰ ৰেলপথ নিৰ্মাণৰ বাবে ৪৯০ কোটি টকাৰ আৱশ্যক হ'ব বুলিও প্ৰকল্পটোৰ বিষয়ে উল্লেখ কৰে। এই বিশেষ ৰেলৰ একোটা বগী নিৰ্মাণত ৭২ লাখ টকাৰে এখন ৰেল নিৰ্মাণত ছয় কোটি চাৰি লাখ টকা ব্যয় হ'ব বুলিও তেওঁ কয়।

## নগাঁও জিলা সাহিত্য সভা ভৱনত মনোজ্ঞ আলোচনা সত্ৰ ঃ গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩ অক্টোবৰ ঃ** নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচীৰ অংশৰূপে আজি জিলা সাহিত্য সভা ভৱনত এক আলোচনা সত্ৰৰ লগতে নৱগঠিত কাছমাৰী শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। জিলা সাহিত্য সভাৰ উপ-সভাপতি ঠগিত মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত আলোচনা সত্ৰখনত ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শংকৰী সাহিত্য সংস্কৃতিৰ বিশিষ্ট গৱেষক ড° বিমান হাজৰিকাই 'মহাপুৰুষৰ প্ৰাসংগিকতা আৰু আজিৰ সমাজ' শীৰ্ষক বিষয়ত প্ৰদান কৰা ভাষণত কয় যে সাম্প্ৰতিক সময়ত আমাৰ সমাজে যেন ক'ৰবাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহান আদৰ্শক হেৰুৱাই পেলাইছে। হৰি-ভকত-আতৈ আদিৰে গুৰুজনাই জাতি-ধৰ্ম নিৰ্বিশেষে সৃষ্টি কৰা সেই মনোৰম শ্ৰেণীহীন সমাজ ব্যৱস্থাইহে অসমীয়া জাতিক বচাই ৰাখিব বুলি তেওঁ কয়। আনহাতে, 'অংকীয়া নাটৰ নাৰী চৰিত্ৰ' শীৰ্ষক বক্তৃতা প্ৰদান কৰি বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° প্ৰাঞ্জলী মহন্তই গুৰুজনাৰ অংকীয়া নাটৰ নাৰী চৰিত্ৰৰ কোমলতা, ত্যাগ, ভ্ৰাতৃস্নেহ, যুক্তিবাদী মনৰ ওপৰত গভীৰভাৱে মন্থন কৰি বক্তব্য আগবঢ়ায়। জিলা সাহিত্য সভাৰ দুই প্ৰাক্তন সভাপতি ৰতিমোহন নাথ আৰু নিত্যানন্দ বৰাৰ উপস্থিতিত সহ সম্পাদক ৰাজীৱ হাজৰিকাই আঁত ধৰা অনুষ্ঠানতে কাছমাৰী শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত প্ৰকাশিত প্ৰদীপ কুমাৰ বৰদলৈৰ 'কবিতাৰ ঠিকনা বিচাৰি' আৰু ৰঞ্জুমনি ভাগৱতীৰ 'অলকানন্দাৰ সপোন' গ্ৰন্থ দুখন উন্মোচন কৰে বিশিষ্ট সমাজ সংগঠক তিলক চন্দ্ৰ ডেকা আৰু শিশু সাহিত্যিক তথা চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ত্ৰৈলোক্য ভট্টাচাৰ্যই। অনুষ্ঠানত কাছমাৰী শাখা সাহিত্য সভাৰ উপ-সভাপতি আব্বাচ আলী, সম্পাদক বসন্ত দুৱৰা, বিষয়ববীয়া ৰাজেশ কোঁৱৰ, পংকজ বৰা, দিলীপ ডেকা, পংকজ বৰদলৈ, অৰ্চনা বৰা প্ৰমুখ্যে জিলা সাহিত্য সভাৰ বিশিষ্ট সংগঠক প্ৰদীপ শইকীয়া, দীপ্তি বৰা আদি উপস্থিত থাকে।

■ অসম চুক্তিৰ দফাসমূহৰ লগতে ছহিদ পৰিয়ালৰ দাবীসমূহ কাৰ্যকৰী কৰাৰ দাবী ■ বিধায়ক শ্বেৰমানক কাৰাগাৰতে ৰাখক ■ বিধায়ক শ্বেৰমানে অসম আন্দোলনৰ ইতিহাস নাজানে

# ছহিদক অপমান কৰা বিধায়কক কংগ্ৰেছৰ পৰা বহিষ্কাৰৰ দাবী

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩ অক্টোবৰ ঃ** জাতীয় ছহিদৰ সম্পৰ্কে অপমানসূচক মন্তব্য কৰি গ্ৰেপ্তাৰ হোৱা কংগ্ৰেছৰ বিধায়ক শ্বেৰমান আলীক কাৰাগাৰতে ৰখাৰ দাবী জনালে সদৌ অসম ছহিদ সমন্বয়ৰক্ষী সমিতিয়ে। লগতে ছহিদৰ প্ৰতি ভৱিষ্যতে এনে অপমানসূচক মন্তব্য নকৰিবলৈ বাঘবৰৰ বিধায়কজনক সকীয়াই দিছে সমন্বয়ৰক্ষী সমিতিয়ে। ইয়াৰ লগতে সমন্বয়ৰক্ষী সমিতিয়ে জনাই অহা দীৰ্ঘদিনীয়া দাবীসমূহো ৰূপায়ণৰ আহ্বান জনাইছে চৰকাৰক।

আজি তেজপুৰৰ বেছেৰীয়াত সদৌ অসম ছহিদ সমন্বয়ৰক্ষী সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। এই সভাতে সমিতিয়ে কয় যে বিধায়ক আলীয়ে অসম আন্দোলনৰ ইতিহাস নাজানে। অসম আন্দোলনত প্ৰাণ বিসৰ্জন দিয়াসকলক ছহিদ সন্মান কোনে দিছিল, সেই বিষয়তো বিধায়কজনৰ জ্ঞান নাই বুলি সমিতিয়ে মন্তব্য কৰে। ছহিদক অপমান কৰা বিধায়কজনক গ্ৰেপ্তাৰ কৰাৰ বাবে সমিতিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়। লগতে অভিযুক্ত বিধায়কজনে যাতে কোনো কাৰণতে কাৰাগাৰৰ পৰা মুকলি আকাশৰ তললৈ ওলাই আহিব নোৱাৰে, সেই ব্যৱস্থা কৰিবলৈকো সমিতিয়ে মুখ্যমন্ত্ৰীক আহ্বান জনায়। সভাত বিধায়ক আলীক গৰিহণা দিয়াৰ লগতে ভৱিষ্যতে যাতে ছহিদৰ সম্পৰ্কত এনে অপমানজনক মন্তব্য নকৰে, তাৰ বাবেও সকীয়াই দিয়ে। ইপিনে, আজিৰ সভাতে ছহিদ সমন্বয়ৰক্ষী সমিতিয়ে দীৰ্ঘদিনৰ পৰা দাবী জনাই অহা অসম চুক্তিৰ দফাসমূহ কাৰ্যকৰী কৰাৰ লগতে ছহিদ পৰিয়ালৰ সদস্যক চৰকাৰী চাকৰিত সংস্থাপন আৰু ছহিদ তথা নিৰ্যাতিত পৰিয়ালৰ বাবে চৰকাৰে ঘোষণা কৰা আৰ্থিক সাহায্য মুকলি কৰি দিয়াৰ বাবেও ৰাজ্য চৰকাৰক আহ্বান জনোৱা হয়। সভাতে ছহিদ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি মাধুৰ্য ডেকাই কয় যে ইতিমধ্যে আছুৰ নেতৃত্ব, চৰকাৰৰ প্ৰতিনিধি আৰু ছহিদ সমন্বয়ৰক্ষী সমিতিৰ মাজত এই প্ৰসংগত এলানি আলোচনা হৈছে আৰু এখন আঠজনীয়া সমিতিও গঠন কৰা হৈছে। এই সমিতিয়ে শীঘ্ৰে এইক্ষেত্ৰত ব্যৱস্থা ল'ব বুলিও ডেকাই সদৰী কৰে।

আনহাতে, বিধায়ক আলীক একমাত্ৰ কাৰণ দৰ্শোৱা জাননী দিয়েই কংগ্ৰেছে দায়িত্ব শেষ কৰিব খোজা বুলিও সমিতিয়ে অভিযোগ কৰে। সমিতিয়ে শীঘ্ৰে বিধায়ক আলীক দলৰ পৰা বহিষ্কাৰ কৰি তেওঁৰ বিধায়ক পদ খাৰিজ কৰিবলৈকো প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক আহ্বান জনায়। উল্লেখ্য যে ক'ভিড পৰিস্থিতিৰ বাবে ছহিদ সমন্বয়ৰক্ষী সমিতিৰ জিলা সমিতিসমূহ নিষ্ক্ৰিয় হৈ আছিল। আজিৰ সভাতে সমিতিৰ ৰাজ্যিক নেতৃত্বই জিলা সমিতিসমূহক পুনৰ কাৰ্যক্ষেত্ৰত নিয়োজিত হ'বলৈ আহ্বান জনায়। লগতে ছহিদ পৰিয়ালৰ ৪৫ বছৰৰ অনূৰ্দ্ধৰ নিৰ্যাতিত উপযুক্ত সদস্যক চৰকাৰী চাকৰিত নিয়োজিত কৰাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে যি আশ্বাস দিছে, সেই প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন হোৱাৰ বাবে শীঘ্ৰেই তালিকা প্ৰস্তুত কৰাৰ বাবেও সমিতিৰ সদস্যসকলক সভাই নিৰ্দেশ দিয়ে।



দেৱী দুৰ্গাৰ মৃণ্ময় মূৰ্তি নিৰ্মাণত ব্যস্ত শিল্পী, বঙাইগাঁৱত দেওবাৰে।

## অপৰাধীৰ ৰম্যভূমিত পৰিণত নগাঁৱৰ বাইপাছ

■ বিশেষভাৱে সক্ষম ব্যক্তিক আগভেটি ধৰি গবা মাৰি ধৰি নিচাজাতীয় দ্ৰব্য খুৱাই লুটি নিলে নগদ ধন-ম'বাইল

বিশেষ সংবাদদাতা

**নগাঁও, ৩ অক্টোবৰ ঃ** ক্ৰমান্বয়ে অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈছে নগাঁৱৰ বাইপাছ। বিশেষকৈ ৩৬ আৰু ৩৭ নম্বৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী উৰিয়াগাঁও-বৰঘাট বাইপাছত সংঘটিত হৈ আহিছে ইটোৰ পাছত সিটোকৈ অপৰাধজনিত ঘটনা। আজিও পুৱাই নগাঁও বাইপাছত সংঘটিত হয় এক লোমহৰ্ষক ডকাইতি কাণ্ড। নগাঁও ভোটাইগাঁৱৰ মহেন্দ্ৰ কাকতি নামৰ বিশেষভাৱে সক্ষম ব্যক্তিজনে পুৱাই স্কুটী লৈ বাইপাছেৰে গৈ থকা অৱস্থাত মটৰ চাইকেলত অহা দুজনীয়া ডকাইতৰ দলে আগভেটি ধৰি তেওঁক গবা মাৰি ধৰি নিচাজাতীয় দ্ৰব্য খুৱাই নগদ ধন আৰু ম'বাইল কাঢ়ি লৈ যায়। আনহাতে, নিচাজাতীয় দ্ৰব্য সেৱন কৰোৱাত গুৰুতৰভাৱে অসুস্থ হৈ পৰা কাকতি বহু সময় ধৰি ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে সংজ্ঞাহীন হৈ পৰি ৰয়। কিছু সময় পাছত স্থানীয় লোকে লোকজনক উদ্ধাৰ কৰি পৰিয়ালৰ লোকক খবৰ দিয়াত নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। ইতিমধ্যে ঘটনাৰ সংক্ৰান্তত লোকজনৰ পুত্ৰই নগাঁৱৰ ইটাচালী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত কোনো দুৰ্বৃত্তক আটক কৰিব পৰা নাই। উল্লেখ্য যে যোৱা ২৪ ছেপ্টেম্বৰত পুৱতি নিশা নগাঁও বাইপাছৰ বৰঘাটত ১০-১২ জনীয়া এটা সশস্ত্ৰ ডকাইতৰ দলে এজন কুৰিয়াৰ ছাৰ্ভিচৰ গাড়ী চালকক গুলীয়াই আহত কৰি লুটপাট কৰিছিল। গুৱাহাটীৰ পৰা হাফলঙলৈ কুৰিয়াৰ সামগ্ৰী কঢ়িয়াই অনা এ এছ-২৫ ই চি-৬৫১৫ নম্বৰৰ বলেৰ' পিকআপ ভানখন ডকাইতৰ দলটোৱে আগভেটি ধৰি চালকক ধন বিচাৰিছিল। বাহনখনৰ চালক সুমন দাসে ধন দিবলৈ অমান্তি হোৱাত ডকাইতৰ দলটোৱে গুলীয়াই ধন, ম'বাইল আদি লৈ যায়। চালকজনৰ ডিঙিত গুলি লগাত গুৰুতৰভাৱে আহত হয়। অৱশ্যে গাড়ীখনত থকা হেণ্ডিমেনজন কথমপি আঘাতপ্ৰাপ্ত নোহোৱাকৈ ৰক্ষা পৰে। উল্লেখ্য যে নগাঁৱৰ বাইপাছৰে অবৈধ বাৰ্মিজ চুপাৰি, কয়লাভৰ্তি ট্ৰাক, চোৰাং কাঠ, বালিৰ গাড়ী প্ৰায়ে পাৰ হৈ আহিছে।

## নলবাৰীৰ অময়াপুৰত লোক নিৰ্মাণ বিভাগ-ঠিকাদাৰৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

■ দীৰ্ঘদিন ধৰি ৰাইজে ভুগি আহিছে নৰক যন্ত্ৰণা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ অময়াপুৰত থকা জাহাজানৰ ওপৰত এখন পকী দলং নিৰ্মাণক লৈ আজি উত্তপ্ত হৈ পৰে পৰিস্থিতি। এই দলংখনৰ বাবে চৰকাৰ, লোক নিৰ্মাণ বিভাগ আৰু ঠিকাদাৰৰ হেমাহিৰ ফলত দীৰ্ঘদিন ধৰি ৰাইজে ভুগি আহিছে নৰক যন্ত্ৰণা। দলংখনৰ দায়িত্ব লাভ কৰা ঠিকাদাৰজনে দলংখন নিৰ্মাণৰ নামত চৰম হেমাহি কৰাৰ ফলত অঞ্চলটোৰ ৰাইজে যন্ত্ৰণা ভুগি অহাৰ বাবে ৰাজপথলৈ ওলাই আহে শ শ পুৰুষ-মহিলা। ক্ষুব্ধ ৰাইজে চৰকাৰ বিৰোধী ধ্বনিৰে উত্তাল কৰি তোলে ঠাইখিনিৰ পৰিৱেশ। যোৱা এটা বছৰে অময়াপুৰৰ পৰা কালাকুছি সংযোগী দলংখনৰ নিৰ্মাণৰ কাম



লেহেমীয়া কৰাৰ ফলত অঞ্চলটোৰ ৰাইজে যাতায়াতত দুৰ্ভোগ ভুগি আহিবলগীয়া হোৱাত এই গণ অৱস্থান কাৰ্যসূচীৰ জৰিয়তে প্ৰতিবাদ সাব্যস্ত কৰে। দীৰ্ঘদিন ধৰি ৰাইজে লোক নিৰ্মাণ বিভাগ আৰু ঠিকাদাৰজনক দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ বাবে অনুৰোধ জনাই অহাৰ কোনো ধৰণৰ গুৰুত্ব নিদিয়াত স্থানীয় লোকসকল ক্ষুব্ধ হৈ পৰে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে স্থানীয় বিধায়ক জয়ন্ত মল্ল বৰুৱাক অতি শীঘ্ৰে দলংখন নিৰ্মাণৰ বাবে দাবী জনাইছে।

## সজল ফাউণ্ডেছনৰ স্বৰ্গৰথৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৩ অক্টোবৰ ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত তামাৰহাটৰ ৰাইজৰ সুবিধাৰ্থে এখন (শৱবাহী বাহন) স্বৰ্গৰথৰ যোৱা দুই অক্টোবৰত উদ্বোধন কৰা হয়। ধুবুৰী জিলাৰ তামাৰহাটৰ স্বেচ্ছাসেৱী সংগঠন সজল ফাউণ্ডেছনৰ উদ্যোগত আৰু বিটিচিৰ সমাজ কল্যাণ বিভাগৰ সহযোগত ৰাইজৰ সুবিধাৰ্থে আগবঢ়োৱা স্বৰ্গৰথখন উদ্বোধন কৰে সজল ফাউণ্ডেছনৰ মুখ্য পৰিচালক সজল সিংহই। বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ বৃহত্তৰ অঞ্চলৰ ৰাইজক সহায় কৰিবলৈ স্বৰ্গৰথখন জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫২ সংখ্যক জন্মজয়ন্তীৰ লগত সংগতি ৰাখি ৰাইজৰ সেৱাৰ বাবে মুকলি কৰা হয়। এই উপলক্ষে তামাৰহাটস্থিত সজল ফাউণ্ডেছনৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত এখন সভা অনুষ্ঠিত হয়। ফাউণ্ডেছনৰ সদস্য ললিত চন্দ্ৰ ৰায়ৰ পৰিচালনাত অনুষ্ঠিত সভাত সজল ফাউণ্ডেছনৰ বিষয়ববীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজসেৱক তথা সজল সিংহৰ অনুগামীসকল উপস্থিত থাকে। উল্লেখ্য যে অসম-বংগ সীমান্তৱৰ্তী বৃহত্তৰ তামাৰহাট-শ্ৰীৰামপুৰ অঞ্চলত মৃতদেহ কঢ়িয়াই নিয়াৰ বাবে তেনে কোনো ব্যৱস্থা নথকাত বিভিন্ন সময়ত বহু পৰিয়ালে সমস্যাৰ সন্মুখীন হৈ আহিছে। সকলো শ্ৰেণীৰ ৰাইজৰ বাবে উৎসৰ্গা কৰি দিয়ে। সজল ফাউণ্ডেছনে এইখন বাহনৰ বাবে চালকৰ নিযুক্তি দিয়ে।

## ১২ ঘণ্টীয়া বাঘবৰ সমষ্টি বন্ধ দি ৰোষত পৰিল ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক

■ মন্দিয়া ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদকক বহিষ্কাৰ প্ৰদেশ কংগ্ৰেছৰ

বিশেষ সংবাদদাতা

**বৰপেটা, ৩ অক্টোবৰ ঃ** অসম আন্দোলনৰ ছহিদক অপমান কৰি আৰক্ষীৰ জালত পৰা বাঘবৰৰ কংগ্ৰেছ বিধায়ক শ্বেৰমান আলী আহমেদক সমৰ্থন কৰিবলৈ গৈ দলৰ ৰোষত পৰিছে মন্দিয়া ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে দলৰ নীতি-নিয়ম ভংগৰ অপৰাধত বাঘবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ব্লক কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ৰফিকুল ইছলামক তাৎক্ষণিকভাৱে দলৰ পৰা বৰ্খাস্ত কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য স্বাক্ষৰিত এক নিৰ্দেশনাযোগে কোনো ধৰণৰ অনুমতি নোলোৱাকৈ বিধায়ক আহমেদক গ্ৰেপ্তাৰৰ প্ৰতিবাদত আজি আহ্বান জনোৱা ১২ ঘণ্টীয়া বাঘবৰ বন্ধ কাৰ্যসূচীৰে দলৰ ভাবমূৰ্তি বিনষ্ট কৰা বুলি উল্লেখ কৰিছে। লগতে এনেধৰণৰ দলীয় শৃংখলা বন্ধৰ অপৰাধত এই কঠোৰ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰি ৰফিকুলক বহিষ্কাৰ কৰা হৈছে বুলিও নিৰ্দেশনাটোত প্ৰকাশ কৰিছে। উল্লেখ্য যে বাঘবৰৰ বিধায়কজনক অসম আন্দোলনৰ ছহিদ সম্পৰ্কে বিতৰ্কিত মন্তব্য কৰাৰ অপৰাধত কালি আৰক্ষীয়ে গ্ৰেপ্তাৰৰ পাছত আজি ১২ ঘণ্টীয়া বাঘবৰ বন্ধৰ আহ্বান জনাইছিল মন্দিয়া ব্লক কংগ্ৰেছে। ৰাইজৰ সহযোগত পুৱা ৫-০০ বজাৰ পৰা আবেলি ৫-০০ বজালৈ জনোৱা বন্ধলৈ ৰাইজে সঁহাৰি জনোৱা পৰিলক্ষিত হয়। সমষ্টিটোৰ সকলো হাট-বজাৰ, চ'ক, যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হোৱাৰ লগতে চৰ অঞ্চলতো বন্ধৰ প্ৰভাৱ পৰে। ইফালে, বন্ধৰ প্ৰতিবাদকাৰীসকলে বিধায়ক শ্বেৰমানক বিনাচৰ্তে মুক্তিৰ দাবী জনোৱাৰ লগতে বিভিন্ন শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে।

## বিশিষ্ট শিক্ষাবিদ হিমাংশু পাঠক সোঁৱৰণী গ্ৰন্থ 'প্ৰজ্ঞাৰ পূজাৰী' উন্মোচন

বিশেষ সংবাদদাতা

**বৰপেটা, ৩ অক্টোবৰ ঃ** বৰপেটা জুৰোৰাম পাঠক ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ, আজীৱন শিক্ষাব্ৰতী হিমাংশু পাঠকৰ সোঁৱৰণত প্ৰকাশিত 'প্ৰজ্ঞাৰ পূজাৰী' শীৰ্ষক স্মৃতিগ্ৰন্থখন আজি বৰপেটা আইন মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰে হিমাংশু পাঠকৰ সহধৰ্মিণী প্ৰমদা পাঠক, হিমাংশু পাঠকৰ বন্ধু সৰভোগ সমষ্টিৰ প্ৰাক্তন বিধায়ক হেমেন দাস, সহপাঠী কুমুদ ৰায় চৌধুৰী, সহকৰ্মী মহেশ চন্দ্ৰ চৌধুৰী আৰু প্ৰমদা পাঠকৰ ভ্ৰাতৃ যতীন দাসে। সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰি দিয়া ভাষণত প্ৰাক্তন বিধায়ক দাসে কয়, 'বৰ্তমান সাহিত্যৰ জগতত দুই ধৰণৰ গ্ৰন্থৰ নৱ সংযোজন ঘটিছে। এবিধ সোঁৱৰণী গ্ৰন্থ বা স্মৃতিগ্ৰন্থ আৰু আনবিধ অভিনন্দন গ্ৰন্থ।' একোখন স্মৃতিগ্ৰন্থই এখন সমাজৰ এটা সময়ৰ ইতিহাস ধৰি ৰাখে বুলিও তেওঁ মন্তব্য কৰে। প্ৰাক্তন বিধায়ক দাসে বৰপেটাৰ পুৰণি কালৰ কথা সোঁৱৰণ কৰি কয়, 'আগৰ বৰপেটা আজি আৰু নাই। বৰপেটাৰ বহু বৈশিষ্ট্য আছে যদিও প্ৰজন্মই সেই বিষয়ে নাজানে। বৰপেটা কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠ কৰা গীতাৰ শ্ল'কেৰে আৰম্ভ হোৱা সভাখনৰ পূৰ্বে হিমাংশু পাঠকৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে তেওঁৰ সহধৰ্মিণী প্ৰমদা পাঠকে। বিশিষ্ট শিক্ষাব্ৰতী পাঠকৰ বৰ্ণাঢ্য জীৱন, কৃতি, সেৱা আৰু বিভিন্নজনৰ স'তে সান্নিধ্যৰ সোঁৱৰণ কৰি প্ৰায় ডেৰশ সহপাঠী, সহকৰ্মী, প্ৰিয় ছাত্ৰ-ছাত্ৰী, গুণমুগ্ধ আৰু শুভাকাংক্ষীৰ লেখাৰে সমৃদ্ধ গ্ৰন্থখন তেওঁৰ মৃত্যুৰ বছৰেকীয়া তিথিৰ দিনাখন উন্মোচন কৰাৰ কথা আছিল যদিও ক'ভিড সৃষ্টি প্ৰতিকূল পৰিৱেশৰ বাবে যোৱা এপ্ৰিলৰ পৰিৱৰ্তে আজি বৰ্ণাঢ্য আৰু গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উন্মোচন কৰা হয়। সোঁৱৰণী গ্ৰন্থ উন্মোচনৰ আঁত ধৰে সৰুপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ বিৰিঞ্চি কুমাৰ দাসে। সভাত কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সৰস্বতী বন্দনাও গায়।

## নগাঁৱৰ গৰৈমাৰীৰ জলাশয়ৰ মেটেকাত মৃতদেহ উদ্ধাৰ

■ নিশা দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আঁকোৱালি লোৱাৰ সন্দেহ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**নগাঁও/বেবেজীয়া, ৩ অক্টোবৰ ঃ** নগাঁও চহৰৰ নাতিদূৰৰ গৰৈমাৰী দলঙৰ সমীপত পথৰ কাষৰ জলাশয়ৰ মেটেকাৰ ওপৰত আজি পুৱা উদ্ধাৰ হয় এজন লোকৰ মৃতদেহ। পুৱাই পথচাৰীয়ে মৃতদেহটো প্ৰত্যক্ষ কৰি স্থানীয় আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ইফালে, যোৱা নিশা উক্ত স্থানত এক দুৰ্ঘটনা সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। এ এছ-০২ চি চি-৬২৮৯ নম্বৰৰ টাটা ডিআইখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ পৰা বাগৰি পৰিছিল জলাশয়টোত। যোৱা নিশাই দুৰ্ঘটনাৰ খবৰ পাই জাজৰি আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ বাহনখন উদ্ধাৰ কৰি লৈ যায় যদিও কোনো লোকক উদ্ধাৰ কৰিব পৰা নাছিল। কিন্তু পুৱাই একেটা স্থানতে মৃতদেহটো উদ্ধাৰ হোৱাত দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে ৰাইজে। বটদ্ৰৱাৰ পৰা নগাঁও অভিমুখে গৈ থকাৰ পথত দ' খাৱৈত পৰি যোৱা বাহনখনত মৃত্যু হোৱা লোকজন ত্ৰিদিপ ভূঞা বুলি পাছত চিনাক্ত কৰা হৈছে। তেওঁৰ ঘৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰাইদঙীয়াৰ নসত্ৰত। অৱশ্যে যুৱকজনৰ মৃতদেহ উদ্ধাৰৰ পাছতে সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। একাংশই ইয়াক দুৰ্ঘটনাৰ সলনি পৰিকল্পিত হত্যাকাণ্ড হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব প্ৰকৃত ৰহস্য।

## অৱসৰপ্ৰাপ্ত অধ্যাপক মজিবৰ ৰহমানৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**হাউলী, ৩ অক্টোবৰ ঃ** হাউলীৰ এক নম্বৰ ৱাৰ্ডৰ নিবাসী বিশিষ্ট সমাজকৰ্মী তথা ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত আৰবী বিভাগৰ অধ্যাপক মজিবৰ ৰহমান (৬০)ৰ আজি পুৱা ১০ বজাত উচ্চ ৰক্তচাপ জনিত ৰোগত আক্ৰান্ত হৈ নিজ বাসভৱনত মৃত্যু হয়। অধ্যাপক ৰহমানে যোৱা ৩০ ছেপ্টেম্বৰত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। আগলৈকে তেওঁ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত থকাৰ লগতে 'জমিয়তে আহলে হাদিছ অসম'ৰ সভাপতি হিচাপে কাৰ্য নিৰ্বাহ কৰি আছিল। অধ্যাপক ৰহমানে এই সময়ত জামাত-ই-ইছলামী হিন্দুৰ সক্ৰিয় কৰ্মী আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনিজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত হাউলীৰ সাংবাদিক দিদাৰ হুছেইন, কৌশিক কমল দাস, নয়নমণি ওজা, নিতুমণি দাস, বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদ, আমছুৰ বৰপেটা জিলা সমিতিৰ উপ-সভাপতি ৰহিদুল শিকদাৰ, সম্পাদক আফজালুৰ ৰহমান, জামাত-ই-ইছলামী হিন্দৰ হৈ মাইনুল হক, হাউলীৰ ছাব লাইম ফাউণ্ডেছনৰ সঞ্চালক ড° দেৱান নজৰুল কাদিৰ, সাপ্তাহিক মুজাহিদ কাকতৰ কাৰ্যবাহী সম্পাদক ছফিকুল ইছলাম, এআইইউডিএফৰ বৰপেটা জিলা সমিতিৰ সভাপতি ছামচুদ্দিন আহমেদ, ভৱানীপুৰ আঞ্চলিক কলেজৰ শিক্ষক-কৰ্মচাৰী গোট, সমাজকৰ্মী ছাইফুল ইছলাম, প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক খলিলুৰ ৰহমানৰ লগতে দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

## চতিয়াত ৬০ৰ উৰ্দ্ধৰ বৃদ্ধৰ কামনাৰ বলি কিশোৰী

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩ অক্টোবৰ ঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ দুই নম্বৰ বৰভেটি গাঁৱত সংঘটিত হৈছে সভ্য সমাজক লজ্জানত কৰা ঘটনা। তিলবাহাদুৰ ছেত্ৰী নামৰ ৬০ৰ উৰ্দ্ধৰ বৃদ্ধজনে ১৪ বছৰীয়া এগৰাকী কিশোৰীক যৌন নিৰ্যাতন চলাই ধৰ্ষণৰ প্ৰচেষ্টা চলোৱাৰ ঘটনা পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ মতে, আজি কেইদিনমানৰ আগতে বৃদ্ধজনৰ ওচৰ চুবুৰীয়া কিশোৰীগৰাকী আহিছিল। সেই সময়তে ঘৰত কোনো নথকাৰ সুযোগত বৃদ্ধ তিলবাহাদুৰৰ যৌন কামনাৰ বলি হয় কিশোৰীগৰাকী। ভয় আৰু লাজত সেই দিনাই কথাটো কিশোৰীগৰাকীয়ে প্ৰকাশ কৰা নাছিল যদিও শনিবাৰে নিশা কিশোৰীগৰাকীয়ে আত্মীয়ক ঘটনা অৱগত কৰাত লগে লগে চতিয়া আৰক্ষী থানাত অভিযোগ দাখিল কৰে আৰু অভিযোগ লাভ কৰাৰ লগে লগে অভিযুক্ত তিলবাহাদুৰক চতিয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অভিযুক্ত তিলবাহাদুৰে ঘটনা স্বীকাৰ কৰিছে আৰক্ষীৰ জেৰাত। তিলবাহাদুৰক কঠোৰ শাস্তিৰ দাবী তুলি চতিয়া দুই নম্বৰ বৰভেটি গাঁৱৰ মহিলাসকল আজি সমবেত হয় চতিয়া আৰক্ষী থানাৰ চৌহদত।

■ চামতাত কবি গণেশ বৰ্মনৰ কাব্যগ্ৰন্থ 'গান্ধাৰী জোনাক' উন্মোচন

## কবিয়ে কেতিয়াও হীনমন্যতাত ভোগা উচিত নহয়

অগ্ৰদূত বাৰ্তা

**চামতা, ৩ অক্টোবৰ ঃ** 'কবিতা হ'ল মনৰ ভাব ৰূপক, ব্যঞ্জনাৰে প্ৰকাশ কৰা এক কাব্যালাপ। সকলো মানুহে কবিতা লিখিব নোৱাৰে। যিসকলে কবিতা লিখে বা ৰচনা কৰে তেওঁলোকে নিজে লিখা মনৰ ভাব কবিতা হৈছে নে হোৱা নাই তাক লৈ বেছি চিন্তিত হ'ব নালাগে। কবিয়ে কেতিয়াও হীনমন্যতাত ভোগ উচিত নহয়।' আজি নলবাৰী জিলাৰ চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ মঞ্চসূৰ্য ধৰণী বৰ্মন প্ৰেক্ষাগৃহত-শিক্ষক- সাংবাদিক গণেশ বৰ্মনৰ 'গান্ধাৰী জোনাক' উন্মোচন কৰি এনেদৰে কয়, কবি কমল কুমাৰ জৈনে। অসম কবি সন্মিলনৰ নলবাৰী জিলা সমিতিয়ে প্ৰকাশ কৰি উলিওৱা কাব্যগ্ৰন্থখন



উন্মোচন উপলক্ষে নলবাৰী জিলা কবি সন্মিলনৰ সভাপতি ভুৱনেশ্বৰ ডেকাৰ পৌৰোহিত্যত সম্পন্ন হোৱা গ্ৰন্থ উন্মোচনী সভাত জ্যেষ্ঠ সাংবাদিক, লেখক ৰমণী বৰ্মন আৰু উত্তৰ ধৰ্মপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হেমন্ত কুমাৰ ভাগৱতীয়ে বন্তি প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰে। নলবাৰী জিলা কবি সন্মিলনৰ সম্পাদক দ্বীপেন মেনাই সামগ্ৰিকভাৱে আঁত ধৰা অনুষ্ঠানৰ আদৰণি ভাষণ আগবঢ়াই পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক প্ৰদীপ কুমাৰ বৰ্মনে। সভাত কণ্ঠশিল্পী কবিতা গোস্বামী, চম্পক শৰ্মা, নিপুল বৰ্মন, শিশুশিল্পী অভিজ্ঞান বৰ্মন, অভিলাষ বৰ্মন, অনুৰাগ বৰ্মন, অভিপ্সা বৰ্মনে গীত-মাত আৰু কবি ৰাজীৱ দত্ত, আব্দুল মজিদ, দ্বীপেন মেনা, দিলীপ তালুকদাৰ, নৱৰত্ন পাটোৱাৰী, বৰষা বৰ্মন, প্ৰতুল শৰ্মা, কণিকা বৰ্মন, নিবেদিতা ডিম্পল, ৰূপালী বৰ্মন, ৰুবী দেৱী আদিয়ে কবিতা পাঠ কৰি অনুষ্ঠান জীপাল কৰি তোলে। সভাত কবি বৰ্মনে নিজৰ অনুভৱ প্ৰকাশ কৰি কাব্যগ্ৰন্থখন সুহৃদয়তাৰে আদৰি ল'বলৈ পাঠক সমাজলৈ আহ্বান জনায়। অনুষ্ঠানত প্ৰদীপ দাস ঠাকুৰ, ৰূপক বৈশ্য, চিত্ৰশিল্পী বিনয় শৰ্মা, সমাজসেৱী হিৰণ্য বৰ্মন, এম হাছান আলী, শিক্ষাবিদ বীৰেন্দ্ৰ নাথ বৰ্মন, তপন কুমাৰ শৰ্মা, ঔপন্যাসিক নীলিম আকাশ কাশ্যপ প্ৰমুখ্যে শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# ফৰাচী লীগত পি এছ জিৰ প্ৰথম পৰাজয়

**পেৰিছ, ৩ অক্টোবৰ ঃ** ফৰাচী লীগৰ এখন মেচত আজি পৰাজয়ৰ সন্মুখীন হয় শীৰ্ষত থকা পি এছ জি। ৰেনেছে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে পি এছ জিক। এয়া মেছিৰ সন্মুখত পি এছ জিৰ প্ৰথম ব্যৰ্থতা। উল্লেখ্য যে চলিত ফৰাচী লীগ ফুটবলত পি এছ জিয়ে ক্ৰমাগত অষ্টম মেচত জয়ী হৈ অপৰাজেয় ধাৰা অব্যাহত ৰাখিছিল। অৱশ্যে পি এছ জিয়ে নখন মেচত 24 পইণ্ট লাভ কৰি শীৰ্ষ স্থান অক্ষুন্ন ৰাখিছে। উল্লেখ্য যে চেম্পিয়নছ লীগৰ অন্তিম মেচত পি এছ জিয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীক। মেচখনত দলৰ হৈ দ্বিতীয়টো গ'ল কৰিছিল মেছিয়ে (74 মিনিট)। উল্লেখ্য যে পি এছ জিৰ হৈ অন্তিম দুখন মেচত অংশ লোৱা নাছিল দলৰ তাৰকা আৰ্জেণ্টিনাৰ লিয়নেল মেছিয়ে। আঘাতৰ বাবে চিকিৎসকৰ পৰামৰ্শ অনুসৰি খেলপথাৰৰ পৰা আঁতৰি আছিল মেছি। ইয়াৰপূৰ্বে পি এছ জিয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মেটজক। দলৰ হৈ গ'ল দুটা দিয়ে হাকিমিয়ে। উল্লেখ্য যে ফৰাচী লীগত পূৰ্বৰ মেচত পি এছ জিয়ে খেলিছিল লিয়নৰ বিৰুদ্ধে। এই মেচতে আঘাত পাই মেছিয়ে। সেয়ে দ্বিতীয়াৰ্ধত খেলপথাৰ ত্যাগ কৰিছিল আৰ্জেণ্টিনাৰ তাৰকাগৰাকীয়ে। স্মৰ্তব্য যে বাৰ্চিলোনাৰ পৰা আহি ফ্ৰান্সৰ ক্লাবত যোগ দিয়া মেছিয়ে পি এছ জিৰ হৈ তিনিখন মেচ খেলাৰ পাছতো গ'ল কৰাত ব্যৰ্থ হৈছিল।

# বিদেশৰ মাটিত সফলতাৰ বাবে ৰাষ্ট্ৰীয় সংগীতৰ লগত জাতীয় পতাকা উৰাটো স্মৰণীয় ঃ বিশাল

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** 'বিদেশৰ মাটিত যেতিয়া মোৰ সফলতাৰ বাবে ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত বাজিছিল আৰু জাতীয় পতাকা উৰিছিল সেয়া আছিল স্মৰণীয় মূহুৰ্ত। চাপৰ মাজতো সফলতা লাভ কৰি এই গৌৰৱময় ক্ষণৰ সাক্ষী হোৱাৰ বাবে মই আনন্দ লাভ কৰিছিলো।' এই মন্তব্য অসমৰ যুৱ আৰ্চাৰ বিশাল চাংমাইৰ। উল্লেখ্য যে আজি ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুনৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা সভাকক্ষত অসম অলিম্পিক সন্থাই জনোৱা সম্বৰ্ধনা গ্ৰহণ কৰি এইদৰে কয় বিশালে। যোৱামাহত পোলেণ্ডত অনুষ্ঠিত হোৱা বিশ্ব কেডেট আৰু জুনিয়ৰ আৰ্চাৰীত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অসমৰ বিশাল চাংমাই দুটা সোণ আৰু এটা ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। কেডেট শাখাত খেলা বিশালে ল'ৰাৰ ৰিকাৰ্ভৰ দলীয় আৰু মিক্সড বিভাগত সোণ লাভ কৰাৰ বিপৰীতে এককত ব্ৰঞ্জ অৰ্জন কৰিবলৈ সক্ষম হয়। দেশৰ স্বাধীনতা দিৱসৰ দিনাই ভাৰতবাসীক গৌৰৱময় সফলতা দিছিল অসম সন্তান বিশালে। ল'ৰাৰ ৰিকাৰ্ভৰ দলীয় শাখাত অসম সন্তান বিশাল চাংমাইসহ অমিত কুমাৰ আৰু বিকী ৰুহালৰ দ্বাৰা গঠিত ভাৰতীয় দলে ফাইনেলত ফ্ৰান্সক 5-3 ৰ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক লাভ কৰিছিল। এই সফলতাৰ পাছতে বিশালে আৰু এটা সোণ লাভ কৰিবলৈ সক্ষম হয় কেডেটৰ ৰিকাৰ্ভ মিক্সড শাখাত। বিশাল আৰু তেওঁৰ সংগী তামান্নাই মিক্সড শাখাৰ ফাইনেলত পৰাস্ত কৰিছিল জাপানক। স্বৰ্ণ পদকৰ মেচত ভাৰতীয় যুটীটো 6-2 ৰ ব্যৱধানত বিজয়ী হয়। দুটা সোণ লাভ কৰি চমক দিয়া বিশালে কেডেট শাখাৰ ৰিকাৰ্ভৰ এককৰ ব্ৰঞ্জ পদকৰ মেচত কাজাকিস্তানৰ দৌলৎখোদিক 6-2 ৰ ব্যৱধানত হৰুৱাই নিজৰ তৃতীয়টো পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে পোলেণ্ডত অনুষ্ঠিত হোৱা বিশ্ব কেডেট আৰু জুনিয়ৰ আৰ্চাৰীত ভাৰতীয় দলে অনন্য প্ৰদৰ্শন কৰে। ৰিকাৰ্ভৰ জুনিয়ৰ শাখাত ভাৰতৰ পুৰুষ দলেও সোণ লাভ কৰিবলৈ সক্ষম হয়। ফাইনেলত ভাৰতে 5-3 ৰ ব্যৱধানত পৰাস্ত কৰে স্পেইনক। ইফালে, ৰিকাৰ্ভৰ জুনিয়ৰ শাখাৰ মিক্সডত ভাৰতৰ ক'মালিকা আৰু পাৰ্থই ফাইনেলত 5-3 ৰ ব্যৱধানত জয়ী হৈ সোণ অৰ্জন কৰে। ক'মালিকাই একক শাখাৰো স্বৰ্ণ পদক দখল কৰে। আনহাতে, ভাৰতৰ কেডেট মহিলা দলে ব্ৰঞ্জ পদকৰ মেচত জাৰ্মানীক 5-3 ৰ ব্যৱধানত হৰুৱাই পদক লাভ কৰাৰ বিপৰীতে কেডেট মহিলাৰ একক শাখাত ব্ৰঞ্জ অৰ্জন কৰে ভাৰতৰ মানজিৰিয়ে। উল্লেখ্য যে প্ৰতিযোগিতাত ভাৰতে মুঠ আঠটা সোণ, দুটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জসহ মুঠ 15 টা পদক লাভ কৰিছিল।




অসম চৰকাৰৰ হৈ অংশ ল'লে ক্ৰীড়া মন্ত্ৰী বিমল বৰাই

# বিশাল-অম্লানক সম্বৰ্ধনা অসম অলিম্পিকৰ

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** অসমৰ দুই নৱাগত খেলুৱৈ বিশাল চাংমাই আৰু অম্লান বৰগোহাঁইক আজি সম্বৰ্ধনা জনাই অসম অলিম্পিক সন্থাই। উল্লেখ্য যে ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুনৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা সভাকক্ষত ৰাজ্যৰ দুই নৱাগত খেলুৱৈক নিজৰ নিজৰ ক্ৰীড়াক্ষেত্ৰত লাভ কৰা গৌৰৱময় সফলতাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে ক্ৰীড়া মন্ত্ৰী বিমল বৰা। উল্লেখ্য যে পোলেণ্ডত অনুষ্ঠিত হোৱা বিশ্ব কেডেট আৰু জুনিয়ৰ আৰ্চাৰীত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অসমৰ বিশাল চাংমাই দুটা সোণ আৰু এটা ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। কেডেট শাখাত খেলা বিশালে ল'ৰাৰ ৰিকাৰ্ভৰ দলীয় আৰু মিক্সড বিভাগত সোণ লাভ কৰাৰ বিপৰীতে এককত ব্ৰঞ্জ অৰ্জন কৰিবলৈ সক্ষম হয়। দেশৰ স্বাধীনতা দিৱসৰ দিনাই ভাৰতবাসীক গৌৰৱময় সফলতা দিছিল অসম সন্তান বিশালে। ইফালে, অসমৰ অম্লানে তেলেংগনাত অনুষ্ঠিত সদ্য সমাপ্ত ৰাষ্ট্ৰীয় মুকলি এথলেটিকছ প্ৰতিযোগিতাত প্ৰথমে 100 মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰাৰ লগতে 200 মিটাৰ দৌৰত সোণৰ পদক লাভ কৰি গৌৰৱময় সফলতা অৰ্জন কৰে। কেৱল সোণ লাভ কৰাৰ সফলতাই অৰ্জন কৰা নাছিল অসম সন্তান অম্লানে। নিজৰ কেৰিয়াৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শন কৰাৰ লগতে নতুন অভিলেখৰ গৰাকীও হয়। আনহাতে, অম্লানৰ সোণ জয়ৰ সফলতাত আছে মীট ৰেকৰ্ডৰ অনন্য সাফল্যও। আজিৰ সম্বৰ্ধনা অনুষ্ঠানত ঋতুবৰণ শৰ্মা, শিলাদিত্য দেব, হেমন্ত কুমাৰ কলিতা, জয়ন্ত বড়ো, অনূপ চৌধুৰী, প্ৰণয় বৰদলৈ, ছাই সঞ্চালক সতীশ ছাৰহৰি আদি উপস্থিত থাকে।



# ভৰজ্যোতি গোস্বামী ভাৰতীয় ভাৰোত্তোলন সন্থাৰ উপসভাপতি

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৰজ্যোতি গোস্বামী ভাৰতীয় ভাৰোত্তোলন সন্থাৰ উপসভাপতি হিচাপে নিৰ্বাচিত হৈছে। উল্লেখ্য যে আজি নয়দাত অনুষ্ঠিত হয় ভাৰতীয় ভাৰোত্তোলন সন্থাৰ বাৰ্ষিক সভা। উক্ত সভাতে নতুন কমিটীখনো গঠন কৰা হয়। সহদেৱ যাদব সভাপতি আৰু আনন্দ গোডাক সম্পাদকৰূপে লৈ ভাৰতীয় ভাৰোত্তোলন সন্থাৰ নতুন কমিটীখন গঠন কৰা হয়।

## প্ৰথম ইনিংছত অগ্ৰগতি মিতালীৰ দলৰ ঃ মেচৰ শ্ৰেষ্ঠ শতক অৰ্জনকাৰী মান্ধানা

# ভাৰত-অষ্ট্ৰেলিয়াৰ দিবা-নৈশ মহিলা টেষ্ট ড্ৰ




**কেনবেৰা, ৩ অক্টোবৰ ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলৰ বিৰুদ্ধে খেলা দিবা-নৈশ টেষ্টখন ড্ৰ হৈছে। উল্লেখ্য যে ভাৰতে প্ৰথম ইনিংছত আঠ উইকেটত 377 ৰাণ কৰি ইনিংছ ঘোষণা কৰিছিল। প্ৰত্যুত্তৰত, তৃতীয় দিনাৰ খেলৰ অন্তত অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে প্ৰথম ইনিংছ আৰম্ভ কৰি চাৰি উইকেটত 143 ৰাণ সংগ্ৰহ কৰাৰ পাছত আজি 241-9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰে। ভাৰতৰ হৈ ঝুলন গোস্বামীয়ে দুটা আৰু পূজাই তিনিটা উইকেট পায়। ভাৰতীয় দলে প্ৰথম ইনিংছত 136 ৰাণৰ অগ্ৰগতি লাভ কৰাৰ পাছত দ্বিতীয় ইনিংছত 135-3 ৰাণত ইনিংছ ঘোষণা কৰে আৰু অষ্ট্ৰেলিয়াৰ সন্মুখত 272 ৰাণৰ বিজয়লক্ষ্য দিয়ে। ঘৰুৱা দলে 36-2 ৰাণ কৰাৰ সময়তে মেচ ড্ৰৰূপে সমাপ্ত হয়। দ্বিতীয় ইনিংছত ভাৰতৰ হৈ শ্বেফালীয়ে 52, পুনমে 41 আৰু মান্ধানাই 31 ৰাণ কৰে। উল্লেখ্য যে কেনবেৰাত অনুষ্ঠিত হয় ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মহিলা ক্ৰিকেট দলৰ মাজত দিবা-নৈশ টেষ্ট মেচ। প্ৰথমবাৰৰ বাবে গোলাপী বলৰে খেলিছে ভাৰতীয় মহিলা ক্ৰিকেট দলে। কিন্তু দৃঢ়তা আৰু আত্মবিশ্বাসৰে প্ৰথমদিনাই টছত হাৰিও সুন্দৰ আৰম্ভণি কৰিছিল ভাৰতীয় মহিলা ক্ৰিকেট দলে। বৰষুণৰ বাবে প্ৰথমদিনা মাত্ৰ 44.1 অভাৰৰ খেল হয় যদিও ভাৰতে এটা উইকেট হেৰুৱাই 132 ৰাণ কৰি সুন্দৰ আৰম্ভণি কৰিছিল। ভাৰতক সুন্দৰ আৰম্ভণি দিয়ে দুই অপেনাৰ স্মৃতি মান্ধানা আৰু শ্বেফালী বাৰ্মাই। উল্লেখ্য যে 93 ৰাণৰ যুটী হয় উভয়ৰ মাজত। মান্ধানাই অনবদ্য বেটিং কৰি ঐতিহাসিক শতক অৰ্জন কৰে। 22 টা বাউণ্ডেৰী আৰু এটা ছিক্সাৰ মাৰি মান্ধানাই 127 ৰাণৰ শতকীয় ইনিংছ খেলে। ইফালে, স্মৃতিৰ লগত শকতীয় যুটি হোৱাৰ পূৰ্বে আউট হৈছিল আনগৰাকী অপেনাৰ শ্বেফালী (31 ৰাণ)। আনহাতে, পুনম ৰাউটে 36, আৰু মিতালী ৰাজে 30 ৰাণ কৰে। আনহাতে, দিপ্তী শৰ্মাৰ 66 ৰাণ সহায়ত আঠ উইকেটত 377 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে ভাৰতে। মেচৰ শ্ৰেষ্ঠ মান্ধানা।

# ফাইনেলত গুৱাহাটী

**গুৱাহাটী, ৩ অক্টোবৰ ঃ** গুৱাহাটী ফুটবল দলে চলিত ছিনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ মাণ্ডলিক ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে বৰমাত চলি থকা ছিনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ মাণ্ডলিক পৰ্যায়ৰ মেচত আজি গুৱাহাটী ফুটবল দলে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে দক্ষিণ কামৰূপক। ফাইনেলত গুৱাহাটী ফুটবল দলে খেলিব বাকসাৰ বিৰুদ্ধে। উল্লেখ্য যে বাকসাই টাইব্ৰেকাৰত 6-5 গ'লত পৰাস্ত কৰিছে বৰপেটাক।

# প্লে-অফৰ দৌৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু

**ডুবাই, ৩ অক্টোবৰ ঃ** ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে চলিত আই পি এলত ক্ৰমাগত তৃতীয় মেচত জয়েৰে প্লে-অফলৈ যোগ্যতা অৰ্জনৰ দিশে আগবাঢ়িছে। আজি আৰ চি বিয়ে ছয় ৰাণত পৰাস্ত কৰে পঞ্জাৱ কিংছক। মেক্সৱেল (57], পাডিকাল (40] আৰু বিৰাটৰ (25] বেটিঙৰে আৰ চি বিয়ে কৰে 164-7 ৰাণ। প্ৰত্যুত্তৰত কিংছে ছয় উইকেটত 158 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ মায়ংকে 57 আৰু ৰাহুলে 39 ৰাণ কৰে। উল্লেখ্য যে ডুবাইত হোৱা প্ৰথম দুখন মেচত আৰ চি বি ব্যৰ্থ হৈছিল যদিও এতিয়া সফল প্ৰত্যাৱৰ্তন কৰি ক্ৰমাগত তিনিখন মেচত জয়লাভ কৰিছে। যোৱা মেচত আৰ চি বিয়ে সাত উইকেটত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰি ৰয়েলছে ন উইকেটত 149 ৰাণ কৰে। প্ৰত্যুত্তৰত, আৰ চি বিয়ে 17.1 অভাৰত তিনি উইকেটত 153 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। উল্লেখ্য যে পূৰ্বৰ মেচত আৰ চি বিয়ে 54 ৰাণত পৰাস্ত কৰিছিল বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰি আৰ চি বিয়ে ছয় উইকেটত 165 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত, মুম্বাই দলে 18.1 অভাৰত 111 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। কিন্তু ইয়াৰপূৰ্বে চেন্নাই ছুপাৰ কিংছ দলে ছয় উইকেটত পৰাস্ত কৰিছিল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰি আৰ চি বিয়ে ছয় উইকেটত 156 ৰাণ কৰে। প্ৰত্যুত্তৰত, চেন্নাই ছুপাৰ কিংছ দলে 18.1 অভাৰত চাৰি উইকেট হেৰুৱাই 157 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে। আনহাতে, কে কে আৰৰ হাতত নিলৰ্জ্জ পৰাজয়ৰ সন্মুখীন হৈছিল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দল। কলকাতা নাইট ৰাইডাৰ্ছে ন উইকেটত পৰাস্ত কৰে বিৰাট কোহলিৰ দলক। পোনতে বেটিং কৰা ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে 19 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে মাত্ৰ 92 ৰাণ। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে 10 অভাৰত এটা উইকেট হেৰুৱাই 94 ৰাণ কৰি ন উইকেটত সহজে পৰাস্ত কৰে আৰ চি বিক।





# আৰৱৰ বিৰুদ্ধে মহিলা ফুটবল দলৰ জয়

# ছাফ চেম্পিয়নশ্বিপত আজি ভাৰতৰ সন্মুখত বাংলাদেশ

**নতুন দিল্লী, ৩ অক্টোবৰ ঃ** ভাৰতীয় ফুটবল দলে ছাফ চেম্পিয়নশ্বিপত কাইলৈ প্ৰথম মেচ খেলিব বাংলাদেশৰ বিৰুদ্ধে। উল্লেখ্য যে মালেত চলি আছে ছাফ চেম্পিয়নশ্বিপ ফুটবল। ভাৰতীয় ফুটবল দলে ছাফ চেম্পিয়নশ্বিপত পূৰ্বে সাতবাৰ খিতাপ লাভ কৰিছে। অহা সাত অক্টোবৰত ভাৰতীয় ফুটবল দলে শ্ৰীলংকাৰ মুখামুখি হোৱাৰ বিপৰীতে 10 অক্টোবৰত নেপালৰ বিৰুদ্ধে খেলিব। আনহাতে, 13 অক্টোবৰত মলদ্বীপৰ বিৰুদ্ধে নামিব ভাৰতীয় ফুটবল দল। **ভাৰতীয় মহিলা ফুটবল দলৰ জয় ঃ** ভাৰতীয় মহিলা ফুটবল দলে আৰৱৰ বিৰুদ্ধে খেলা এখন প্ৰীতি মেচত 4-1 গ'লত বিজয়ী হৈছে। ভাৰতীয় মহিলা ফুটবল দলৰ হৈ মনীষা, পয়াৰি, স্বতি আৰু অঞ্জুই গ'ল কৰে।

# ছুপাৰ কিংছক হৰুৱাই ৰয়েলছৰ নতুন আশা

**ডুবাই, ৩ অক্টোবৰ ঃ** চলিত আই পি এলৰ যোৱানিশাৰ এখন মেচত চেন্নাই ছুপাৰ কিংছক সাত উইকেটত পৰাস্ত কৰি প্লে-অফৰ ক্ষীণ আশা সজীৱ কৰি ৰাখিছে ৰাজস্থান ৰয়েলছ দলে। উল্লেখ্য যে ঋতুৰাজ গাইকোৱাডৰ (101] শতকৰে চেন্নাই ছুপাৰ কিংছ দলে চাৰি উইকেটত 189 ৰাণ কৰিছিল। 60 বলত পাঁচটা ছিক্সাৰ আৰু নটা বাউণ্ডেৰীৰে শতক অৰ্জন কৰে ঋতুৰাজে। কিন্তু মেচত জয় অৰ্জন কৰে ৰয়েলছে। দলে 17.3 অভাৰত তিনি উইকেটত 190 ৰাণ কৰি জয়লাভ কৰে। শিৱম ডুবে 64 আৰু জয়ছোৱালে 50 ৰাণ কৰে। উল্লেখ্য যে চি এছ কেৰ প্লে-অফ ইতিমধ্যে নিশ্চিত হৈছে। কিন্তু এই জয় ৰাজস্থানৰ বাবে নতুন আশা। অন্তিম মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত পৰাস্ত কৰিছিল ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰা ৰাজস্থানে পাঁচ উইকেটত 164 ৰাণ কৰে। প্ৰত্যুত্তৰত, হায়দৰাবাদে 18.3 অভাৰত 167 ৰাণ কৰি জয়লাভ অৰ্জন কৰে। পূৰ্বৰ মেচত দিল্লী কেপিটেলছ দলে 33 ৰাণত পৰাস্ত কৰিছিল ৰাজস্থান ৰয়েলছ দলক। পোনতে বেটিং কৰি দিল্লী কেপিটেলছ দলে ছয় উইকেটত সংগ্ৰহ কৰে 154 ৰাণ। প্ৰত্যুত্তৰত, ৰাজস্থান ৰয়েলছে ছয় উইকেটত 121 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। অৱশ্যে ইয়াৰপূৰ্বৰ এখন ৰোমাঞ্চকৰ মেচত ৰাজস্থান ৰয়েলছে দুই ৰাণত পৰাস্ত কৰিছিল পঞ্জাৱ কিংছক। পোনতে বেটিং কৰা ৰাজস্থান ৰয়েলছ দলে 20 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে 185 ৰাণ। আনহাতে, বিজয়ৰ বাবে 186 ৰাণ অনুসৰণ কৰা পঞ্জাৱ কিংছ দলে 183-4 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।



# এথলেটিকোৰ বিৰুদ্ধে পুনৰ পৰাস্ত বাৰ্চিলোনা

**বাৰ্চিলোনা, ৩ অক্টোবৰ ঃ** লা-লিগাৰ যোৱানিশাৰ মেচত এথলেটিকো মাদ্ৰিদে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে বাৰ্চিলোনাক। প্ৰথমাৰ্ধতো দলে দুয়োটা গ'ল দিয়ে আৰু ইয়াৰে এটা ছুৱাৰেজৰ। উল্লেখ্য যে বাৰ্চিলোনাৰ ব্যৰ্থতা অব্যাহত আছে। চেম্পিয়নছ লীগ ফুটবলত ক্ৰমাগত দ্বিতীয় মেচতো পৰাজয়ৰ সন্মুখীন হৈছে বাৰ্চিলোনা। বেনফিকাই 3-0 গ'লৰ ব্যৱধানত বাৰ্চিলোনাক পৰাস্ত কৰে। উল্লেখ্য যে ইয়াৰপৰ্বে গ্ৰুপ 'ই'ৰ এখন হাইভ'ল্টেজ মেচত বেয়াৰ্ণ মিউনিখৰ মুখামুখি হৈছিল চেম্পিয়নছ লীগ ফুটবলৰ প্ৰাক্তন চেম্পিয়ন স্পেইনৰ ক্লাব বাৰ্চিলোনা। মেচখনত পূৰ্ব চেম্পিয়ন জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখে 3-0 গ'লৰ ব্যৱধানত বাৰ্চিলোনাক ঘৰত পৰাস্ত কৰি চলিত ছিজনৰ চেম্পিয়নছ লীগ ফুটবলত চমকপ্ৰদ অভিযান আভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে 21 বছৰ পাছত আৰ্জেণ্টিনাৰ তাৰকা লিয়নেল মেছি অভিহনে খেলিছে বাৰ্চিলোনাই। ইফালে, চেম্পিয়নছ লীগত এথলেটিকো মাদ্ৰিদৰ হাতত অন্তিম ক্ষণত পেনাল্টি গ'ল হজম কৰি 2-1 গ'লৰ ব্যৱধানত পৰাস্ত হয় এ চি মিলান। মেচত প্ৰথমে এ চি মিলানে গ'ল কৰিছিল যদিও 29 মিনিটৰ পৰা দলে 10 জনৰে খেলে আৰু 84 মিনিটলৈ আগবাঢ়ি থাকে। কিন্তু গ্ৰীজমান আৰু ছুৱাৰেজে গ'ল কৰি বিজয় দিয়ে এথলেটিকো মাদ্ৰিদক। চেম্পিয়নছ লীগৰ প্ৰথম মেচত এথলেটিকো মাদ্ৰিদে গ'লশূন্য ড্ৰ খেলিছিল এফ চি প'ৰ্টোৰ বিৰুদ্ধে।



# জুভেণ্টাছ-ইণ্টাৰ মিলানৰ জয়

**ৰোম, ৩ অক্টোবৰ ঃ** চেম্পিয়নছ লীগৰ সফলতাৰ পাছত ইটালিয়ান ফুটবল লীগতো জয়ৰ ছন্দ বিচাৰি পাইছে জুভেণ্টাছে। যোৱানিশা দলে একমাত্ৰ গ'লত হৰুৱাই ট'ৰিনোক। উল্লেখ্য যে প্ৰাক্তন চেম্পিয়ন জুভেণ্টাছে চলিত ছিজনৰ চেম্পিয়নছ লীগ ফুটবলত জয়ৰে আৰম্ভণি কৰাৰ পাছত নিজৰ দ্বিতীয় মেচত ইটালীৰ ক্লাবটোৰে পুনৰ সফলতা অৰ্জন কৰিছে। বিগত বৰ্ষত চেম্পিয়ন ট্ৰফী লাভ কৰা চেলছিক একমাত্ৰ গ'লত পৰাস্ত কৰে জুভেণ্টাছে। উল্লেখ্য যে ইয়াৰ পূৰ্বৰ মেচত জুভেণ্টাছে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মালমোক। চেম্পিয়নছ লীগৰ গ্ৰুপ 'এইছ'ৰ মেচখনত জুভেণ্টাছে তিনিওটা গ'ল খেলৰ প্ৰথমাৰ্ধতে দিয়ে। 23 মিনিটত ছিলভাৰ গ'লেৰে প্ৰথমে অগ্ৰগতি লোৱা জুভেণ্টাছৰ হৈ দ্বিতীয়টো গ'ল পেনাল্টিৰ জড়িয়তে কৰে খেলৰ 45 মিনিটত ডিবালাই। আনহাতে, প্ৰথমাৰ্ধৰে ইঞ্জুৰী টাইমত ম'ৰাতাই গ'ল কৰি জুভেণ্টাছৰ 3-0 ৰ বিজয় নিশ্চিত কৰে। ইফালে, ইটালিয়ান ফুটবল লীগৰ যোৱনিশাৰ মেচত ইণ্টাৰ মিলানে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছাছুলোক। উল্লেখ্য যে চেম্পিয়নছ লীগৰ মেচত ইণ্টাৰ মিলানে গ'লশূণ্য ড্ৰ খেলে ছাখতাৰৰ লগত। প্ৰথম মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল ইণ্টাৰ মিলানক। উল্লেখ্য যে ইটালিয়ান ফুটবল লীগৰ অন্তিম মেচত এ চি মিলানে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেজয়াক। কিন্তু আন এখন মেচত ইণ্টাৰ মিলানে 2-2 গ'লত ড্ৰ খেলিছিল আটলাণ্টাৰ লগত।

# অম্লানক ২৫ হেজাৰ টকাৰ চেক অসম এথলেটিকছ সন্থাৰ



**গুৱাহাটী, ৩ অক্টোবৰ ঃ** 'অনুশীলন যেতিয়া সঠিক হয় তেতিয়া সফলতাও নিশ্চিত হয়। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত মোৰ সফলতাৰ কাৰণে আছিল সঠিক অনুশীলন। এতিয়া লক্ষ্য লৈছো আন্তৰ্জাতিক প্ৰতিযোগিতাত পদক জয়ৰ বাবে। ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছো।' এই মন্তব্য অসমৰ নৱাগত এথলীট অম্লান বৰগোহাঁইৰ। উল্লেখ্য যে আজি ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুনৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা সভাকক্ষত অসম অলিম্পিক সন্থাই জনোৱা সম্বৰ্ধনা গ্ৰহণ কৰি এইদৰে কয় অম্লানে। উল্লেখ্য যে অম্লানে তেলেংগনাত অনুষ্ঠিত সদ্য সমাপ্ত ৰাষ্ট্ৰীয় মুকলি এথলেটিকছ প্ৰতিযোগিতাত প্ৰথমে 100 মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰাৰ লগতে 200 মিটাৰ দৌৰত সোণৰ পদক লাভ কৰি গৌৰৱময় সফলতা অৰ্জন কৰে। কেৱল সোণ লাভ কৰাৰ সফলতাই অৰ্জন কৰা নাছিল অসম সন্তান অম্লানে। নিজৰ কেৰিয়াৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শন কৰাৰ লগতে নতুন অভিলেখৰ গৰাকীও হয়। আনহাতে, অম্লানৰ সোণ জয়ৰ সফলতাত আছে মীট ৰেকৰ্ডৰ অনন্য সাফল্যও। উল্লেখ্য যে ল'ৰাৰ 200 মিটাৰত অসম সন্তান অম্লানে 20.75 ছেকেণ্ডত দৌৰ পূৰ্ণ কৰি নতুন অভিলেখৰে সোণ লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰপূৰ্বে অম্লানে মীট ৰেকৰ্ডসহ ল'ৰাৰ 100 মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰিছিল। উল্লেখ্য যে 60 সংখ্যক ৰাষ্ট্ৰীয় মুকলি এথলেটিকছ প্ৰতিযোগিতাখনত অম্লানে 10.34 ছেকেণ্ড সময় লৈ 100 মিটাৰ দৌৰ পূৰ্ণ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, আজি অসম এথলেটিকছ সন্থাই অম্লানক প্ৰদান কৰে 25 হেজাৰ টকাৰ চেক।

সত্যমেৱ জয়তে
অসম চৰকাৰ

आज़ादी का अमृत महोत्सव

ভাৰত চৰকাৰ আৰু বিশ্ববেংকৰ পুঁজিৰ দ্বাৰা
এন.ই.আৰ. পাৱাৰ চিষ্টেম ইমপ্ৰুভমেন্ট প্ৰজেক্টৰ অধীনত নিৰ্মিত

অসম বিদ্যুৎ সংবহন নিগম লিমিটেড

পাৱাৰগ্ৰিড

# ১৩২/৩৩ কে.ভি, ২ x ৩১.৫ এম.ভি.এ. চাপাখোৱা গ্ৰীড উপকেন্দ্ৰৰ

## শুভ উদ্বোধন

উদ্বোধক

**ড° হিমন্ত বিশ্ব শৰ্মা**
মাননীয় মুখ্যমন্ত্ৰী, অসম

**০৪ অক্টোবৰ, ২০২১ (সোমবাৰ), দিনৰ ১১.০০ বজাত**

সন্মানীয় উপস্থিতি

**শ্ৰীযুত বিমল বড়া**
মাননীয় শক্তি, ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা
আৰু পৰ্যটন মন্ত্ৰী, অসম চৰকাৰ

**শ্ৰীযুত প্ৰদান বৰুৱা**
মাননীয় সাংসদ
(লখিমপুৰ লোকসভা সমষ্টি)

**শ্ৰীযুত বলীন চেতিয়া**
মাননীয় বিধায়ক
(শদিয়া বিধানসভা সমষ্টি)

## প্ৰকল্পটোৰ মুখ্য বৈশিষ্ট্যসমূহঃ

- আঁচনি : এন.ই.আৰ.পি.এছ.আই.পি. (উত্তৰ-পূৱ এলেকাৰ শক্তি প্ৰণালীৰ উন্নতিৰ প্ৰকল্প)
- প্ৰকল্পৰ উপাদানবোৰঃ
  - ১৩২/৩৩ কে.ভি, ২X৩১.৫ এম.ভি.এ. স্থানান্তৰ আৰু মুঠ ক্ষমতা ৬৩ এম.ভি.এ.।
  - ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ৯ টা পাইল ফাউণ্ডেচন টাৱাৰৰ সৈতে মুঠ ১৫৮ টা টাৱাৰ সামৰি ৪৩.৯৭৬ কি.মি. দৈৰ্ঘ্যৰ ১৩২ কে.ভি. বিদ্যুৎ সৰবৰাহী লাইন বনোৱা হৈছে।
  - এ.পি.ডি.চি.এল.ৰ ৩৩/১১ কে.ভি উপকেন্দ্ৰলৈ বিদ্যুৎ সৰবৰাহ কৰিবৰ বাবে ৪ টা লাইন বে'ৰ ব্যৱস্থা আছে।
  - বৰ্তমান এ.পি.ডি.চি.এল.ৰ ৩৩/১১ কে.ভি চাপাখোৱা আৰু দলৌপানী কেন্দ্ৰলৈ বিদ্যুৎ সৰবৰাহ কৰা হ'ব।
- প্ৰকল্প ব্যয় : ৭৩.৮৭ কোটি টকা।
- পুঁজিৰ উৎস : বিশ্ব বেংকৰ পৰা ৫০% ঋণ আৰু শক্তি মন্ত্ৰালয়ৰ বাজেটৰ পৰা ৫০% ৰ জৰিয়তে ভাৰত চৰকাৰে পুঁজি যোগান ধৰিছে।
- ৰূপায়ণ সংস্থা : পাৱাৰ গ্ৰিড কৰ্পোৰেচন অফ ইণ্ডিয়া লিমিটেড (পি.জি.চি.আই.এল.)।
- স্বত্বাধিকাৰ : অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (এ.ই.জি.চি.এল.)।
- লাভান্বিত উপভোক্তা : ২৫০০০ (প্ৰায়)।






APS/2021-22/01

**অসম বিদ্যুৎ সংবহন নিগম লিমিটেড**

জনসংযোগ/ডি/৭০১২/২১